www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কাকো সৰু বুলি নাহাঁহিব, কাৰণ ভৰিৰ তলৰ দুবৰী বন হে পূজাত লাগে মূৰৰ ওপৰৰ বৰগছ নহয়। — চানক্য

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ৩৩৪ ❐ সোমবাৰ ❐ ১২ অক্টোবৰ, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 334 ❐ Monday ❐ 12th October, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

"দেশত গৃহযুদ্ধ সদৃশ পৰিৱেশ, অঘোষিত জৰুৰীকালীন অৱস্থা"

# দিল্লীক সেনানিবাসলৈ ৰূপান্তৰিতৰ অভিযোগ চিজেপিৰ

প্ৰতিৰোধমূলক গ্ৰেপ্তাৰৰ পৰা মুকলিৰ পাছতেই সংবাদমেল; ফোন জব্দ কৰি হেকিং কৰাৰ আশংকা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ অক্টোবৰ ঃ** প্ৰতিৰোধমূলক গ্ৰেপ্তাৰৰ পৰা মুকলি হোৱাৰ পাছতে ক'কৰোচ্ছ জনতা পাৰ্টী (চিজেপি)ৰ নেতা আশুতোষ ৰাংকা আৰু সৌৰভ দাসে দেওবাৰে সংবাদমেল সম্বোধন কৰি কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। সংবাদমেলত চিজেপিৰ সহ-সংযোজক তথা মুখ্য মুখপাত্ৰ সৌৰভ দাসে সমগ্ৰ দেশতে অঘোষিত জৰুৰীকালীন অৱস্থা সৃষ্টি হোৱা বুলি অভিযোগ কৰে। সৌৰভ দাসে কয়, "দেশত অঘোষিত জৰুৰীকালীন অৱস্থাৰ সৃষ্টি হৈছে। ১৯৭৫ চনতো এনে পৰিৱেশ দেখা গৈছিল। ইমান দশকৰ পাছতো এজন একনায়কত্ববাদী ব্যক্তি শাসনৰ গাদীত বহি আছে আৰু আমাক গৃহযুদ্ধ সদৃশ পৰিৱেশলৈ ঠেলি দিছে।" তেওঁ লগতে অভিযোগ ❐ ৬ পৃষ্ঠাত

■ শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত অনুষ্ঠান; পাঁচ বছৰত ১.৬৫ লাখ নিযুক্তিৰ উল্লেখ ■

## ৪৩৯ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান ৰাজ্য চৰকাৰৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰে বিভিন্ন বিভাগত নিযুক্তি লাভ কৰা ৪৩৯ গৰাকী প্ৰাৰ্থীক আজি আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰে। এই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সমবায় বিভাগৰ কাৰ্যালয় সহায়ক পদত ❐ ৬ পৃষ্ঠাত

অভিযুক্ত কংগ্ৰেছ সাংসদ বিমল আকোইজামক দলৰ পৰা নিলম্বনৰ দাবী

## JNUৰ ১১ গৰাকী ছাত্ৰীক যৌন নিৰ্যাতনৰ অভিযোগ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ অক্টোবৰ ঃ** জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ ১১ গৰাকী ছাত্ৰীক যৌন নিৰ্যাতনৰ অভিযোগৰ ঘটনাক লৈ বিজেপিৰ লোকসভা সাংসদ বনসুৰী স্বৰাজে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰিছে। দেওবাৰে নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি সাংসদগৰাকীয়ে কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু দলটোৰ নেতৃত্বৰ নীৰৱতাক লৈ প্ৰশ্ন উত্থাপন কৰে। বিজেপিৰ সাংসদগৰাকীয়ে দাবী কৰে যে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ ১১ ❐ ৬ পৃষ্ঠাত



## 'ভোট চুৰি'ৰ প্ৰসংগত দেশৰ মুখ্য ন্যায়াধীশক সাক্ষাৎ কৰিব ৰাহুল-খাৰ্গেয়ে

অঘোষিত জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰখাৰ ঘোষণা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ অক্টোবৰ ঃ** 'ভোট চুৰি'ৰ প্ৰসংগত দেশৰ বিৰোধী দল কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই প্ৰতিবাদ অব্যাহত ৰাখিছে। এই বিষয়টোক লৈ তেওঁলোকে দেশৰ মুখ্য ন্যায়াধীশৰ হস্তক্ষেপ বিচাৰিছে। সোমবাৰে বিয়লি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে দেশৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তক সাক্ষাৎ কৰিব। সোমবাৰে বিয়লি প্ৰায় ৪ বজাৰ পৰা ৫ বজাৰ ভিতৰত এই বৈঠক অনুষ্ঠিত হোৱাৰ ❐ ৬ পৃষ্ঠাত

২০ ঘণ্টা আৱদ্ধৰ পাছত মুকলি; নাগৰিকত্বক লৈ চলোৱা প্ৰচাৰক ভুৱা আখ্যা

## মোক আটক বা গ্ৰেপ্তাৰ নহয়, অপহৰণ কৰা হৈছিল ঃ ধ্ৰুৱ ৰাথী



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ অক্টোবৰ ঃ** ককৰোচ জনতা পাৰ্টী (চিজেপি)ই দিল্লীৰ যন্তৰ-মন্তৰত আহ্বান জনোৱা প্ৰতিবাদলৈ যোৱাৰ আগতে শনিবাৰে পুৱাই আৰক্ষীয়ে জনপ্ৰিয় ইউটিউবাৰ ধ্ৰুৱ ৰাথীক আটক কৰে। প্ৰায় ২০ ঘণ্টা আৱদ্ধ ৰখাৰ পাছত আৰক্ষীয়ে তেওঁক মুকলি কৰি দিয়ে। শনিবাৰৰ এই ঘটনাৰ বিষয়ে দেওবাৰে ৰাথীয়ে নিজে মুখ খুলি কয় যে তেওঁক আটক বা গ্ৰেপ্তাৰ কৰা হোৱা নাছিল; তেওঁৰ মতে তেওঁক অপহৰণ কৰা হৈছিল। প্ৰথমে ৰাথীয়ে এক্সযোগে নিজৰ নাগৰিকত্বক লৈ উত্থাপিত প্ৰশ্নৰ উত্তৰ দিয়ে। তেওঁ কয়, "এয়া মোৰ ❐ ৬ পৃষ্ঠাত

এখন ছবিয়েই যদি চৰকাৰক ভয় খুৱাব পাৰে, তেন্তে গণতন্ত্ৰৰ অৱস্থা কি ? ঃ মাৰ্শ্বেল বৰুৱা

## চাৰি ঘণ্টা জিম্মাৰ পাছত মুকলি চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱাক



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ অক্টোবৰ ঃ** এখন ছবিয়ে যদি চৰকাৰক ভয় খুৱাব পাৰে, তেন্তে গণতন্ত্ৰৰ অৱস্থা কি ? নিশা আৰক্ষীয়ে আটক কৰি চাৰি ঘণ্টা জিম্মাত ৰখাৰ পাছত মুকলি হৈ এই প্ৰশ্নৰে সৰৱ হ'ল অসমৰ চিত্ৰশিল্পী মাৰ্শ্বেল বৰুৱা। শনিবাৰে নিশা গুৱাহাটীৰ মঠঘৰীয়াৰ পৰা নুনমাটি আৰক্ষীয়ে তেওঁক আটক কৰিছিল। অৱশ্যে কি কাৰণত তেওঁক আটক কৰা হৈছিল, সেই বিষয়ে স্পষ্টকৈ জানিব পৰা হোৱা নাই। দেওবাৰে পুৱতি নিশা প্ৰায় ১ বজাত তেওঁক মুকলি কৰি দিয়া হয়। নিজৰ অভিজ্ঞতাৰ কথা সাংবাদিকৰ আগত বৰ্ণনা কৰি মাৰ্শ্বেল বৰুৱাই কয় যে শনিবাৰে নিশা প্ৰায় ৯ বজাত তেওঁ পথত বন্ধুৰ সৈতে কথা পাতি ঘূৰি আছিল। তাৰ পিছত ফোনত কথা পাতি ❐ ৬ পৃষ্ঠাত

গুৱাহাটীস্থ SAI-ৰ সম্বৰ্ধনা অনুষ্ঠানত লাভলীনা বৰগোঁহাই

## প্ৰস্তাৱিত লাভলীনা বক্সিং একাডেমীয়ে পৰৱৰ্তী প্ৰজন্মৰ বক্সাৰসকলক সবল ভিত্তি দিব ঃ লাভলীনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ অক্টোবৰ ঃ** এছিয়ান গেমছৰ স্বৰ্ণপদক বিজয়ী লাভলীনা বৰগোঁহায়ে আশা প্ৰকাশ কৰিছে যে অসমত তেওঁৰ নামত প্ৰস্তাৱিত বক্সিং একাডেমীয়ে পৰৱৰ্তী প্ৰজন্মৰ বক্সাৰসকলৰ বাবে এক সবল ভিত্তি ❐ ৬ পৃষ্ঠাত

## ইভেণ্ট মেনেজাৰ গোবিন্দৰ বিৰুদ্ধে শাৰীৰিক-মানসিক নিৰ্যাতনৰ অভিযোগ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ অক্টোবৰ ঃ** গুৱাহাটীৰ চপাইদঙৰ নৃত্যশিল্পী হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুক লৈ নতুন নতুন তথ্য পোহৰলৈ আহিছে। অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টনমত সংঘটিত হোৱা এই মৰ্মান্তিক ঘটনাৰ পাছত হিমাশ্ৰীৰ সৈতে অনুষ্ঠানত অংশগ্ৰহণ ❐ ৬ পৃষ্ঠাত

## শান্তিপূৰ্ণ আৰু নিৰস্ত্ৰ প্ৰতিবাদকাৰী আটক কৰি দমন কৰিব নোৱাৰিব ঃ উচ্চতম ন্যায়ালয়

■ দিল্লীৰ পৰিস্থিতিৰ বিৰোধিতা কৰি দাখিল আবেদনৰ শুনানি ■



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ অক্টোবৰ ঃ** শনিবাৰে দিল্লীত সৃষ্টি হোৱা লকডাউন সদৃশ পৰিৱেশ তথা শিক্ষাৰ্থী, অধিবক্তা আৰু সাংবাদিকসকলক আটক কৰাৰ ঘটনাৰ বিৰোধিতা কৰি উচ্চতম ন্যায়ালয়ত এখন আবেদন দাখিল কৰা হৈছিল। অধিবক্তা শৈলেন্দ্ৰ মণি ত্ৰিপাঠীয়ে দাখিল কৰা এই আবেদনখন দেওবাৰে উচ্চতম ন্যায়ালয়ৰ বিশেষ বিচাৰপীঠে শুনানিৰ বাবে গ্ৰহণ কৰে। ন্যায়াধীশ জয়মাল্য বাগচী আৰু ভি মোহনাক লৈ গঠিত ❐ ৬ পৃষ্ঠাত

আন্দোলনৰ আঁৰত নিজৰ ৰাজনৈতিক মুনাফা আদায়ক লৈ কংগ্ৰেছক সকীয়নি

## CJPৰ আন্দোলনত ৰাজনীতিৰ ৰং নাসানিব ঃ অখিল গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ অক্টোবৰ ঃ** বিধানসভা চৌহদত চলি থকা সত্যাগ্ৰহ কাৰ্যসূচীৰ মাজতে বিধায়ক অখিল গগৈয়ে সংবাদমেল সম্বোধন কৰি CJPৰ আন্দোলন সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ কয় যে CJPৰ আন্দোলনত ৰাজনীতিৰ ৰং নাসানিব। একালৰ বন্ধু ❐ ৬ পৃষ্ঠাত

তিনিটা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা মন্ত্ৰী কৌশিক ৰায়ৰ

## ১০টা ৱাৰ্ডেৰে গঠন হ'ব মাজুলী পৌৰসভা

**অসম বাৰ্তা, উজনী মাজুলী, ১১ অক্টোবৰ ঃ** ৰাজ্যৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ৰ অধ্যক্ষতাত আজি বিয়লি মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা তথা সমবায় বিভাগৰ কাম-কাজৰ অগ্ৰগতি আৰু বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ শেহতীয়া স্থিতি পৰ্যালোচনা কৰে। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ❐ ৩ পৃষ্ঠাত

## কংগ্ৰেছে ৰাইজক সদায় প্ৰতাৰণা কৰি আহিছে ঃ মন্ত্ৰী পীযুষ হাজৰিকা

বদৰুদ্দিন আজমলৰ কমিনিয়েল ৰাজনীতিক ৰাইজে প্ৰত্যুত্তৰ দিয়া বুলি মন্তব্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ অক্টোবৰ ঃ** ৰাজ্যৰ মন্ত্ৰী পীযুষ হাজৰিকাই কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰিছে। তেওঁ অভিযোগ কৰে যে কংগ্ৰেছ দলে ৰাইজক সদায় প্ৰতাৰণা কৰি আহিছে। লগতে তেওঁ কয় যে সংখ্যালঘু সম্প্ৰদায়ক কংগ্ৰেছে সদায় ব্লেকমেইলিং কৰি ❐ ৬ পৃষ্ঠাত

১০০ৰো অধিক ঘৰ, দলং আৰু বেছ কেম্প উটি যোৱাৰ আশংকা

## নেপালৰ বুঢ়ী গণ্ডক নদীত পুনৰ ভয়াৱহ বান



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১১ অক্টোবৰ ঃ** নেপালত প্ৰাকৃতিক দুৰ্যোগৰ তাণ্ডৱ এতিয়াও কমা নাই। দেওবাৰে ৰাতিপুৱাই নেপালৰ গোৰ্খা জিলাত পুনৰ প্ৰকৃতিৰ সংহাৰী ৰূপ প্ৰত্যক্ষ কৰা গৈছে। বুঢ়ী গণ্ডক নদীত অহা আকস্মিক বানপানীয়ে পুনৰবাৰ ভয়ংকৰ তাণ্ডৱ সৃষ্টি কৰিছে। এই বানপানীৰ ফলত নেপালত ধন-জনৰ প্ৰচুৰ ক্ষতি হোৱাৰ লগতে বহু ঘৰ, দলং আৰু বেছ কেম্প উটি যোৱা বুলি জানিব পৰা গৈছে। গোৰ্খা জিলাৰ মুখ্য জিলা বিষয়া ধৰ্মেন্দ্ৰ কুমাৰ মিশ্ৰই জনোৱা মতে, ৰাতিপুৱা প্ৰায় ৪ বজাত এই বানপানী আহিছিল। বানপানীৰ ফলত দোভান, ঘাট্টেখোলা, জগত, সল্লেৰী, চুমানুবৰী আৰু ধাৰ্চে গাঁও পালিকাত যথেষ্ট ক্ষতি হৈছে। এই গাঁও পালিকাসমূহত প্ৰায় ১০০টা ঘৰ বানপানীত উটি যোৱাৰ অনুমান কৰা হৈছে। ইয়াৰ উপৰি চুমানুবৰীৰ পৰা ন্যাকচেত-সিৰ্দিবাস সংযোগকাৰী ❐ ৬ পৃষ্ঠাত

## হিমাশ্ৰী বড়োৰ ন্যায় আৰু নাৰী সুৰক্ষাৰ দাবীত গুৱাহাটীত আছুৰ বৃহৎ মমশিখা সমদল

উত্তৰ-পূৰ্বাঞ্চলৰ লোকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ অক্টোবৰ ঃ** হিমাশ্ৰী বড়োৰ ন্যায় প্ৰদান আৰু নাৰীৰ সুৰক্ষা সুনিশ্চিত কৰাৰ দাবীত দেওবাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীত অসম ছাত্ৰ সন্থা (আছু)ই বৃহৎ মমশিখা সমদল উলিয়ায়। মহানগৰীৰ শ্বহীদ ন্যাসৰ পৰা আছুৱে এই সমদল আৰম্ভ কৰে। সমদলত অংশগ্ৰহণ কৰি আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ❐ ৬ পৃষ্ঠাত

### সোণাপুৰৰ জুবিনক্ষেত্ৰত সোমবাৰে বিক্ষোভ কাৰ্যসূচী

দিনৰ ১১ বজাত সকলোকে একত্ৰিত হ'বলৈ আহ্বান

**ষ্টাফ ৰিপ'ৰ্টাৰ, সোণাপুৰ, ৰৰ অক্টোবৰ:** জুবিন গাৰ্গ ফেন ক্লাবে সোমবাৰে সোণাপুৰত এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰিব। এই কাৰ্যসূচী দিনৰ ৰৰ বজাত জুবিনক্ষেত্ৰত অনুষ্ঠিত হ'ব। ইয়াৰ লগতে জুবিন গাৰ্গ ফেন ক্লাবৰ সাধাৰণ সম্পাদক পিকু বৰগোঁহায়ে সকলোকে জুবিনক্ষেত্ৰত একত্ৰিত হ'বলৈ আহ্বান জনাইছে। সোমবাৰে জুবিনক্ষেত্ৰত হ'বলগীয়া এই বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ফেন ক্লাবে সকলোৰে প্ৰতি অনুৰোধ জনাইছে।

■ যাত্ৰীৰ পাৱাৰ বেংকৰ পৰা জুই সৃষ্টিৰ সন্দেহ ■

## দিল্লী-চেন্নাই ইণ্ডিগ' বিমানত অগ্নিকাণ্ড হায়দৰাবাদত জৰুৰীকালীন অৱতৰণ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ অক্টোবৰ ঃ** দেওবাৰে দিল্লীৰ পৰা চেন্নাইলৈ যাত্ৰা কৰা ইণ্ডিগ'ৰ এখন বিমানত অগ্নিকাণ্ডৰ ঘটনাই আতংকৰ পৰিৱেশ সৃষ্টি কৰে। বিমানখনৰ ওপৰৰ লাগেজ ৰখা স্থান অৰ্থাৎ অ'ভাৰহেড লাগেজ কম্পাৰ্টমেণ্টত জুই লাগে। এজন যাত্ৰীৰ পাৱাৰ বেংকৰ পৰাই এই অগ্নিকাণ্ড ❐ ৬ পৃষ্ঠাত

অত্যাধুনিক সুবিধাৰে পুনৰ মেৰামতি কৰা পাঁচটা 'অমৃত' ৰে'ল ষ্টেচন উদ্বোধন

## তামিলনাডুত প্ৰধানমন্ত্ৰী মোদী; চেন্নাই মেট্ৰ' ৰে'লৰ তৃতীয় পৰ্যায়ৰ প্ৰকল্প অনুমোদনৰ আহ্বান



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ অক্টোবৰ ঃ** তামিলনাডুৰ মুখ্যমন্ত্ৰী চি জোছেফ বিজয়ে চেন্নাই মেট্ৰ' ৰে'লৰ তৃতীয় পৰ্যায়ৰ প্ৰকল্প শীঘ্ৰে অনুমোদন কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আহ্বান জনাইছে। দেওবাৰে প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিত অনুষ্ঠিত এক চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে বিমানবন্দৰ-কিলাম্বাক্কাম আৰু পুন্দামল্লী-ছুংগুভাৰছাত্ৰামৰ দৰে গুৰুত্বপূৰ্ণ পথত মেট্ৰ' সংযোগ সম্প্ৰসাৰণৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰি কোয়েম্বাটুৰ আৰু মাদুৰাইত মেট্ৰ' ৰে'ল প্ৰকল্প স্থাপনৰ প্ৰস্তাৱ পুনৰ বিবেচনা কৰিবলৈও মুখ্যমন্ত্ৰী বিজয়ে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনায়। উল্লেখ্য, দেওবাৰে আইআইটি মাদ্ৰাজত অনুষ্ঠিত এক চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰায় ১৩ হাজাৰ কোটি টকাৰ বিভিন্ন প্ৰকল্প দেশবাসীৰ বাবে মুকলি কৰে। লগতে কেইবাটাও নতুন প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে অত্যাধুনিক সুবিধাৰে পুনৰ মেৰামতি কৰা পাঁচটা 'অমৃত' ৰে'ল ষ্টেচন ❐ ৬ পৃষ্ঠাত

“শূন্যৰ পৰা মানুহ হোৱা ব্যক্তি বাচাৰাম বৰুৱা সকলোৰে আদৰ্শ” ঃ ড° আনন্দ হাজৰিকা

# মাজুলীৰ বিশিষ্ট সমাজকৰ্মী বাচাৰাম বৰুৱাৰ জীৱন ভিত্তিক অভিনন্দন গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, মাজুলী, উজনি মাজুলী, ১১ অক্টোবৰ ঃ** মাজুলীৰ বিশিষ্ট সমাজকৰ্মী, অসহায়জনৰ সাহস, এগৰাকী সফল ব্যৱসায়ী দৰিয়াগাঁও নিবাসী বাচাৰাম বৰুৱাৰ জীৱনভিত্তিক এখন অভিনন্দন গ্ৰন্থ আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। এই উপলক্ষ্যে শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ মুকলি পেক্ষাগৃহত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ আৰম্ভণিতে শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ বিশিষ্ট বৈষ্ণৱ মণিৰাম বৰগায়ন বুঢ়াভকতে বন্তি প্ৰজ্বলন কৰি আধ্যাত্মিক ভাবাবেগেৰে অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। সত্ৰৰ প্ৰপন্ন বৈষ্ণৱ, সত্ৰীয়া কৃষ্টি-সংস্কৃতিৰ সাধক তীৰ্থ ভূঞাঁ বৰগায়নে আঁত ধৰা সভাখনিত গুৰুজনাৰ এটি বৰগীত পৰিৱেশন কৰি মঞ্চ মুকলি কৰে সত্ৰৰ বৈষ্ণৱ, সাধক শিল্পী উপেন বৰগায়নে। সভাত আদৰণি ভাষণ প্ৰদান কৰে শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° যাদৱ বৰাই। সভাৰ আৰম্ভণিতে সদ্যপ্ৰয়াত পদ্মশ্ৰী গোপীৰাম বৰগায়ন বুঢ়াভকতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ ডেকাধিকাৰ দেৱানন্দ দেৱগোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত সমাজকৰ্মী, জ্যেষ্ঠ সাংবাদিক জীৱন বৰুৱাৰ সম্পাদনাত সমাজকৰ্মী বাচাৰাম বৰুৱাৰ জীৱন ভিত্তিক অভিনন্দন গ্ৰন্থ “কৃতসংকল্প বাচাৰাম বৰুৱা” শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰে শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে। গ্ৰন্থখন উন্মোচন কৰি সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে বাচাৰাম বৰুৱাৰ ধৈৰ্য্য, সাহস, কৰ্মপটুতা, পৰিশ্ৰম আৰু সময়ৰ গুৰুত্ব উপলব্ধি কৰা বিভিন্ন গুণৰাজিৰ লগতে অসহায় লোকক পাৰ্যমানে কৰি অহা সহায়ৰ দিশসমূহ আৰু তেখেতৰ জীৱন পৰিক্ৰমা অতি সুন্দৰকৈ তুলি ধৰে। সভাত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° আনন্দ হাজৰিকাই বাচাৰাম বৰুৱাৰ জীৱনৰ কঠিন অতীতৰ বিষয়ে উল্লেখ কৰি একাগ্ৰতা, উদ্যমী আৰু শূন্যৰ পৰা মানুহ হোৱা ব্যক্তি বাচাৰাম বৰুৱা সকলোৰে আদৰ্শ বুলি ব্যক্ত কৰে। হাজৰিকাদেৱে জন্মভূমি মাজুলীৰ পৰা নানান সমস্যাৰ মাজেৰে জীৱন সংগ্ৰাম আৰম্ভ কৰি উন্নতিৰ জখলাৰে আগুৱাই গৈ সমাজকৰ্মী হিচাপে প্ৰতিষ্ঠা লাভ কৰে। তেখেতে এগৰাকী ক্ৰীড়া সংগঠক তথা প্ৰবীণ খেলুৱৈ হিচাপে অসম চৰকাৰৰ ক্ৰীড়া পেঞ্চন লাভ কৰাই নহয় এগৰাকী সমাজকৰ্মী হিচাপে ৰাষ্ট্ৰীয় ক্ষেত্ৰতো জিলিকি সন্মান লাভ কৰি মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিছে সেৰা আমাৰ প্ৰজন্মৰ বাবে সঁচাই স্বাৱলম্বনৰ উজ্জ্বল নিদৰ্শন বুলি উল্লেখ কৰে। অনুষ্ঠানত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই মাজুলীৰ ব্যক্তিৰ পৰা সমাজ তথা সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰা কৃতবিদ্য-কৃতসংকল্প আদি অভিধাৰে বিভূষিত বাচাৰাম বৰুৱাৰ আত্মনিৰ্ভৰশীলতাৰ নিদৰ্শন অনুকৰণ কৰিলে আজিৰ প্ৰজন্ম উপকৃত হ'ব বুলি প্ৰকাশ কৰে। বিধায়ক ভুৱন গামে অভিভাৱকসুলভ মনোভাৱেৰে বাচাৰাম বৰুৱাৰ পৰা লাভ কৰা সান্নিধ্য লাভৰ বিষয়ে সভাত প্ৰকাশ কৰে। ইয়াৰ বাহিৰেও সভাত শ্ৰীশ্ৰীনতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ সত্যজিৎ মহন্ত, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনীন্দ্ৰ ভূঞা, মণিপুৰী নৃত্য শিল্পী সুদীপ কুমাৰ ঘোষ আদিয়ে বাচাৰাম বৰুৱাৰ আত্মনিৰ্ভৰশীলতাৰ নিদৰ্শন দাঙি ধৰি তেখেতৰ কৰ্মজীৱনৰ পৰ্যালোচনা কৰে। আজিৰ সভাত আধাৰ মাহৰা সত্ৰৰ সত্ৰাধিকাৰ মহেশ গোস্বামী, ডাঃ শশী ফুকন, সমাজকৰ্মী প্ৰমোদ বৰা, দীপক গোস্বামী, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নৰেন চন্দ্ৰ ঠাকুৰীয়া, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিশিষ্ট সত্ৰীয়া শিল্পী ড° কৰুণা বৰা, প্ৰভাত বৰা বুঢ়াভকত, নৃত্যশিল্পী উষাৰানী বৈশ্য, যোগেন দত্ত বৰবায়ন, অভিজিত ঘোষ অধিবক্তা যোৰহাট, আউনীআটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা সম্পাদনা সমিতিৰ উপদেষ্টা ৰঞ্জিত কুমাৰ ভূঞা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াকে মুখ্য কৰি বহুকেইগৰাকী বিশিষ্ট বৈষ্ণৱ, ব্যক্তি উপস্থিত থাকে। সভাত বাচাৰাম বৰুৱাক যুৱ ছাত্ৰ পৰিষদ, আপকু মাজুলী জিলা সমিতি, জিলা সাংবাদিক সন্থা, জিলা মহিলা সমিতি-দৰিয়া গাঁও মহিলা সমিতি-কমলাবাৰী মাৰোৱাৰী সমাজ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে অংগবস্ত্ৰৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত গ্ৰন্থখনিৰ কাৰণে যিসকল বিশিষ্ট ব্যক্তিয়ে তেখেতসকলৰ লেখাৰে সমৃদ্ধ কৰিলে আৰু আজি মহান অনুষ্ঠানৰ জৰিয়তে ৰাইজক উছৰ্গা কৰিবলৈ সক্ষম হল সেই সকল বৰেণ্য ব্যক্তিক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে সম্পদক জীৱন বৰুৱাই। অনুষ্ঠানত শেষত শালগৰ শৰাই আগবঢ়াই তীৰ্থ ভূঞাই।

দেৰচন্স গ্ৰুপ, জোনমণি দেউৰী, দিদাৰ আলী, মিঠু বড়োলৈও বঁটা

# ‘আশাৰ আলোক’- মানুহে মানুহৰ বাবে, দৰং, অসমৰ বৰ্ষপূৰ্তি অনুষ্ঠানত মন্ত্ৰী নীলিমা দেৱী

## শান্তি নিবাস বৃদ্ধাশ্ৰমৰ মজিবুৰ ৰহমানলৈ জুবিন গাৰ্গ সোঁৱৰণী ‘মানৱসেৱা বঁটা’



**অসম বাৰ্তা, মঙলদৈ, ১১ অক্টোবৰ ঃ** ‘ব্যতিক্ৰমী কাৰ্যপন্থাৰে অকল দৰং জিলাতেই নহয়, সমগ্ৰ অসমতেই জনপ্ৰিয় হৈ পৰিছে মানৱতাবাদী সংগঠন ‘আশাৰ আলোক’- মানুহে মানুহৰ বাবে-, দৰং, অসম। এই সংগঠনটোৱে কাৰো ওচৰত হাত নপতাকৈ সদস্য আৰু শুভাকাংক্ষী সকলে স্ব-ইচ্ছাই দিয়া বৰঙনিক সাৰথি কৰি ছয় বছৰ ধৰি মানৱতাৰ জয়গান গাই আহিছে। জটিল ৰোগত আক্ৰান্ত ৰোগীক যিদৰে আৰ্থিক সাহায্য দিছে, সেইদৰে জৰাজীৰ্ণ ঘৰ মেৰামতি কৰি বহুতক সহায় কৰিছে। দেখাত সৰু সৰু যেন লগা অথচ মননশীল কৰ্মৰে জনসাধাৰণৰ হৃদয়ত স্থান লাভ কৰা এই সংগঠনৰ এগৰাকী সদস্য হিচাপে ময়ো গৌৰৱবোধ কৰো’- এই ভাষ্য মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক তথা মীন, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী নীলিমা দেৱীৰ। আশাৰ আলোক’- মানুহে মানুহৰ বাবে-, দৰং, অসমৰ আজি হোৱা ষষ্ঠ বৰ্ষপূৰ্তি অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণত তেওঁ এইদৰে কয়। ‘আস্থা আৰু বিশ্বাসৰ প্ৰতীক ‘আশাৰ আলোক’ বুলি উল্লেখ কৰি তেওঁ কয়- ২০২৫ - ২০২৬ বৰ্ষত সংগঠনটোৰ পূঁজিত ১৩,৯০,৮১৪ টকা জমা হোৱাটোৱেই ইয়াৰ জ্বলন্ত উদাহৰণ। তেওঁ লগতে ২৪ ঘণ্টাৰ ভিতৰত মাত্ৰ আধাঘণ্টা সময় সমাজসেৱাত খৰচ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। ‘আশাৰ আলোক’ৰ সভাপতি হৰিচন্দ্ৰ শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত নলবাৰীৰ ‘শান্তি নিবাস বৃদ্ধাশ্ৰম’ৰ সঞ্চালক মজিবুৰ ৰহমানে দ্বিতীয় বাৰ্ষিক জুবিন গাৰ্গ সোঁৱৰণী ‘মানৱসেৱা বঁটা’ গ্ৰহণ কৰি ২০০৮ চনৰ পৰা এতিয়ালৈ পুত্ৰ কন্যা, পৰিয়ালৰ পৰা বঞ্চিত, লাঞ্ছিত ১০৮৭ গৰাকী ককা-আইতা তথা পিতৃ-মাতৃ সদৃশ ব্যক্তিক সম্পূৰ্ণ নিজা খৰচ আলপৈচান ধৰাৰ অভিজ্ঞতা বৰ্ণনা কৰে। তেওঁ কয়- ১৮ বছৰ ধৰি বৃদ্ধাশ্ৰম এখন সহধৰ্মিনী চনিয়া বেগম আৰু কেইজনমান শুভাকাংক্ষীৰ সহযোগত। এই ক্ষেত্ৰত চৰকাৰী সাহায্য শূন্য। তথাপিও হতাশ নহৈ ইতিমধ্যে ১২৩ গৰাকীৰ শেষকৃত্য সম্পন্ন কৰিছো,৯২২ গৰাকীক পৰিয়ালৰ লগত পুনঃসংযোগ কৰি দিছো আৰু বৰ্তমান বৃদ্ধাশ্ৰমত আছে ৪২ গৰাকী। এই মানৱীয় কাম কৰি মনত সুখ পোৱা বুলি কয়। সাধাৰণ সম্পাদক গণেশ দত্ত আৰু সম্পাদক জয়প্ৰকাশ শৰ্মাই আঁত ধৰা অনুষ্ঠানত সামাজিক দায়বদ্ধতাৰ নিদৰ্শন দাঙি ধৰা মঙলদৈৰ দেৰচন্স গ্ৰুপলৈ ৰক্তদাতা কন্দৰ্প ডেকা সোঁৱৰণী ‘সমাজ সংগঠন বঁটা’, গুৱাহাটীৰ সমাজসেৱিকা জোনমণি দেউৰীলৈ চিন্তাৰাম বৰা - কামেশ্বৰী বৰা সোঁৱৰণী ‘মানৱদৰদী বঁটা’ দৰঙৰ জলজলীৰ দিদাৰ আলীলৈ ‘বৃক্ষ বান্ধৱ বঁটা’ আৰু কলাইগাঁৱৰ মিঠু বড়োলৈ ভূমিধৰ ডেকা সোঁৱৰণী ‘লোক সংস্কৃতি সাধনা বঁটা’ প্ৰদান কৰা হয়। বঁটাত ফুলাম গামোচা, জাপি, গ্ৰন্থৰ টোপোলা, শৰাই, স্মাৰক, সম্বৰ্ধনা পত্ৰ আৰু নগদ ধন দিয়া হয়। মুখ্য উপদেষ্টা ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱে বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভণী কৰা এই অনুষ্ঠানত ড° মনোজ কুমাৰ শৰ্মা ৰচিত ‘জীৱন যুঁজৰ মাদকতা’ শীৰ্ষক গ্ৰন্থখন যোৰহাটৰ শিক্ষাবিদ ড° তিলক শৰ্মাই আৰু কংকণ গোস্বামী সম্পাদিত ‘আশাৰ আলোক’ৰ পত্ৰিকা প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসে উন্মোচন কৰে। অনুষ্ঠানত দৰং জিলা পৰিষদৰ সভাপতি শেৱালি গোস্বামী কলিতা, মুখ্য কাৰ্যবাহী বিষয়া কল্পনা ডেকা, উপ মুখ্য কাৰ্যবাহী বিষয়া ৰবীন বৰুৱা, নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিজয় কুমাৰ শৰ্মা, ‘কৰুণাধাৰা’- দৰং জিলা সহায়ক সমিতিৰ অধ্যক্ষ মুকুল চন্দ্ৰ ডেকাই চমু বক্তব্য প্ৰদান কৰে। ৰমিলা দাসৰ প্ৰাৰ্থনাৰে আৰম্ভ হোৱা এই অনুষ্ঠানত কৌপাটীৰ বল্লভভাই পেটেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কুঞ্জ দেৱী, বিশিষ্ট অভিনেত্ৰী মীৰা দত্ত চৌধুৰীয়ে অভিনয়, শিশু ঋষিকা কাশ্যপ, ললাক্ষী শৰ্মাই গীত, প্ৰীতি শ্ৰদ্ধা বৰুৱাই কবিতা আবৃত্তি, মিঠু বড়োই গীত পৰিৱেশন কৰে। অনুষ্ঠানত পাতি দৰঙৰ গৰিমা ডেকা, ভোকেলিকান্দাৰ সাগৰ সৰকাৰ, ব্যাসপাৰাৰ ৰাজীৱ কুমাৰ শৰ্মা, নিজ ৰঙামাটিৰ কুশেশ্বৰ ডেকা, গেৰিমাৰীৰ ধনেশ্বৰ কলিতা, ঔতলাৰ সবিতা দেৱী, বৰঙাবাৰী গণেশ্বৰ নাথ, গধিয়াপাৰাৰ বৰষা চহৰীয়াক ৫ হাজাৰকৈ মুঠ ৪০ হাজাৰ টকা প্ৰদান কৰা হয়। ইয়াৰ আগতে পুৱা ৯.৩০ বজাত ‘আশাৰ আলোক’ৰ সভাপতি হৰিচন্দ্ৰ শৰ্মাই পতাকা উত্তোলন, পৌৰপতি নিৰ্মালী দেৱী শৰ্মাই বন্তি প্ৰজ্বলন, উপদেষ্টা বাসৱ চন্দ্ৰ ডেকাই পুষ্পাঞ্জলি অৰ্পণ কৰে।

# পুৰণিগুদাম প্ৰেছ ক্লাৱৰ উদ্যোগত জুবিন গাৰ্গ সোঁৱৰণী শাৰদীয় শিশু গ্ৰন্থমেলাৰ আয়োজন

## “পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক”

**অসম বাৰ্তা, পুৰণিগুদাম, ১১ অক্টোবৰ ঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ বুৰঞ্জী প্ৰসিদ্ধ বেলকাঠৰ দুৰ্গা প্ৰতিমা পূজাৰ লগত সংগতি ৰাখি বিগত ১৯৯৬ চনৰ পৰা নিৰবধিভাৱে শাৰদীয় দুৰ্গোৎসৱৰ দিনকেইটাত “আপোনাৰ শিশুটিক পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক” বাণীৰে উদ্‌যাপন কৰি অহা হৈছে পুৰণিগুদাম শাৰদীয় শিশু গ্ৰন্থমেলা। পুৰণিগুদাম প্ৰেছ ক্লাৱৰ উদ্যোগত একত্ৰিংশতম জুবিন গাৰ্গ সোঁৱৰণী পুৰণিগুদাম শাৰদীয় শিশু গ্ৰন্থমেলাখনি অহা ১৭ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ পুৰণিগুদামৰ সদ্য প্ৰয়াত সাংবাদিক নয়নমণি বৰা সোঁৱৰণী ক্ষেত্ৰত অনুষ্ঠিত হ'ব। শাৰদীয় শিশু গ্ৰন্থমেলাৰ কাৰ্যসূচী অনুসৰি ১৭ অক্টোবৰৰ পুৱা ৯-৪৫ বজাত পুৰণিগুদাম প্ৰেছ ক্লাৱৰ পতাকা উত্তোলন কৰিব পুৰণিগুদাম প্ৰেছ ক্লাৱৰ সভাপতি তপন কটকীয়ে আৰু শাৰদীয় শিশু গ্ৰন্থমেলাৰ পতাকা উত্তোলন কৰিব শিশু গ্ৰন্থমেলাৰ সভাপতি জ্যোতিৰ্ময় গোস্বামীয়ে। পুৱা ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, সতীৰ্থ সাংবাদিক প্ৰয়াত জয়ন্ত কুমাৰ ভূঞা, দিগন্ত ভূঞা, ধনটি হীৰা, নীলাভ হাজৰিকা আৰু নয়নমণি বৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব প্ৰয়াত পাঁচ গৰাকীকৈ সতীৰ্থ সাংবাদিকৰ পৰিয়ালবৰ্গই। পুৱা ১০-১৫ বজাত জুবিন গাৰ্গ সোঁৱৰণী শাৰদীয় শিশু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰিব নগাঁও জিলা আয়ুক্ত আৰণ্যক শইকীয়াই। পুৱা ১০-৩০ বজাত “সকলোৱে পাব পুৰস্কাৰ” শীৰ্ষক চিত্ৰাংকণ প্ৰতিযোগিতা তিনিটা শাখাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ তত্বাৱধায়ক বিশিষ্ট ভাস্কৰ্য শিল্পী বিপুল কুমাৰ বৰা আৰু বিশিষ্ট চিত্ৰশিল্পী অংকুৰ ৰাজ কাশ্যপ। বিয়লি ৫ বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত বন্তি প্ৰজ্জ্বলন কৰিব বিশিষ্ট সঙ্গীত শিল্পী তথা জুবিন গাৰ্গৰ আপোন সহযোগী ৰাজা বৰুৱাই, বিয়লি ৫-৩০ বজাত জুবিন গাৰ্গ শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী। উক্ত অনুষ্ঠানত স্থানীয় কেইবাগৰাকী প্ৰতিভাৱান শিল্পীয়ে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰাৰ লগতে কেইবাগৰাকীও বক্তাই জুবিন গাৰ্গৰ জীৱন পৰিক্ৰমা সন্দৰ্ভত বক্তব্য প্ৰদান কৰিব। ১৮ অক্টোবৰ বিয়লি ২ বজাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ, পুৰণিগুদাম আঞ্চলিক সমিতিৰ উদ্যোগত পত্ৰ লিখন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। (ষষ্ঠ মানৰ পৰা অষ্টম মানলৈ ‘ক’ শাখা আৰু নৱম মানৰ পৰা একাদশ মানলৈ ‘খ’ শাখা) প্ৰতিযোগিতাখনি উদ্বোধন কৰিব কেন্দ্ৰীয় সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক প্ৰাগজ্যোতিষ বনিয়াই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নগাঁও জিলা সমিতিৰ সভাপতি প্ৰবাল শৰ্মা উপস্থিত থাকিব। প্ৰতিযোগিতাৰ প্ৰতিটো শাখাৰে প্ৰথম, দ্বিতীয় আৰু তৃতীয়প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব। বিয়লি ৪ বজাত লেখক-পাঠকৰ অন্তৰঙ্গ অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট সাহিত্যিক তথা সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰনাথ গায়নে, উক্ত অনুষ্ঠানটো সঞ্চালনা কৰিব গ্ৰন্থমেলা উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি দ্বীপেন বৈৰাগীয়ে। সন্ধ্যা ৬ বজাত সাংস্কৃতিক অনুষ্ঠান উদ্বোধক কৰিব বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই, অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ৰূপক শৰ্মা উপস্থিত থাকিব। নিশালৈ “অংগাভিনয়, অসম” আৰু “নটৰাজ নৃত্য সাধনা কেন্দ্ৰ, পুৰণিগুদামে” সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। ১৯ অক্টোবৰৰ বিয়লি ৪ বজাত মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কুইজ প্ৰতিযোগিতাখনি সঞ্চালনা কৰিব ৰাজীৱ গোস্বামীয়ে। সন্ধ্যা ৭ বজাত “ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ শ্ৰদ্ধাৰ্ঘ্যৰে সাংস্কৃতিক অনুষ্ঠান” অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্য অতিথি হিচাপে কেবিনেট মন্ত্ৰী পীযূষ হাজৰিকা উপস্থিত থাকিব লগতে অনুষ্ঠানটো শুভ উদ্বোধন কৰিব চামগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰাজেশ সিঙে। সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল পৰিচালিত পুৰণিগুদাম সঙ্গীত বিদ্যালয়ে। ২০ অক্টোবৰৰ বিয়লি ৩ বজাত পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ উদ্যোগত “কবি সন্মিলন আৰু গ্ৰন্থ উন্মোচন” অনুষ্ঠান অনুষ্ঠিত হ'ব। উন্মোচক - ড° শৰৎ বৰকটকী, সভাপতি, নগাঁও জিলা সাহিত্য সভা। সন্ধ্যা ৭ বজাত, শিশু নাট প্ৰদৰ্শন। উদ্বোধক, বিশিষ্ট নাট্যকাৰ, পৰিচালক দীপক বৰা আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱা। নাট পৰিচালক সাংবাদিক সীমান্ত কলিতা। অনুষ্ঠান পৰিৱেশন কৰিব নৱসৃষ্টি, পুৰণিগুদামে। নাটক দুখন ক্ৰমে “আকাশলৈ যাও ব'লা” আৰু “চন্দ্ৰলৈ যাম ভোজভাত খাম।” ২১ অক্টোবৰৰ বিয়লি ৪ বজাত, লেখক-পাঠকৰ অন্তৰঙ্গ আলাপ আৰু চিত্ৰাংকণ প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠান। উক্ত অনুষ্ঠান পৰিচালনা কৰিব শিশু সাহিত্যিক দ্বিজেন্দ্ৰ মোহন শইকীয়াই। উক্ত অনুষ্ঠানতে পুৰণিগুদাম অঞ্চলৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান সমূহৰ সভাপতি আৰু সম্পাদক সকলক তেখেত সকলৰ দায়িত্বশীল ভূমিকাৰ পৰিপ্ৰেক্ষিতত আদৰণি জনোৱা হ'ব। সন্ধ্যা ৭ বজাত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অংকীয়া ভাওনা “পাৰিজাত হৰণ” প্ৰদৰ্শন কৰিব শঙ্খধ্বনি শিল্পী সমাজ, পুৰণিগুদামে। অনুষ্ঠানটো শুভ উদ্বোধন কৰিব বিশিষ্ট সাহিত্যিক, যুৱনেতা তথা পুৰণিগুদাম শাৰদীয় শিশু গ্ৰন্থমেলাৰ প্ৰাক্তন সভাপতি মণিমাধৱ মহন্তই। শাৰদীয় শিশু গ্ৰন্থমেলাখন পৰিচালনা কৰিবৰ বাবে জ্যোতিৰ্ময় গোস্বামীক সভাপতি, দ্বিপেন বৈৰাগীক কাৰ্যকৰী সভাপতি, হেমন্ত শইকীয়া আৰু ধ্ৰুৱজ্যোতি গায়নক উপ-সভাপতি, প্ৰমোদ কুমাৰ শৰ্মা আৰু অভিজিৎ বৰাক যুটীয়া সম্পাদক, ভাস্কৰ দাস আৰু নৱজ্যোতি বৰুৱাক সহকাৰী সম্পাদক, দিব্যজ্যোতি ভূঞা, যোগেশ শৰ্মা আৰু লক্ষ্যজ্যোতি বৰাক সাংস্কৃতিক সম্পাদক হিচাপেলৈ এখন উদযাপন সমিতি গঠন কৰা হৈছে। শাৰদীয় শিশু গ্ৰন্থমেলাখনিৰ সমূহ কাৰ্যসূচীতে সকলোৰে উপস্থিতি পুৰণিগুদাম প্ৰেছ ক্লাৱৰ সভাপতি তপন কটকী আৰু সম্পাদক সীমান্ত কলিতাই বিনম্ৰতাৰে কামনা কৰিছে।

# ৰাঙাপানীত নিচাযুক্ত দ্ৰব্য, বাল্যবিবাহ আৰু কু-সংস্কাৰ প্ৰতিৰোধ শীৰ্ষক সজাগতা সভা

**অসম বাৰ্তা, জনীয়া, ১১ অক্টোবৰ ঃ** বৰপেটাৰ ৰাঙাপানী ডেভেলপমেণ্ট যুৱ ফাউণ্ডেচনৰ পঞ্চম বাৰ্ষিক অধিৱেশন উপলক্ষে ১০ অক্টোবৰত ‘নিচাযুক্ত দ্ৰব্য, বাল্য বিবাহ আৰু সামাজিক কুসংস্কাৰ প্ৰতিৰোধ’ শীৰ্ষক সজাগতা সভা অনুষ্ঠিত হয়। ভেৰাগাওঁ ভাৰত পেট্ৰ'ল পাম্প আৰু হিৰো ডিলাৰৰ স্বত্বাধিকাৰী ৰুমেজ আলীৰ সঞ্চালনাত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে ৰাঙাপানী ডেভেলপমেণ্ট যুৱ ফাউণ্ডেচনৰ সাধাৰণ সম্পাদক ৰকিবুল ইছলামে। অতিথি আদৰণি পৰ্ব পৰিচালনা কৰে সাংস্কৃতিক কৰ্মী তথা সাংবাদিক জয়নাল আবেদিনে। সভাত বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক ড° হিতেশ দাসে তিনিটা ‘ম’ বিষয়ে তাৎপৰ্যপূৰ্ণ আলোচনা আগবঢ়ায়। তেখেতে কয় যে প্ৰথমটো ‘ম’ হৈছে ‘মা’ দ্বিতীয়টো ‘ম’ হৈছে ‘মনযোগ’ আৰু তৃতীয়টো ‘ম’ হৈছে ‘মৰম’ এই তিনিটা কথা মনত ৰাখিলে আমি সমাজৰ পৰা নিচাযুক্ত দ্ৰব্য, বাল্য বিবাহ আৰু কুসংস্কাৰ পৰিহাৰ কৰিব পাৰিম। এক প্ৰকাৰৰ ড্ৰাগছ’ খালে আমাৰ উপকাৰ হয় কাৰণ তাত বেমাৰ ভাল কৰিব উপাদানখিনি থাকে। কিন্তু আন এধিধ ড্ৰাগছ সেৱন কৰিলে আমাৰ ক্ষতি হয়। সেইটো আমি গ্ৰহণ কৰা ঠিক নহয়। ৰসায়ন সম্পৰ্কে তথা হ'ৰমনৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃত ব্যাখ্যা দাঙি ধৰে। সভাত গাওঁ প্ৰধান কনজিৎ পাটোৱাৰীয়ে কন্যা সন্তানক নিৰ্দিষ্ট বয়সৰ পুৰ্বে বিয়া দিলে কি কি ক্ষতি হয় সেই সম্পৰ্কে বক্তব্য ৰাখে। তদুপৰি সমাজৰ কুসংস্কাৰৰ বিষয়েও কয়। সজাগতা সভাত নিৰ্দিষ্ট বক্তা হিচাপে জনীয়া প্ৰেছ ক্লাৱৰ সভাপতি তথা অসমীয়া খবৰ কাকতৰ জ্যেষ্ঠ সাংবাদিক মইনুল হক চৌধুৰীয়ে নিচাযুক্ত দ্ৰব্য, বাল্য বিবাহ আৰু কু-সংস্কাৰ এইকেইটাৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে আমি শিক্ষিত হ'ব লাগিব বুলি কয়। তদুপৰি তেখেতে ডিগ্ৰীদাৰী হোৱাতকৈ মানুহ হোৱাৰ বেছি প্ৰয়োজন বুলি কয়। চৌধুৰীয়ে সন্তান বেয়া হোৱাৰ অন্তৰালত পিতৃ মাতৃয়েই অধিক দায়ী বুলি দাবী কৰে। সেইয়ে নিজৰ সন্তানৰ সৈতে পিতৃ মাতৃসকলক সদায় ফ্ৰি ফ্ৰাংক হ'বলৈ আহ্বান জনায়। সভাত সন্মানীয় অতিথি হিচাপে জনীয়া প্ৰেছ ক্লাৱৰ সম্পাদক তথা ঈশান নিউজৰ সাংবাদিক আবুল হুছেইনে সন্তানক বেয়া প্ৰভাৱৰ পৰা বচাবলৈ আমিবোৰে তোষামোদৰ স্বভাৱটো এৰিব লাগিব বুলি কয়। লগতে নিজৰ সন্তানৰ আপোনাৰ লগতে আনকো অনুশাসনৰ অধিকাৰ দিব লাগিব বুলি কয়। তেখেতে সন্তানৰ সৈতে দুৰত্ব নাৰাখি যিকোনো বিষয় খোলাখুলিকৈ আলোচনা কৰা, মত প্ৰকাশ কৰাৰ এটা পৰিৱেশ সৃষ্টি কৰিব লাগে বুলি দোহাৰে। সভাৰ অন্তত সঞ্চালক ৰুমেজ আলীয়ে মন্তব্যত সকলোয়ে অতি সুন্দৰ আলোচনা আগবঢ়াইছেবুলি কোৱাৰ লগতে ৰাইজক আলোচক সকলৰ কথাবোৰ অনুকৰণ কৰিবলৈ আহ্বান জনায়। উক্ত সভাত বিভিন্ন পৰ্যায়ৰ বহুতো অতিথি উপস্থিত থাকে।

# লেখক, সংগঠক বসন্ত ৰাজোৱাৰৰ চতুৰ্থ মৃত্যুবাৰ্ষিকী সম্পন্ন

**অসম বাৰ্তা, গেলেকী, ১১ অক্টোবৰ ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) আৰু অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ একালৰ নিষ্ঠাবান বিষয়ববীয়া, কৃতী শিক্ষকৰ বঁটা প্ৰাপ্ত প্ৰধান শিক্ষক তথা বিশিষ্ট লেখক-সংগঠক প্ৰয়াত বসন্ত ৰাজোৱাৰৰ চতুৰ্থ মৃত্যুবাৰ্ষিকী দেওবাৰে চকীমুখত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত সম্পন্ন হয়। চকীমুখ টম টম তলা শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত এই স্মৃতিচাৰণ সভাত সভাপতিত্ব কৰে শাখা সাহিত্য সভাৰ সভাপতি বৰুণ ৰাজোৱাৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ পুৱাৰ ভাগত আটছা চকীমুখ উপ-সমিতিৰ সভাপতি বিটুল ৰাজোৱাৰে বন্তিপ্ৰজ্বলন কৰে। ইয়াৰ পিছতে বিয়লি অনুষ্ঠিত স্মৃতিচাৰণ সভাত চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা ৰেণু গোৱালাই প্ৰয়াত ৰাজোৱাৰৰ প্ৰতিচ্ছবিত পুষ্পাৰ্ঘ অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জনায়। শিক্ষক তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী ৰাম নায়কে আঁতধৰা অনুষ্ঠানটিত মুখ্য স্মৃতিচাৰক হিচাপে উপস্থিত থাকে নাজিৰা শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য গোপাল বৰুৱা। মুখ্য অতিথি ৰেণু গোৱালাৰ উপৰিও সমাজকৰ্মী যোগ গগৈ, ৰাজেন ৰাজোৱাৰ আৰু ৰমেন বৰুৱাই স্থানীয় ৰূপালীম সমাজ, চকীমুখ ক্ৰীড়া সন্থা আৰু নাজিৰা ত্ৰিমঞ্চৰ প্ৰাক্তন সম্পাদক বসন্ত ৰাজোৱাৰৰ জীৱন পৰিক্ৰমা তথা সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ কথা সোঁৱৰণ কৰে। সভাত অংশগ্ৰহণ কৰি উপস্থিত বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজে প্ৰয়াত ৰাজোৱাৰৰ স্মৃতিক চিৰস্মৰ কৰি ৰাখিবলৈ তেখেতৰ নামত এক বিশেষ ‘শৈক্ষিক বঁটা’ প্ৰৱৰ্তন কৰাৰ বাবে পৰিয়ালবৰ্গক আহ্বান জনায়। অনুষ্ঠানত প্ৰয়াত বসন্ত ৰাজোৱাৰৰ জ্যেষ্ঠ কন্যা ময়ূৰী ৰাজোৱাৰে পিতৃৰ এটি স্বৰচিত কবিতা আবৃত্তি কৰি শ্ৰদ্ধা নিবেদন কৰে। উক্ত অনুষ্ঠানত প্ৰয়াত ৰাজোৱাৰৰ ভাতৃ তথা ঝুমুৰ গুৰু ভদ্ৰ ৰাজোৱাৰ, সমাজকৰ্মী বলোৰাম ৰাজোৱাৰ, শিক্ষয়িত্ৰী মামনি গোৱালা ৰাজোৱাৰ আৰু বিষয় শিক্ষক পাপু ৰাজোৱাৰ আদিকে ধৰি স্থানীয় বহুসংখ্যক ৰাইজ উপস্থিত থাকে। পৰিয়ালৰ আতিথ্যত অনুষ্ঠিত এই গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰ শেষত প্ৰয়াত বসন্ত ৰাজোৱাৰৰ সহধৰ্মিনী, শিক্ষয়িত্ৰী কল্পনা ৰাজোৱাৰে সকলোকে ধন্যবাদ জ্ঞাপন কৰি শলাগৰ শৰাই আগবঢ়ায়।

কেৱল দেশৰ সুৰক্ষাই নহয়, জনকল্যাণতো সমানে দায়বদ্ধ চিআৰপিফৰ ১৫২ নং বেটেলিয়ন

# দুধনৈত চিআৰপিএফৰ ব্যতিক্ৰমী পদক্ষেপ; বিদ্যালয়ত বিশুদ্ধ খোৱাপানী যোগান আঁচনিৰ শুভাৰম্ভ




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১১ অক্টোবৰ ঃ** দেশৰ নিৰাপত্তা আৰু আইন-শৃংখলা ৰক্ষাৰ সমান্তৰালকৈ পুনৰবাৰ সামাজিক দায়বদ্ধতাৰ এক অনন্য নিদৰ্শন দাঙি ধৰিলে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে (CRPF)। বাহিনীটোৰ সমাজসেৱামূলক পদক্ষেপ ‘চিভিক একচন প্ৰগ্ৰেম’ৰ (Civic Action Programme) অধীনত আজি দুধনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে এটি অত্যাধুনিক বিশুদ্ধ খোৱাপানী যোগান প্ৰকল্পৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। চিআৰপিএফৰ উপ-পৰিদৰ্শক অনজনি কুমাৰে আঁত ধৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ১৫২নং বেটেলিয়নৰ গোৱালপাৰা ইউনিটৰ কমাণ্ডেণ্ট সুৰেশ কুমাৰ আৰু ডেপুটি কমাণ্ডেণ্ট দীপক পটোৱালে এই জনকল্যাণমুখী আঁচনিখনৰ দ্বাৰ উন্মোচন কৰে। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কমাণ্ডেণ্ট সুৰেশ কুমাৰে কয়, “পানীয়েই জীৱন, আৰু নিৰোগী জীৱনৰ বাবে বিশুদ্ধ পানী অপৰিহাৰ্য। বিদ্যালয়ত দৈনিক দীঘলীয়া সময় অতিবাহিত কৰা শিক্ষাৰ্থীসকলৰ বাবে বিশুদ্ধ খোৱাপানী অত্যন্ত প্ৰয়োজনীয়। এই ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক পানীৰ পৰা হ'ব পৰা বিভিন্ন ৰোগৰ পৰা সুৰক্ষিত ৰখাৰ লগতে এক নিৰোগী আৰু স্বাস্থ্যসন্মত শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত বিশেষ সহায় কৰিব।” উল্লেখ্য যে সীমান্ত আৰু অভ্যন্তৰীণ নিৰাপত্তাত অহৰহ নিয়োজিত চিআৰপিএফ বাহিনীয়ে ‘চিভিক একচন প্ৰগ্ৰেম’ৰ জৰিয়তে সমাজৰ তৃণমূল পৰ্যায়ত জনকল্যাণমূলক কাম কৰি আহিছে। বিদ্যালয়খনত কৰা এই ব্যৱস্থাই স্থানীয় ৰাইজৰ লগতে শৈক্ষিক মহলতো ব্যাপক প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। উক্ত অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষক সুব্ৰত দাসৰ লগতে পৰিচালনা সমিতিৰ সভাপতি ভবেশ চন্দ্ৰ ভাগৱতী, শিক্ষক গোটৰ সম্পাদক সান্তাস হাজোৱাৰী, শিক্ষক-শিক্ষয়িত্ৰী, দুধনৈ ডায়েটৰ শিক্ষাৰ্থী সকল আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি চিআৰপিএফৰ এই পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰে।

# জাহ্নৱী বৰাৰ নতুন প্ৰবন্ধ সংকলন ‘প্ৰশ্নত প্ৰতিবিম্ব’ শুভ উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১১ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ অন্তৰ্গত মাকুমত যোৱা ১০ অক্টোবৰত চিন্তাশীল লেখিকা জাহ্নৱী বৰাৰ এখন নতুন প্ৰবন্ধ সংকলন ‘প্ৰশ্নত প্ৰতিবিম্ব’ শুভ উন্মোচন কৰা হয়। লক্ষ্মীপথাৰ প্ৰকাশনৰ তৃতীয় বৰ্ষপূৰ্তি অনুষ্ঠানত আন ১১গৰাকী লেখকৰ গ্ৰন্থৰ সৈতে এই প্ৰবন্ধ সংকলনখন শুভ উন্মোচন কৰে অসমৰ এগৰাকী অন্যতম জনপ্ৰিয় লেখিকা দুলুমণি দেৱীয়ে। লক্ষ্মীপথাৰ প্ৰকাশনৰ দ্বাৰা অনুষ্ঠিত উক্ত অনুষ্ঠানতে লেখিকা জাহ্নৱী বৰাক লক্ষ্মীপথাৰ প্ৰকাশনে ‘মননশীল সাহিত্য বঁটা’ প্ৰদান কৰি সন্মানিত কৰে। প্ৰকাশনে প্ৰকাশ কৰে যে, যি সাহিত্যই মানুহক আত্মবোধৰ শিক্ষা দিয়ে আৰু নিজকে প্ৰশ্ন কৰাৰ বাট মুকলি কৰি দিয়ে, তেনে মননশীল লেখনিৰ জৰিয়তে জাহ্নৱী বৰাই অসমীয়া সাহিত্যলৈ এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। চিন্তা, প্ৰশ্ন আৰু আত্মবিশ্লেষণৰ মাজেৰে পাঠকক পুনৰ এবাৰ নিজৰ ধাৰণাবোৰৰ সন্মুখীন কৰোৱাৰ প্ৰয়াসেৰে প্ৰকাশিত ‘প্ৰশ্নত প্ৰতিবিম্ব’ লেখিকাৰ মননশীল চিন্তাৰ এক প্ৰতিফলন। গ্ৰন্থখনত মুঠ ৩৬টা প্ৰবন্ধ সংযোজিত হৈছে।

## প্ৰধান শিক্ষয়িত্ৰী ছেলিমা খাতুনৰ অকাল মৃত্যু; অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, মন্দিয়া, ১১ অক্টোবৰ ঃ** বৰপেটা জিলাৰ মন্দিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত পাহাৰপুৰ কাতুলি এম ই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী ছেলিমা খাতুনৰ অকাল মৃত্যুই বামুণ দংৰা অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, প্ৰয়াত শিক্ষয়িত্ৰী ছেলিমা খাতুন কিছুদিন আগৰ পৰা হাওঁফাওঁৰ বেমাৰত আক্ৰান্ত হৈ আছিল। তাইৰ শাৰীৰিক অৱস্থা অধিক জটিল হোৱাত উন্নত চিকিৎসাৰ বাবে যোৱা ৯ অক্টোবৰত গুৱাহাটীৰ দিচপুৰ পলিক্লিনিক হাস্পতালত ভৰ্তি কৰে যদিও চিকিৎসাৰত অৱস্থাত যোৱা নিশা ৩ঃ৫০ বজাত ইহলীলা সম্বৰণ কৰে। চেলিমা খাতুনে টেট্ পৰীক্ষাত উত্তীৰ্ণ হৈ ২০২২ইং চনত চৰকাৰী চাকৰি লাভ কৰে আৰু ১৪৮১ নং পাহাৰপুৰ কাতুলি প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰে। বিদ্যালয় একত্ৰীকৰণৰ পিছত পাহাৰ পুৰ কাতুলি এম ই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত আছিল। মৃত্যুৰ সময়ত তাইৰ বয়স আছিল ৩০বছৰ। প্ৰয়াত শিক্ষয়িত্ৰী গৰাকীয়ে তাইৰ একমাত্ৰ পুত্ৰ সন্তান আৰু স্বামীক ইহ সংসাৰত এৰি থৈ যায়। প্ৰায় দুই সহস্ৰাধিক গুণমুগ্ধৰ উপস্থিতিত পাহাৰপুৰ চাৰিয়ালি কবৰস্থানত আজি বিয়লি ৪ঃ১৫ বজাত শিক্ষয়িত্ৰী গৰাকীৰ জানাজাৰ সম্পন্ন হয়।

সদৌ অসম মইনা পাৰিজাতৰ সমল ব্যক্তি যজ্ঞোৰাম বৰা আৰু বন্দনা হাজৰিকাৰ অংশগ্ৰহণ

## নামনি মাজুলীৰ শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়ত “আৱিষ্কাৰ আৰু উদ্ভাৱন” শীৰ্ষক বিজ্ঞান কৰ্মশালা

**অসম বাৰ্তা, উজনী মাজুলী, ১১ অক্টোবৰ ঃ** শিশু অৱস্থাৰ পৰাই শিশুৰ মনত বৈজ্ঞানিক মনস্কতাৰ সৃষ্টিৰ বাবে সদৌ অসম মইনা পাৰিজাতৰ আহ্বান ক্ৰমে আজি মাজুলী জিলা মইনা পাৰিজাতৰ বিজ্ঞান কৰ্মশালা নামনি মাজুলীত সফলতাৰে অনুষ্ঠিত হয়। নামনি মাজুলী আঞ্চলিক মইনা পাৰিজাতৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে নামনি মাজুলীৰ শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়ত উক্ত বিজ্ঞান কৰ্মশালা অনুষ্ঠিত হয়। উক্ত, বিজ্ঞান কৰ্মশালা উপলক্ষে আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছত মইনা পাৰিজাতৰ পতাকা উত্তোলন কৰে মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকাই। স্মৃতি তৰ্পণ কৰে নামনি মাজুলী আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি হৰেন্দ্ৰ নাথ বৰুৱাই। আজি দুপৰীয়া এঘাৰ বজাৰ পৰা “আৱিষ্কাৰ আৰু উদ্ভাৱন” সন্দৰ্ভত বিজ্ঞান কৰ্মশালা আৰম্ভ হয়। মাজুলী জিলা মইনা পাৰিজাতৰ প্ৰধান সম্পাদক শশীধৰ বৰুৱাই আঁত ধৰা উক্ত, বিজ্ঞান কৰ্মশালাখন নামনি মাজুলী আঞ্চলিক মইনা পাৰিজাতৰ মইনাসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে শুভাৰম্ভ কৰা হয়। বিজ্ঞান কৰ্মশালাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে সদৌ অসম মইনা পাৰিজাতৰ ৰাজ্যিক সদস্য তথা মাজুলী জিলা মইনা পাৰিজাতৰ প্ৰাক্তন প্ৰধান সম্পাদক প্ৰবীণ কুমাৰ ভূঞাই। উক্ত, বিজ্ঞান কৰ্মশালাত সমল ব্যক্তি হিচাপে সদৌ অসম মইনা পাৰিজাতৰ সমল ব্যক্তি যজ্ঞোৰাম বৰা আৰু বন্দনা হাজৰিকাই প্ৰশিক্ষণ আগবঢ়ায়। দুয়োজন সমল ব্যক্তিয়ে মইনা আৰু চেমনীয়াসকলৰ বাবে “বহনক্ষম জীৱন যাপনৰ বাবে আৱিষ্কাৰ আৰু উদ্ভাৱন” সন্দৰ্ভত বৃস্তিত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে মাজুলী জিলা মইনা পাৰিজাতৰ বিজ্ঞান কৰ্মশালাৰ সমল ব্যক্তি লোহিত শইকীয়া, নৱজ্যোতি শইকীয়া, সদৌ অসম মইনা পাৰিজাতৰ শিশু মহীয়ান তৰুণ বৰা, “শিশু বন্ধু” উপাধি প্ৰাপক ৰত্নেশ্বৰ বৰা, কমলাবাৰী আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি যোগেন শইকীয়া, মাজুলী জিলা মইনা পাৰিজাতৰ সম্পাদক ঋতুপৰ্ণ বৰা, খেল সম্পাদক ভূপেন বৰা, গড়মূৰ আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি ৰাজীৱ ভূঞা, ভাৰপ্ৰাপ্ত সম্পাদক বিতোপন ভূঞা, জিলা মইনা পাৰিজাতৰ প্ৰচাৰ সম্পাদক যদু কলিতা, ৰাৱনাপাৰ আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি তিলক ৰাজখোৱা সম্পাদক পবিত্ৰ কলিতা আদিয়ে অংশগ্ৰহণ কৰে। উক্ত, বিজ্ঞান কৰ্মশালাত মাজুলী জিলা মইনা পাৰিজাতৰ অন্তৰ্গত সকলো আঞ্চলিক আৰু শাখাৰ পৰা শতাধিক মইনা আৰু পৰিচালক-পৰিচালিকাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় নামনি মাজুলী আঞ্চলিক মইনা পাৰিজাতৰ সম্পাদক যদুমণি ভূঞাই।

## আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ধ্ৰুৱজ্যোতি কলিতাৰ আছু ত্যাগ

**অসম বাৰ্তা, গেলেকী, ১১ অক্টোবৰ ঃ** সদৌ অসম ছাত্ৰ সন্থা (আছু) ত্যাগ কৰিছে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ধ্ৰুৱজ্যোতি কলিতাই। শিৱসাগৰ জিলাক প্ৰতিনিধিত্ব কৰি দীৰ্ঘদিন ধৰি সংগঠনটোৰ গুৰুত্বপূৰ্ণ দায়িত্বত থকা কলিতাই আকস্মিকভাৱে এই ত্যাগৰ কথা ঘোষণা কৰাত এতিয়া ৰাজ্যৰ ছাত্ৰ ৰাজনীতিৰ বৃত্তত চৰ্চা আৰম্ভ হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, কোনোৰূপ বিতৰ্ক বা মনোমালিন্য নহয়, সম্পূৰ্ণৰূপে ব্যক্তিগত কাৰণ আৰু ভৱিষ্যত পৰিকল্পনাৰ প্ৰতি লক্ষ্য ৰাখিয়েই তেওঁ আছুৰ সকলো দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ এই সিদ্ধান্ত গ্ৰহণ কৰিছে। দেওবাৰে তেওঁ নিজৰ ছ'চিয়েল মিডিয়া একাউণ্টৰ জৰিয়তে এই গুৰুত্বপূৰ্ণ খবৰটো ৰাজহুৱা কৰে। সামাজিক মাধ্যমত নিজৰ ত্যাগৰ কথা ঘোষণা কৰি ধ্ৰুৱজ্যোতি কলিতাই আছুৰ সৈতে কটোৱা দিনবোৰক স্মৰণ কৰি কয় যে “ছাত্ৰ সন্থা সদায় হৃদয়ৰ নিভৃত কোণত বোৱঁতী নদীৰ দৰে বৈ ৰ'ব।” সংগঠনটোৰ সৈতে জড়িত থকা কালছোৱাত শিৱসাগৰ জিলা তথা ৰাজ্যিক পৰ্যায়ত তেওঁৰ সক্ৰিয় ভূমিকাৰ বাবে ছাত্ৰ সমাজৰ মাজত তেওঁৰ এক সুকীয়া পৰিচয় আছিল। তেওঁৰ এই হঠাতে লোৱা পদত্যাগৰ সিদ্ধান্তক লৈ এতিয়া শুভাকাংক্ষী আৰু সতীৰ্থসকলৰ মাজতো বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চিএছপিইএছ দল প্ৰয়াত দিগন্ত দত্ত সোঁৱৰণী ডি ডি এছ এ ‘বি’ ডিভিজন ফুটবল লীগ-২০২৬ৰ চেম্পিয়ন




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত, ৰেলকাম এফ চি আৰু তৰুণ সংঘ, ডাই নিজানৰ সহযোগত অনুষ্ঠিত প্ৰয়াত দিগন্ত দত্ত সোঁৱৰণী ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ ‘বি’ ডিভিজন ফুটবল লীগ- ২০২৬ৰ আজি সামৰণি পৰে। যোৱা ২০ ছেপ্টেম্বৰ, ২০২৬ তাৰিখৰ পৰা বগপৰা ৰাজহুৱা খেলপথাৰ আৰু ডাইনিজান ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাখনত জিলাখনৰ মুঠ ২৮টা ফুটবল দলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনৰ চূড়ান্ত পৰ্যায়ত উন্নত প্ৰদৰ্শন দাঙি ধৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ ষ্টাডিজ ইন ফিজিকেল এডুকেশ্বন এণ্ড স্পৰ্টছ দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। আনহাতে, বগপৰা এফ চিয়ে ৰানাৰ্ছ-আপৰ সন্মান লাভ কৰে। প্ৰতিযোগিতাখনৰ ব্যক্তিগত আৰু বিশেষ বঁটা সমূহৰ ভিতৰত নীলাচল এফ চিৰ ছাজন বাৰ্লাই বেষ্ট প্লেয়াৰ অৱ দি টুৰ্ণামেণ্ট বঁটা লাভ কৰে। বগপৰা এফ চিৰ কৰণ মুণ্ডাই বেষ্ট গ'লকিপাৰ অৱ দি ফাইনেল মেচ বঁটা লাভ কৰাৰ বিপৰীতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চি এছ পি ই এছ দলৰ নিশান বৰ্মনক হিৰো অৱ দি মেচ হিচাপে নিৰ্বাচিত কৰা হয়। আনহাতে, ক্ৰীড়াসুলভ মনোভাৱ, অনুশাসন আৰু নিকা খেলৰ নিদৰ্শন দাঙি ধৰাৰ বাবে এইচ এম এফ চিক ‘ফেয়াৰ প্লে টিম’ হিচাপে নিৰ্বাচিত কৰা হয়। চূড়ান্ত খেলৰ বঁটা বিতৰণী অনুষ্ঠানত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়া, কাৰ্যকৰী সভাপতি মানস প্ৰতিম দত্ত, সাধাৰণ সম্পাদক কামাখ্যা শইকীয়া, যুটীয়া সম্পাদক কল্যাণ হাজৰিকা, সহকাৰী সম্পাদক বিৰাজ চেতিয়া, ক্ষীৰোদ সোণোৱাল, জিতু বৰা, বি চি পি এলৰ উপ-মহাপ্ৰবন্ধক শ্ৰীযুত জয়ন্ত বৰুৱা, প্ৰয়াত দিগন্ত দত্তৰ ভাতৃ তথা পৰিয়ালৰ প্ৰতিনিধি প্ৰশান্ত দত্ত, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শাৰীৰিক শিক্ষা আৰু ক্ৰীড়া অধ্যয়ন কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড° মণ্টু বড়ো, অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক ভূপেন গগৈ আৰু অসম গেছ কোম্পানী লিমিটেডৰ ডিব্ৰুগড় গেছ গ্ৰীডৰ ভাৰপ্ৰাপ্ত বিষয়া পাৰ্থ প্ৰতিম দত্ত এথলেটিক সম্পাদক বিপুল চুতীয়া, ভলীবল সম্পাদক নূপুৰ ৰঞ্জন ফুকন আৰু লগতে ডিব্ৰুগড় কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই প্ৰতিযোগিতাখন সফল কৰি তোলাত সহযোগিতা আগবঢ়োৱা সকলো অংশগ্ৰহণকাৰী দল, খেলুৱৈ, প্ৰশিক্ষক, দলীয় বিষয়ববীয়া, মেচ অফিচিয়েল, আয়োজক, ক্ৰীড়াপ্ৰেমী আৰু সহযোগীসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। এই প্ৰতিযোগিতাই জিলাখনৰ ফুটবল প্ৰতিভা বিকাশৰ লগতে যুৱ খেলুৱৈসকলৰ মাজত ক্ৰীড়াসুলভ মনোভাৱ, অনুশাসন, একতা আৰু ভাতৃত্ববোধ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ ফুটবল সম্পাদক অসীম হাজৰিকাই জানিবলৈ দিয়ে।

## বিহালী সম জিলাত সেৱা সংকল্প অভিযান, ৰান্ধনী আৰু আশা কৰ্মীক আৰ্থিক সাহায্য প্ৰদান

**অসম বাৰ্তা, জিনজিয়া, ১১ অক্টোবৰ ঃ** বৰগাঁওৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত আজি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্ম দিন আৰু ২৫ বছৰীয়া কাৰ্যকাল উৎযাপন উপলক্ষে আয়োজিত সেৱা সংকল্প অভিযানৰ অংশ হিচাপে অসম চৰকাৰৰ শিক্ষা আৰু স্বাস্থ্য বিভাগৰ আৰ্থিক অনুদান প্ৰদানৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিহালী সম জিলাৰ বিহালী প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ৬০৫ গৰাকী মধ্যাহ্ন ভোজনৰ ৰান্ধনী আৰু সহায়িকা, বিহালী মহকুমা স্বাস্থ্য খণ্ডৰ অন্তৰ্গত আশা কৰ্মী ১২৮ গৰাকী আৰু আশা চুপাৰভাৰ্জা ১২ গৰাকীক ১ হাজাৰ টকাৰ আৰ্থিক বৰঙনি হিচাপে চেক আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰেৰিত প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত বিহালী সম জিলা আয়ুক্ত কৰবী কাকতি কোঁৱৰ, সহ আয়ুক্ত পংখী হাজৰিকা, বিশ্বনাথ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জেচিবে', মহকুমা স্বাস্থ্য বিষয়া ডাঃ দীপক কুমাৰ বিশ্বাসী, বিহালী শিক্ষা খণ্ডৰ শিক্ষা বিষয়া, বৰগাং জিলা পৰিষদৰ সদস্যা জাহ্নৱী দাস, বাঘমৰা জিলা পৰিষদৰ সদস্যা স্নিগ্ধাজ্যোতি হাজৰিকা, বিহালী আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী দিনকান্তি দাস আৰু উল্লেখ্য চৰকাৰী বিভাগ সমূহৰ অন্যান্য বিষয়া কৰ্মচাৰী উপস্থিত থাকি কাৰ্যসূচী ৰূপায়ণত সফলতা প্ৰদান কৰে।

## একত্ৰীকৰণ হোৱা বিদ্যালয়ৰ স্নাতকোত্তৰ আৰু স্নাতক ডিগ্ৰীধাৰী ইণ্টাৰমিডিয়েট শিক্ষক-শিক্ষয়িত্ৰীৰ পদ উন্নীতকৰণৰ দাবী সদৌ অসম শিক্ষক কৰ্মচাৰী পৰিষদৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ অক্টোবৰ ঃ** অসমৰ একত্ৰীকৰণ হোৱা হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত কৰ্মৰত এম.এ., বি.এ. আৰু বি.এড. ডিগ্ৰীধাৰী ইণ্টাৰমিডিয়েট শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পদসমূহ উচ্চতৰ মাধ্যমিক বা হাইস্কুল পৰ্যায়লৈ উন্নীতকৰণৰ দাবী উত্থাপন কৰিছে সদৌ অসম শিক্ষক কৰ্মচাৰী পৰিষদে। দীৰ্ঘদিন ধৰি এই শিক্ষক-শিক্ষয়িত্ৰীসকলে উচ্চ শ্ৰেণীত পাঠদান কৰি অহাৰ পাছতো তেওঁলোকৰ পদ উন্নীতকৰণৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাত বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছে। উল্লেখ্য যে, শিক্ষা ক্ষেত্ৰ আঁচনিৰ অধীনত একেটা চৌহদত অৱস্থিত বিদ্যালয়সমূহ একত্ৰীকৰণৰ উদ্দেশ্যে অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগৰ সঞ্চালকে পত্ৰ নং DIS/Amalgamation/59/2016/Part/147, তাৰিখ ১৭ নৱেম্বৰ, ২০১৭ অনুসৰি নিৰ্দেশনা জাৰি কৰিছিল। উক্ত নিৰ্দেশনাৰ ভিত্তিত ২০১৭ চনত অসমৰ বিভিন্ন জিলাত বহু সংখ্যক নিম্ন প্ৰাথমিক বিদ্যালয় (এল.পি. স্কুল), মধ্য ইংৰাজী বিদ্যালয় (এম.ই. স্কুল), হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় একত্ৰীকৰণ কৰা হৈছিল। বিদ্যালয়সমূহ একত্ৰীকৰণৰ ফলত একেটা চৌহদতে বিভিন্ন পৰ্যায়ৰ শ্ৰেণীৰ পাঠদানৰ ব্যৱস্থা গঢ়ি উঠিছিল। কিন্তু একত্ৰীকৰণৰ পাছতো বহু বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু শ্ৰেণী অনুসৰি প্ৰয়োজনীয় শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱ পৰিলক্ষিত হোৱা বুলি অভিযোগ উত্থাপন হৈছে। আনহাতে, একত্ৰীকৰণৰ পূৰ্বৰে পৰা বহু এল.পি. আৰু এম.ই. বিদ্যালয়ত কৰ্মৰত কিছুমান শিক্ষক-শিক্ষয়িত্ৰীৰ এম.এ., বি.এ. আৰু বি.এড. আদি উচ্চ শিক্ষাগত অৰ্হতা আছে। একত্ৰীকৰণৰ পাছত এই শিক্ষক-শিক্ষয়িত্ৰীসকলে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শ্ৰেণীসমূহতো পাঠদান কৰি আহিছে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক স্বাৰ্থত তেওঁলোকে দায়িত্ব পালন কৰি অহাৰ পাছতো তেওঁলোকৰ শিক্ষাগত অৰ্হতা আৰু কৰ্মৰ পৰিসৰৰ সৈতে সংগতি ৰাখি পদসমূহ উন্নীতকৰণৰ বিষয়টো এতিয়াও গুৰুত্বপূৰ্ণ দাবী হিচাপে বিবেচিত হৈ আছে। এই সন্দৰ্ভত শিক্ষক কৰ্মচাৰী পৰিষদে অসম চৰকাৰৰ শিক্ষা বিভাগৰ ওচৰত দাবী জনাইছে যে, একত্ৰীকৰণৰ পূৰ্বৰে পৰা এম.এ., বি.এ. আৰু বি.এড. ডিগ্ৰীধাৰী হিচাপে কৰ্মৰত যোগ্য শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পদসমূহৰ বিষয়টো চৰকাৰে সহানুভূতিশীলভাৱে বিবেচনা কৰি শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰক। পৰিষদে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ দৃষ্টি আকৰ্ষণ কৰি শিক্ষক-শিক্ষয়িত্ৰীসকল যাতে তেওঁলোকৰ ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত নহয়, তাৰ বাবে পদ উন্নীতকৰণৰ বিষয়টো ক্ষিপ্ৰতাৰে নিষ্পত্তি কৰিবলৈ আহ্বান জনাইছে। এতিয়া সংশ্লিষ্ট শিক্ষক-শিক্ষয়িত্ৰীসকলৰ আশা— চৰকাৰে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি প্ৰয়োজনীয় নীতি-নিৰ্দেশনা আৰু প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰিব, যাতে তেওঁলোকৰ দীৰ্ঘদিনীয়া দাবীৰ এক ইতিবাচক সমাধান ওলাই আহে।

## গন্ধকৰৈ জাতীয় বিদ্যালয়ত লায়ন্স ক্লাবৰ চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১১ অক্টোবৰ ঃ** ছাত্ৰ-ছাত্ৰীৰ সৃজনশীল প্ৰতিভাৰ বিকাশ আৰু চিত্ৰকলাৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ উদ্দেশ্যে দেওবাৰে সৰুপথাৰ লায়ন্স ক্লাবৰ উদ্যোগত সৰুপথাৰ সমজিলাভিত্তিক এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। সৰুপথাৰ সমজিলাৰ গন্ধকৰৈ গাঁৱৰ গন্ধকৰৈ জাতীয় বিদ্যালয়ত অনুষ্ঠিত প্ৰতিযোগিতাখনত ১১বছৰৰ পৰা ১৩বছৰ বয়সৰ প্ৰায় ৫২গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি নিজৰ চিত্ৰাংকন প্ৰতিভা প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনত বিচাৰক হিচাপে উপস্থিত থাকে ভৰেন বৰা। আনহাতে, আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে পি.এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ মৃদুপৱন তামোলী আৰু বিশিষ্ট সাংবাদিক দ্বিপেন কুমাৰ বৰা। সৰুপথাৰ লায়ন্স ক্লাবৰ হৈ প্ৰতিযোগিতাখনত উপস্থিত থাকে ক্লাবৰ সভাপতি দিনেশ ভিল'ৱাৰীয়া, কোষাধ্যক্ষ কুশল গ্ৰীনৱীয়া, উপ-সভাপতি মাধৱ লহকৰৰ লগতে সদস্য কৃশ আল'দিয়া, ৰুনু দাস আৰু বিনীতা লহকৰ। প্ৰতিযোগিতাখন সুচাৰুৰূপে অনুষ্ঠিত কৰাত গন্ধকৰৈ জাতীয় বিদ্যালয়ৰ তৰফৰ পৰাও বিশেষ সহযোগিতা আগবঢ়োৱা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী মালা বৰা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ধৰ্মেশ্বৰ শইকীয়া, গাঁও প্ৰধান দেৱজ্যোতি শইকীয়া আৰু শিক্ষক পূৰ্ণপ্ৰতিম বৰচুতীয়া তথা বৰষা ৰায়ে অনুষ্ঠানটোত উপস্থিত থাকি প্ৰতিযোগিতাখন সফল কৰি তোলাত সহযোগিতা আগবঢ়ায়। বিদ্যালয়খনত এনে এক প্ৰতিযোগিতা আয়োজন কৰাৰ বাবে গন্ধকৰৈ জাতীয় বিদ্যালয়ৰ তৰফৰ পৰা সৰুপথাৰ লায়ন্স ক্লাবক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰতিযোগিতাখনৰ ফলাফল অনুসৰি বৰপথাৰ জাতীয় বিদ্যালয়ৰ লক্ষ্যপ্ৰতীম শইকীয়াই প্ৰথম স্থান, সৰুপথাৰ ডনবস্ক হাইস্কুলৰ ৰিছা দত্তই দ্বিতীয় স্থান আৰু গন্ধকৰৈ জাতীয় বিদ্যালয়ৰ কৌশিক কোঁৱৰে তৃতীয় স্থান লাভ কৰে। আনহাতে, নিচুকনি বঁটা লাভ কৰে সৰুপথাৰ ডনবস্ক হাইস্কুলৰ পৰানগমা দাস আৰু গন্ধকৰৈ জাতীয় বিদ্যালয়ৰ জ্যোতিস্মিতা খাকলাৰীয়ে। ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশৰ লগতে তেওঁলোকৰ মাজত সৃষ্টিশীল চিন্তাধাৰা আৰু চিত্ৰকলাৰ প্ৰতি আগ্ৰহ গঢ়ি তোলাৰ ক্ষেত্ৰত সৰুপথাৰ লায়ন্স ক্লাবৰ এই পদক্ষেপে বিশেষ তাৎপৰ্য বহন কৰিছে।

## সেৱা সংকল্প অভিযান ২০২৬ অধীনত কলাইগাঁও শিক্ষাখণ্ডৰ ৬৯৮ গৰাকী ৰন্ধন কৰ্মীলৈ পূজাৰ বিশেষ বোনাচ



**অসম বাৰ্তা, মঙলদৈ, ১১ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰৰ সেৱা সংকল্প অভিযান ২০২৬ৰ অধীনত ৰন্ধন কৰ্মীসকলৰ বাবে বিশেষ পদক্ষেপ। কলাইগাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত ৬৯৮ গৰাকী ৰন্ধন কৰ্মীক পূজাৰ বিশেষ বোনাচ হিচাপে বিতৰণ কৰা হ'ল চেক। জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই চেকসমূহ বিতৰণ কৰা হয়। ৰন্ধন কৰ্মীসকলৰ অৱদানক স্বীকৃতি প্ৰদান আৰু তেওঁলোকক উৎসাহিত কৰাৰ লক্ষ্যৰে আয়োজিত এই অনুষ্ঠানত উপস্থিত থাকে চৰকাৰী বিষয়া, বিশিষ্ট ব্যক্তিৰ লগতে কলাইগাঁও শিক্ষা খণ্ডৰ সকলো কৰ্মচাৰী। কলাইগাঁও শিক্ষা খণ্ডৰ গাণনিক চাহাবুদ্দিন আহমেদে আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্ত শান্তা কৰ্কি ছেত্ৰীয়ে। ইফালে, মুখ্যমন্ত্ৰীয়ে ৰন্ধন কৰ্মীসকললৈ প্ৰেৰণ কৰা প্ৰশংসাপত্ৰ পাঠ কৰে কলাইগাঁও শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া দেৱানন বৰোৱে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী নীলিমা দেৱীয়ে। লগতে উপস্থিত থাকে জিলা আয়ুক্ত আয়ুচি জৈন আৰু সমাজকৰ্মী মুকুন্দ ডেকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। কলাইগাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত ৬৯৮ গৰাকী ৰন্ধন কৰ্মীলৈ পূজাৰ বিশেষ বোনাচ হিচাপে চেক বিতৰণৰ এই পদক্ষেপে কৰ্মীসকলৰ মাজত উৎসাহ আৰু আনন্দৰ পৰিৱেশৰ সৃষ্টি কৰে। ৰাষ্ট্ৰীয় সংগীতেৰে সামৰণি পৰা অনুষ্ঠানটিত শলাগৰ শৰাই আগবঢ়ায় জিলা মধ্যাহ্ন ভোজন কৰ্মচাৰী ৰিফাদ নাহিদে। সেৱা সংকল্প অভিযান ২০২৬ৰ অধীনত গ্ৰহণ কৰা এই পদক্ষেপে ৰন্ধন কৰ্মীসকলৰ প্ৰতি চৰকাৰৰ স্বীকৃতি আৰু সহযোগিতাৰ বাৰ্তা বহন কৰিছে।

## অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সম্পাদক পলদ্বীপ নেওগৰ অকাল বিয়োগ

**অসম বাৰ্তা, গেলেকী, ১১ অক্টোবৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ শিৱসাগৰ জিলা সমিতিৰ প্ৰাক্তন সম্পাদক তথা এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন জাতীয়তাবাদী যুৱ নেতা, সমাজসেৱী আৰু ক্ৰীড়া সংগঠক পলদ্বীপ নেওগ আৰু আমাৰ মাজত নাই। মাত্ৰ ৪২ বছৰ বয়সতে উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ তেওঁ পৰলোকপ্ৰাপ্তি ঘটে। তেওঁৰ এই আকস্মিক বিয়োগে সমগ্ৰ নাজিৰাঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত বাতৰি অনুসৰি, নাজিৰাৰ বাঁহগড়া নিৱাসী পলদ্বীপ নেওগ নিজ বাসগৃহত হঠাৎ শাৰীৰিকভাৱে অসুস্থ হৈ পৰে। পৰিয়ালৰ লোকে ততাতৈয়াকৈ তেওঁক লিগিৰীপুখুৰীস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া নাজিৰা মহকুমা চিকিৎসালয়ত ভৰ্তি কৰায়। অৱশ্যে চিকিৎসালয়ত স্বাস্থ্যৰ অৱস্থা সংকটজনক হৈ পৰাত পৰিয়ালৰ লোকে উন্নত চিকিৎসাৰ বাবে তেওঁক ডিমৌ ৰজাবাৰীস্থিত স্বৰ্গদেউ চাও লুং চ্যুকাফা মাল্টিস্পিচিয়েল হস্পিটেললৈ লৈ যায়। চিকিৎসালয়খনত চিকিৎসাধীন অৱস্থাতেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। তেওঁৰ নশ্বৰ দেহ নিজ বাসগৃহলৈ কঢ়িয়াই অনাৰ পিছত বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি আৰু শশ লোকে উপস্থিত হৈ প্ৰয়াত নেতাগৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰৱৰ্তী সময়ত নিজ গাঁৱতে তেওঁৰ অন্তিম সংকাৰ সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ নিজ পিতৃ আৰু ভগ্নীক এৰি থৈ যায়। যুৱ নেতাগৰাকীৰ বিয়োগত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাই, অজাযুছাপৰ শিৱসাগৰ জিলা সমিতি আৰু নাজিৰা আঞ্চলিক সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। ইয়াৰোপৰি নাজিৰা আঞ্চলিক সাহিত্য সভা, অসমীয়া যুৱ মঞ্চ, সন্মিলিত যুৱ সমাজ (নাজিৰা), বাঁহগড়া পায়নিয়াৰ্চ ক্লাব, বাঁহগড়া যুৱ সমাজ, নাজিৰা বিহু সন্মিলনৰ লগতে নাজিৰাবাসী ৰাইজে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি প্ৰয়াত আত্মাৰ চিৰশান্তি কামনা কৰিছে।

## ১০টা ৱাৰ্ডেৰে গঠন হ'ব মাজুলী

বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা উন্নয়নমূলক কাম-কাজ, আন্তঃগাঁথনিমূলক প্ৰকল্প আৰু অনাময় ব্যৱস্থাৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ‘অন্ন সেৱা দিন’ কাৰ্যসূচী, অত্যাৱশ্যকীয় খাদ্যসামগ্ৰীৰ বিতৰণ আৰু হিতাধিকাৰীসকলে লাভ কৰা খাদ্যসামগ্ৰীৰ শেহতীয়া স্থিতি পৰ্যালোচনা কৰে। আনহাতে, সমবায় বিভাগৰ অধীনত জিলাখনৰ সমবায় সমিতিসমূহৰ খাদ্যশস্য সংৰক্ষণ কৰা গুদামৰ কাৰ্যক্ষমতা, মজুত খাদ্যসামগ্ৰীৰ উপলব্ধতা আৰু বিতৰণ ব্যৱস্থাৰো মন্ত্ৰী গৰাকীয়ে বুজ লয়। বিভাগীয় আঁচনি আৰু উন্নয়নমূলক প্ৰকল্পসমূহ সুচাৰুৰূপে ৰূপায়ণ কৰাৰ লগতে প্ৰকৃত হিতাধিকাৰীসকলে যাতে চৰকাৰী সুবিধা লাভ কৰে, তাৰ বাবে নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰিবলৈ মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা মুখামুখিত মন্ত্ৰী কৌশিক ৰায়ে মাজুলীত পৌৰসভা গঠনৰ প্ৰক্ৰিয়া সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্য সদৰি কৰে। তেওঁ কয় যে মাজুলী একমাত্ৰ জিলা য'ত জিলা সদৰত বৰ্তমানলৈ পৌৰসভা নাই। মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে মাজুলীত পৌৰসভা গঠনৰ বাবে ইতিমধ্যে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছিল। এই সন্দৰ্ভত জিলা প্ৰশাসনে প্ৰয়োজনীয় ৰূপৰেখা গুৱাহাটীলৈ প্ৰেৰণ কৰিছে। মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি, পৌৰ বিভাগৰ সঞ্চালকো এই সন্দৰ্ভত পৰ্যালোচনা কৰিবলৈ মাজুলীলৈ আহিছে। লোকপিয়লৰ পিছতে পৌৰসভা গঠনৰ বাবে পৰৱৰ্তী নিৰ্দেশনা জাৰি কৰা হ'ব। প্ৰস্তাৱিত মাজুলী পৌৰসভা ১০টা ৱাৰ্ডেৰে গঠন কৰাৰ পৰিকল্পনা কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। অহা মাৰ্চ মাহত এই সন্দৰ্ভত প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰাৰ লগতে পৰৱৰ্তী সময়ত ৰাজহুৱা শুনানি অনুষ্ঠিত হোৱাৰ পিছত বিষয়টো চূড়ান্ত কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

## নিচাজাতীয় সামগ্ৰী সেৱন কৰা ব্যক্তি তথা পৰিয়ালক হাউলীৰ বৰবাৰীঝাৰ আঞ্চলিক কবৰস্থানত দাফন কৰাত নিষেধাজ্ঞা

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১১ অক্টোবৰ ঃ** নিচাজাতীয় সামগ্ৰী সেৱনক কেন্দ্ৰ কৰি হাউলীৰ বৰবাৰীঝাৰ আঞ্চলিক কবৰস্থান কৰ্তৃপক্ষই গ্ৰহণ কৰা এক সিদ্ধান্তই অঞ্চলটোত চৰ্চা লাভ কৰিছে। জানিব পৰা মতে, নিচাজাতীয় সামগ্ৰী সেৱন কৰা ব্যক্তি তথা তেওঁলোকৰ পৰিয়ালৰ লোকক বৰবাৰীঝাৰ আঞ্চলিক কবৰস্থানত দাফন কৰাত নিষেধাজ্ঞা আৰোপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। নিচাজাতীয় সামগ্ৰীৰ প্ৰচলন আৰু সেৱনৰ ফলত সমাজত সৃষ্টি হোৱা বিভিন্ন নেতিবাচক প্ৰভাৱৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি ধাৰণা কৰা হৈছে। বিশেষকৈ যুৱ প্ৰজন্মক নিচাৰ কৰাল গ্ৰাসৰ পৰা আঁতৰাই ৰখা, সামাজিক সচেতনতা বৃদ্ধি কৰা আৰু সমাজত নিচাবিৰোধী মনোভাব গঢ়ি তোলাৰ উদ্দেশ্য এই সিদ্ধান্তৰ আঁৰত থাকিব পাৰে। অৱশ্যে, এই সিদ্ধান্ত কোনে, কেতিয়া আৰু কি চৰ্তৰ ভিত্তিত গ্ৰহণ কৰিছে, সেই সম্পৰ্কে আনুষ্ঠানিক তথ্য লাভ কৰাটো প্ৰয়োজনীয়। লগতে নিষেধাজ্ঞাৰ পৰিসৰ, প্ৰযোজ্য চৰ্ত আৰু সিদ্ধান্তটোৰ সামাজিক তথা ধৰ্মীয় ভিত্তি সম্পৰ্কেও কৰ্তৃপক্ষৰ স্পষ্টীকৰণৰ প্ৰয়োজন আছে। নিচামুক্ত সমাজ গঢ়ি তোলাৰ বাবে কেৱল নিষেধাজ্ঞা আৰোপ কৰাই যথেষ্ট নহয়; ইয়াৰ সমান্তৰালভাৱে সজাগতা সৃষ্টি, পৰিয়ালৰ ভূমিকা শক্তিশালী কৰা, নিচাসক্ত ব্যক্তিসকলৰ চিকিৎসা আৰু পুনৰ্বাসনৰ ব্যৱস্থাও সমানেই গুৰুত্বপূৰ্ণ। সমাজৰ সামূহিক প্ৰচেষ্টাৰ জৰিয়তে যুৱ প্ৰজন্মক নিচাৰ পৰা আঁতৰাই ৰখাৰ লগতে নিচাসক্ত ব্যক্তিসকলক সুস্থ জীৱনলৈ ঘূৰাই অনাৰ প্ৰয়াস চলোৱাটো সময়ৰ আহ্বান।

## সম্পাদকীয়

# শান্তিপূৰ্ণ প্ৰতিবাদৰ অধিকাৰ আৰু ন্যায়ালয়ৰ ঐতিহাসিক বাৰ্তা

ভাৰতীয় গণতন্ত্ৰৰ মূল ভেটি হ'ল সংবিধানপ্ৰদত্ত মৌলিক অধিকাৰ আৰু নাগৰিকৰ স্বাধীনতা। শেহতীয়াকৈ দিল্লীত সৃষ্টি হোৱা লকডাউনসদৃশ পৰিস্থিতি, শিক্ষাৰ্থী, অধিবক্তা আৰু সাংবাদিকসকলক ধাৰাবাহিকভাৱে আটক কৰা ঘটনা, তথা ইয়াৰ প্ৰত্যুত্তৰত উচ্চতম ন্যায়ালয়ৰ বিশেষ বিচাৰপীঠে দিয়া দিক্‌দৰ্শী নিৰ্দেশনাই গণতান্ত্ৰিক ব্যৱস্থাত এক অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। ন্যায়াধীশ জয়মাল্য বাগচী আৰু ভি মোশনাৰ বিচাৰপীঠে অতি স্পষ্ট ভাষাত ব্যক্ত কৰিছে যে শান্তিপূৰ্ণ আৰু নীৰস্ত্ৰ প্ৰতিবাদকাৰীক যথেচ্ছভাৱে আটক কৰি দমন কৰাটো আইন সন্মত নহয়। ন্যায়ালয়ৰ এই সিদ্ধান্তই ৰাজ্যিক কৰ্তৃত্বৰ অপব্যৱহাৰৰ বিৰুদ্ধে নাগৰিকৰ সংবিধানপ্ৰদত্ত অধিকাৰসমূহ পুনৰ দৃঢ়তাৰে প্ৰতিষ্ঠা কৰিলে।

সংবিধানৰ ১৯ নম্বৰ অনুচ্ছেদে প্ৰতিজন ভাৰতীয় নাগৰিকক বাক-স্বাধীনতা আৰু শান্তিপূৰ্ণভাৱে, নীৰস্ত্ৰ হৈ সমবেত হোৱাৰ মৌলিক অধিকাৰ প্ৰদান কৰিছে। নিশ্চয়কৈ অনুচ্ছেদ ১৯(২) অনুসৰি ৰাষ্ট্ৰৰ প্ৰভুত্ব, অখণ্ডতা, আৰু ৰাজহুৱা শৃংখলা ৰক্ষাৰ স্বাৰ্থত যুক্তিসংগত প্ৰতিবন্ধকতা আৰোপ কৰাৰ অধিকাৰ প্ৰশাসনৰ আছে। কিন্তু আইন-শৃংখলা ৰক্ষাৰ নামত মুক্ত চলাচল আৰু জনজীৱন ব্যাহত কৰা কাৰ্য কদাপি গ্ৰহণযোগ্য হ'ব নোৱাৰে। বিচাৰপীঠে আঙুলিয়াই দিয়া মতে, যিবোৰ অঞ্চলত কোনো নিষেধাজ্ঞামূলক আদেশ (BNSS ১৬৩ ধাৰা) বলবৎ হৈ থকা নাই, তাত স্বাভাৱিকভাৱে প্ৰতিবাদ কৰা লোকসকলক গ্ৰেপ্তাৰ বা আটক কৰাৰ কোনো অধিকাৰ আৰক্ষীৰ নাই।

প্ৰশাসনৰ ব্যৱস্থা আৰু সাধাৰণ ৰাইজৰ দুৰ্ভোগৰ দিশটো বিবেচনা কৰিলে দেখা যায় যে সুৰক্ষাৰ নামত সমগ্ৰ চহৰখনত অপ্ৰয়োজনীয় বেৰিকেড নিৰ্মাণ কৰা, মেট্ৰ' আৰু ৰে'ল সেৱা ব্যাহত কৰা, বা ইণ্টাৰনেট সংযোগ বন্ধ কৰাৰ দৰে পদক্ষেপসমূহে গণতান্ত্ৰিক অধিকাৰ সংকুচিত কৰাৰ লগতে জনজীৱন অচল কৰি তোলে। ইণ্টাৰনেট সংযোগ আৰু ৰাজহুৱা পৰিবহণ সেৱা আজিকালিৰ দিনত কোনো বিলাসিতা নহয়, বৰঞ্চ মানুহৰ দৈনন্দিন জীৱিকা, শিক্ষা আৰু মৌলিক প্ৰয়োজনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। উচ্চতম ন্যায়ালয়ে এই সংবেদনশীলতাক অনুধাৱন কৰি মেট্ৰ'-ৰে'ল স্বাভাৱিক কৰা, অপ্ৰয়োজনীয় বেৰিকেড পুনৰীক্ষণ কৰা আৰু ইণ্টাৰনেট অব্যাহত ৰখাৰ যি নিৰ্দেশনা দিলে, সি নিঃসন্দেহে প্ৰশংসনীয়।

আনহাতে, চৰকাৰৰ পক্ষত উপস্থিত ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই আদালতক অৱগত কৰা অনুসৰি দিল্লীত মেট্ৰ' সেৱা, ৰে'ল আৰু ইণ্টাৰনেট সংযোগ সক্ৰিয় ৰখা হৈছে। সুৰক্ষা ব্যৱস্থা আৰু নাগৰিক সুবিধাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো নিশ্চিতভাৱে প্ৰশাসনৰ দায়িত্ব। কিন্তু প্ৰশাসনীয় পদক্ষেপসমূহ যাতে কোনো কাৰণতে আতিশয্য বা অত্যাচাৰলৈ ৰূপান্তৰিত নহয়, তাৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰখাৰ প্ৰয়োজন আছে। উচ্চতম ন্যায়ালয়ৰ চৌপাশৰ পৰা BNSS ১৬৩ ধাৰাৰ ব'ৰ্ড আঁতৰোৱাৰ নিৰ্দেশনাও এই মনোভাৱৰে প্ৰতিফলন।

অভিযোগ অনুসৰি, এই ঘটনাক্ৰমত কেৱল সাধাৰণ প্ৰতিবাদকাৰীয়েই নহয়, বৰঞ্চ সাংবাদিক, অধিবক্তা আৰু ছাত্ৰ-ছাত্ৰীসকলো আটকৰ সন্মুখীন হ'বলগীয়া হৈছিল। সংবাদ মাধ্যম গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ, আৰু অধিবক্তাসকল ন্যায় ব্যৱস্থাৰ অন্যতম চালিকা শক্তি। তেওঁলোকৰ কণ্ঠৰুদ্ধ কৰাৰ প্ৰচেষ্টাই গণতান্ত্ৰিক মূল্যবোধ দুৰ্বল কৰি তোলে। ৰাজহুৱা শৃংখলা ৰক্ষা আৰু প্ৰতিবাদৰ অধিকাৰৰ মাজত এক সুস্থ ভাৰসাম্য থকাটো অত্যন্ত জৰুৰী। চৰকাৰ আৰু আৰক্ষী প্ৰশাসনে মনত ৰখা উচিত যে প্ৰতিবাদক দমন নীতিৰে মচি পেলাব নোৱাৰি; ইয়াৰ সমাধান হ'ব লাগে নিয়মানুগ, আইনসন্মত আৰু সাংবিধানিক পৰিসৰৰ ভিতৰত। উচ্চতম ন্যায়ালয়ৰ এই ৰায়ে ৰাজ্যিক প্ৰশাসনসমূহলৈ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিলে— আইনৰ শাসনৰ ওপৰত একো হ'ব নোৱাৰে, আৰু শান্তিপূৰ্ণ প্ৰতিবাদ গণতন্ত্ৰৰ কোনো ভাবুকি নহয়, বৰঞ্চ ই ইয়াৰ জীৱন্ত প্ৰমাণ।

# কাজিৰঙাৰ এক কিলোমিটাৰ

## উন্নয়ন, সংৰক্ষণ আৰু ভৱিষ্যতৰ প্ৰশ্ন

কাজিৰঙা কেৱল অসমৰ এখন ৰাষ্ট্ৰীয় উদ্যান নহয়। কাজিৰঙা অসমৰ প্ৰাকৃতিক পৰিচয়, ভাৰতৰ বন্যপ্ৰাণী সংৰক্ষণৰ এক উল্লেখযোগ্য অধ্যায় আৰু বিশ্বৰ পৰিৱেশ মানচিত্ৰত অসমৰ এক অনন্য পৰিচয়। এশিঙীয়া গঁড়ৰ বাবে বিশ্বখ্যাত এই ভূখণ্ডৰ সৈতে জড়িত হৈ আছে বিস্তীৰ্ণ ঘাঁহনি, জলাশয়, নদ-নদী, বনাঞ্চল, বন্যপ্ৰাণীৰ বিচৰণপথ আৰু তাৰ চাৰিওফালে যুগ যুগ ধৰি বসবাস কৰি অহা মানুহৰ জীৱন-জীৱিকা। সেইবাবেই কাজিৰঙাৰ চাৰিওফালে Eco-Sensitive Zone (ESZ)-ৰ পৰিসৰক লৈ উত্থাপিত ১-৩ কিলোমিটাৰৰ প্ৰস্তাৱক কেৱল এটা প্ৰশাসনিক বা ৰাজনৈতিক সিদ্ধান্ত হিচাপে চোৱাটো যথেষ্ট নহয়। ইয়াৰ অন্তৰালত আছে অধিক গভীৰ প্ৰশ্ন— উন্নয়নৰ প্ৰয়োজনীয়তা, স্থানীয় মানুহৰ অধিকাৰ আৰু প্ৰকৃতি সংৰক্ষণৰ মাজত ভাৰসাম্য কেনেকৈ স্থাপন কৰা যায়?

এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ প্ৰথমে এটা কথা স্পষ্ট হোৱা প্ৰয়োজন।

**১ কিলোমিটাৰ মানে কাজিৰঙাৰ সীমা সংকুচিত হোৱা নহয় ঃ**

ESZ আৰু ৰাষ্ট্ৰীয় উদ্যানৰ মূল সীমা একে বিষয় নহয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মূল সীমা আৰু তাৰ বাহিৰত পৰিৱেশগতভাৱে সংবেদনশীল অঞ্চল হিচাপে বিবেচিত এলেকাৰ মাজত আইনী আৰু প্ৰশাসনিক পাৰ্থক্য আছে। সেয়েহে "১ কিলোমিটাৰ" শব্দটো শুনি কাজিৰঙাৰ ৰাষ্ট্ৰীয় উদ্যানৰ সীমাই সংকুচিত হ'ব বুলি ধাৰণা কৰাটো সঠিক নহয়। কিন্তু এই স্পষ্টীকৰণে মূল বিতৰ্কটোক শেষ নকৰে। বৰং ইয়াৰ পৰাই প্ৰকৃত প্ৰশ্নটো আৰম্ভ হয়- কাজিৰঙাৰ চাৰিওফালে পৰিৱেশীয় সুৰক্ষাৰ বাবে কিমান পৰিসৰ প্ৰয়োজন? এই প্ৰশ্নৰ উত্তৰ কেৱল এটা সংখ্যাৰে দিব পাৰিনে?

**প্ৰকৃতিৰ সীমা মানচিত্ৰৰ ৰেখাত থমকি নৰয় ঃ**

এখন ৰাষ্ট্ৰীয় উদ্যানৰ সীমা চৰকাৰী মানচিত্ৰত স্পষ্টকৈ আঁকিব পাৰি। কিন্তু বন্যপ্ৰাণীৰ বাবে সেই সীমাৰেখাৰ অৰ্থ একে নহয়। এটা গঁড়ে নাজানে কোনখিনি ৰাষ্ট্ৰীয় উদ্যান আৰু কোনখিনি তাৰ বাহিৰৰ অঞ্চল। হাতীয়ে জানিব নোৱাৰে ESZ-ৰ সীমা ক'ত শেষ হৈছে। বাঘ, হৰিণ বা পৰিভ্ৰমী পক্ষীৰ চলাচলো কোনো প্ৰশাসনিক ৰেখাৰ ওপৰত নিৰ্ভৰশীল নহয়। বন্যপ্ৰাণীৰ জীৱনচক্ৰ খাদ্য, পানী, আশ্ৰয়, প্ৰজনন আৰু বিচৰণপথৰ সৈতে জড়িত। নদী, বিল, জলাশয়, ঘাঁহনি, বনাঞ্চল আৰু wildlife corridor-সমূহে মিলি এটা বৃহৎ ecological landscape সৃষ্টি কৰে। কাজিৰঙাৰ ক্ষেত্ৰত এই কথাটো বিশেষ গুৰুত্বপূৰ্ণ। ব্ৰহ্মপুত্ৰৰ বান আৰু জলপ্ৰবাহ, জলাশয়, ঘাঁহনি আৰু আশে-পাশে থকা ভূ-প্ৰকৃতিৰ সৈতে উদ্যানখনৰ পৰিৱেশগত সম্পৰ্ক গভীৰ। সেয়েহে কাজিৰঙাক কেৱল এখন boundary-ৰ ভিতৰৰ ভূমিখণ্ড হিচাপে চোৱাটো পৰিৱেশ বিজ্ঞানৰ দৃষ্টিৰে অসম্পূৰ্ণ।

তেন্তে ১ কিলোমিটাৰ নে ১০ কিলোমিটাৰ? এইটোৱেই বৰ্তমানৰ বিতৰ্কৰ আটাইতকৈ সহজ প্ৰশ্ন। কিন্তু হয়তো আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন নহয়।

প্ৰকৃত প্ৰশ্নটো হ'ব লাগে— "কোন অঞ্চলত কিমান পৰিৱেশীয় সুৰক্ষা প্ৰয়োজন আৰু সেই সীমা নিৰ্ধাৰণৰ বৈজ্ঞানিক ভিত্তি কি?"

কাৰণ কাজিৰঙাৰ চাৰিওফালৰ প্ৰতিটো অঞ্চলৰ পৰিৱেশগত সংবেদনশীলতা একে নহয়। কোনো অঞ্চলত ঘন জনবসতি থাকিব পাৰে। কোনো অঞ্চলত wildlife corridor থাকিব পাৰে। কোনো ঠাই জলাভূমিৰ বাবে গুৰুত্বপূৰ্ণ হ'ব পাৰে। কোনো অঞ্চলত বন্যপ্ৰাণীৰ নিয়মীয়া বিচৰণ থাকিব পাৰে। এই সকলো অঞ্চলক কেৱল এটা সমান দূৰত্বৰ ৰেখাৰে চিহ্নিত কৰিলে প্ৰশাসনিক কাম সহজ হ'ব পাৰে, কিন্তু পৰিৱেশৰ বাস্তৱতা সদায় সহজ নহয়।

> *সংৰক্ষণৰ কেন্দ্ৰত মানুহো থাকিব লাগিব। কাজিৰঙা সংৰক্ষণৰ কথা কওঁতে তাৰ চাৰিওফালে বসবাস কৰা মানুহৰ কথাও সমান গুৰুত্বেৰে বিবেচনা কৰিব লাগিব। বহু পৰিয়ালে কৃষি, পশুপালন, ক্ষুদ্ৰ ব্যৱসায়, পৰ্যটন আৰু অন্যান্য জীৱিকাৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকৰ বাবে ESZ কোনো বিমূৰ্ত পৰিৱেশ নীতি নহয়; ই তেওঁলোকৰ মাটি, ঘৰ, জীৱিকা আৰু ভৱিষ্যতৰ সৈতে জড়িত বাস্তৱ বিষয়। যদি সংৰক্ষণৰ নীতিৰ ফলত স্থানীয় মানুহে নিজৰ জীৱন-জীৱিকাৰ ওপৰত অতিৰিক্ত অনিশ্চয়তা অনুভৱ কৰে, তেন্তে সেই নীতিৰ সামাজিক গ্ৰহণযোগ্যতা কমি যাব পাৰে। সেয়েহে সংৰক্ষণৰ সফলতাৰ বাবে এটা মৌলিক নীতি হ'ব পাৰে— "মানুহক বাদ দি প্ৰকৃতি সংৰক্ষণ নহয়; মানুহক অংশীদাৰ কৰি প্ৰকৃতি সংৰক্ষণ।" স্থানীয় মানুহক সমস্যাৰ অংশ হিচাপে নহয়, সংৰক্ষণৰ অংশীদাৰ হিচাপে চাব লাগিব। তেওঁলোকৰ অভিজ্ঞতা, স্থানীয় জ্ঞান আৰু বাস্তৱ সমস্যাক নীতি-নিৰ্ধাৰণত স্থান দিয়া উচিত। উন্নয়ন আৰু সংৰক্ষণ—দুটা বিপৰীত শব্দ নেকি? উন্নয়ন লাগে। পথ লাগে, বিদ্যালয় লাগে, চিকিৎসা ব্যৱস্থা লাগে, যোগাযোগ লাগে, পৰ্যটন লাগে, স্থানীয় অৰ্থনীতি শক্তি শালী কৰিব লাগে। কিন্তু উন্নয়ন মানে কেৱল নিৰ্মাণৰ পৰিমাণ বৃদ্ধি নহয়। প্ৰকৃতিৰ carrying capacityক আওকাণ কৰি কৰা উন্নয়ন শেষত মানুহৰ বাবেও সমস্যা সৃষ্টি কৰিব পাৰে।*

সেয়েহে distance-based approach-ৰ লগতে ecology-based approach-ৰ কথাও গুৰুত্বসহকাৰে বিবেচনা কৰা উচিত। য'ত ১ কিলোমিটাৰ যথেষ্ট, তাত ১ কিলোমিটাৰ হ'ব পাৰে। কিন্তু য'ত ecological sensitivity অধিক, তাত অধিক সুৰক্ষাৰ প্ৰয়োজন হ'ব পাৰে। অৰ্থাৎ, "one-size-fits-all" মডেলৰ সলনি "location-specific, science-based protection" অধিক যুক্তিসংগত নেকি—এই প্ৰশ্নটো বিশেষজ্ঞসকলে গভীৰভাৱে পৰীক্ষা কৰা উচিত।

সংৰক্ষণৰ কেন্দ্ৰত মানুহো থাকিব লাগিব। কাজিৰঙা সংৰক্ষণৰ কথা কওঁতে তাৰ চাৰিওফালে বসবাস কৰা মানুহৰ কথাও সমান গুৰুত্বেৰে বিবেচনা কৰিব লাগিব। বহু পৰিয়াল কৃষি, পশুপালন, ক্ষুদ্ৰ ব্যৱসায়, পৰ্যটন আৰু অন্যান্য জীৱিকাৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকৰ বাবে ESZ কোনো বিমূৰ্ত পৰিৱেশ নীতি নহয়; ই তেওঁলোকৰ মাটি, ঘৰ, জীৱিকা আৰু ভৱিষ্যতৰ সৈতে জড়িত বাস্তৱ বিষয়।

যদি সংৰক্ষণৰ নীতিৰ ফলত স্থানীয় মানুহে নিজৰ জীৱন-জীৱিকাৰ ওপৰত অতিৰিক্ত অনিশ্চয়তা অনুভৱ কৰে, তেন্তে সেই নীতিৰ সামাজিক গ্ৰহণযোগ্যতা কমি যাব পাৰে। সেয়েহে সংৰক্ষণৰ সফলতাৰ বাবে এটা মৌলিক নীতি হ'ব পাৰে— "মানুহক বাদ দি প্ৰকৃতি সংৰক্ষণ নহয়; মানুহক অংশীদাৰ কৰি প্ৰকৃতি সংৰক্ষণ।" স্থানীয় মানুহক সমস্যাৰ অংশ হিচাপে নহয়, সংৰক্ষণৰ অংশীদাৰ হিচাপে চাব লাগিব। তেওঁলোকৰ অভিজ্ঞতা, স্থানীয় জ্ঞান আৰু বাস্তৱ সমস্যাক নীতি-নিৰ্ধাৰণত স্থান দিয়া উচিত।

উন্নয়ন আৰু সংৰক্ষণ—দুটা বিপৰীত শব্দ নেকি? উন্নয়ন লাগে। পথ লাগে, বিদ্যালয় লাগে, চিকিৎসা ব্যৱস্থা লাগে, যোগাযোগ লাগে, পৰ্যটন লাগে, স্থানীয় অৰ্থনীতি শক্তিশালী কৰিব লাগে। কিন্তু উন্নয়ন মানে কেৱল নিৰ্মাণৰ পৰিমাণ বৃদ্ধি নহয়। প্ৰকৃতিৰ carrying capacity-ক আওকাণ কৰি কৰা উন্নয়ন শেষত মানুহৰ বাবেও সমস্যা সৃষ্টি কৰিব পাৰে। অতিৰিক্ত নিৰ্মাণ, অনিয়ন্ত্ৰিত পৰ্যটন, যান-বাহনৰ চাপ, জলাশয়ৰ ক্ষতি, বন্যপ্ৰাণীৰ বিচৰণপথত বাধা বা নদীৰ স্বাভাৱিক গতিপথত হস্তক্ষেপ—এইবোৰৰ প্ৰভাৱ কেৱল বন্যপ্ৰাণীৰ ওপৰত সীমাবদ্ধ নাথাকে। ই বানপানী, কৃষি, পানীৰ উৎস আৰু স্থানীয় জীৱন-জীৱিকাৰ ওপৰতো প্ৰভাৱ পেলাব পাৰে। সেয়েহে উন্নয়নৰ প্ৰশ্নটো কেৱল— "কি নিৰ্মাণ কৰিব?" নহয়। ইয়াৰ সৈতে আৰু তিনিটা প্ৰশ্ন সংযুক্ত হ'ব লাগে—

"ক'ত নিৰ্মাণ কৰিব?" "কিমান পৰিমাণে নিৰ্মাণ কৰিব?" "তাৰ পৰিৱেশগত মূল্য কিমান?"

কাজিৰঙা মানে কেৱল গঁড় নহয়

কাজিৰঙাৰ নাম উচ্চাৰণ কৰিলেই আমাৰ মনত এশিঙীয়া গঁড়ৰ ছবি আহে। কিন্তু কাজিৰঙাৰ ecological importance কেৱল এটা প্ৰজাতিৰ মাজত সীমাবদ্ধ নহয়। ঘাঁহনি, জলাশয়, বনাঞ্চল, নদী আৰু বিভিন্ন বন্যপ্ৰাণীৰ আন্তঃসম্পৰ্কই কাজিৰঙাৰ পৰিৱেশব্যৱস্থাক গঢ়ি তুলিছে। গঁড়ক ৰক্ষা কৰি যদি তাৰ বিচৰণপথ ধ্বংস কৰা হয়, তেন্তে সেয়া পূৰ্ণ সংৰক্ষণ নহয়। বন্যপ্ৰাণীৰ বাসস্থানৰ সৈতে সংযুক্ত জলাভূমি নষ্ট কৰি যদি কেৱল ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰৰ অঞ্চল সংৰক্ষণ কৰা হয়, তেন্তে পৰিৱেশৰ সম্পূৰ্ণ ছবিখন ধৰা নপৰে। সেয়েহে— কাজিৰঙা সংৰক্ষণ মানে কেৱল এটা boundary সংৰক্ষণ নহয়; এটা সম্পূৰ্ণ ecological system সংৰক্ষণ।

**আইনী দিশৰ সৈতে বিজ্ঞানৰ সমন্বয় ঃ**

ESZ কোনো আবেগৰ বিষয় নহয়। ইয়াৰ সৈতে পৰিৱেশ আইন, আদালতৰ নিৰ্দেশনা, চৰকাৰী নীতি আৰু বৈজ্ঞানিক মূল্যায়ন জড়িত। সেয়েহে যিকোনো নতুন সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত তিনিটা বিষয় একেলগে বিবেচনা কৰা প্ৰয়োজন— আইনে কি কয়? বিজ্ঞানে কি কয়? মাটিৰ বাস্তৱতাই কি কয়? এই তিনিটাৰ মাজত সমন্বয় নোহোৱাকৈ কোনো সিদ্ধান্ত সম্পূৰ্ণ হ'ব নোৱাৰে। বিশেষকৈ wildlife movement, ecological connectivity, land-use pattern, human settlement, hydrology আৰু cumulative environmental impact-ৰ দৰে বিষয়সমূহৰ তথ্যভিত্তিক মূল্যায়ন অতি গুৰুত্বপূৰ্ণ।

**সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াটোও গুৰুত্বপূৰ্ণ ঃ**

এটা ভাল পৰিৱেশ নীতি কেৱল ভাল সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ নকৰে; সিদ্ধান্তটো কেনেকৈ লোৱা হ'ল, সেইটোও সমান গুৰুত্বপূৰ্ণ। স্থানীয় বাসিন্দা, বন বিভাগ, পৰিৱেশ বিজ্ঞানী, wildlife experts, কৃষক, পৰ্যটন-ক্ষেত্ৰৰ অংশীদাৰ আৰু স্থানীয় প্ৰশাসনৰ মতামত শুনা উচিত। Public consultation কেৱল আনুষ্ঠানিকতা নহৈ সিদ্ধান্ত গ্ৰহণৰ প্ৰকৃত অংশ হ'ব লাগে। কাৰণ এখন satellite map-এ মাটিৰ আকৃতি দেখুৱাব পাৰে, কিন্তু সেই মাটিত বসবাস কৰা মানুহে জানে— কোনটো পথত হাতী নামে, কোনটো জলাশয় বানত সংযুক্ত হয়, কোন অঞ্চলত বন্যপ্ৰাণীৰ চলাচল হয় আৰু কোন নিয়মে স্থানীয় জীৱনত কেনে প্ৰভাৱ পেলায়। বিজ্ঞান আৰু স্থানীয় জ্ঞান— দুয়োটাৰ সমন্বয়েই অধিক শক্তিশালী নীতি সৃষ্টি কৰিব পাৰে।

**সংখ্যাৰ সলনি নীতি হওক আলোচনাৰ কেন্দ্ৰবিন্দু ঃ**

কাজিৰঙাক লৈ বিতৰ্কটো যদি কেৱল "১ কিলোমিটাৰ বনাম ১০ কিলোমিটাৰ"ত আবদ্ধ হৈ থাকে, তেন্তে আমি মূল সমস্যাটো এৰি সংখ্যাটোক লৈ বিতৰ্ক কৰিম। কিন্তু যদি প্ৰশ্নটো হয়— কোন অঞ্চল অধিক সংবেদনশীল? কোন wildlife corridor সুৰক্ষিত কৰিব লাগিব? কোন জলাভূমি সংৰক্ষণ অতি প্ৰয়োজনীয়? ক'ত মানুহৰ বসতি আৰু জীৱিকাৰ স্বাৰ্থ অধিক গুৰুত্বপূৰ্ণ? ক'ত নিয়ন্ত্ৰিত উন্নয়ন সম্ভৱ?

তেন্তে বিতৰ্কটো অধিক অৰ্থপূৰ্ণ হৈ উঠিব। এই পদ্ধতিত কোনো পক্ষক অন্ধভাৱে সমৰ্থন বা বিৰোধিতা কৰাৰ প্ৰয়োজন নাই। নীতিৰ মূল্যায়ন হ'ব ইয়াৰ ফলাফলৰ ওপৰত, আৰু সিদ্ধান্তৰ মূল্যায়ন হ'ব তাৰ বৈজ্ঞানিক ভিত্তিৰ ওপৰত।

**ভৱিষ্যৎ প্ৰজন্মৰ প্ৰশ্নটো পাহৰিব নোৱাৰি ঃ**

আজিৰ সিদ্ধান্তৰ প্ৰভাৱ হয়তো এতিয়াই সম্পূৰ্ণৰূপে দেখা নাযাব পাৰে। এটা জলাশয় পূৰ কৰা, এটা corridor বন্ধ কৰা বা এটা ecological zone-ত অতিৰিক্ত নিৰ্মাণৰ ফল কেতিয়াবা বহু বছৰৰ পিছত স্পষ্ট হয়। সেইবাবেই পৰিৱেশ নীতিৰ ক্ষেত্ৰত inter-generational responsibility-ৰ ধাৰণাটো অতি গুৰুত্বপূৰ্ণ। আমি আজি যি সিদ্ধান্ত লওঁ, তাৰ ফল কেৱল আমাৰ প্ৰজন্মই ভোগ নকৰে।

অহা প্ৰজন্মই হয়তো সুধিব— "আপোনালোকে কাজিৰঙাক কিমান সুৰক্ষিত কৰি থৈ গ'ল?" সেই প্ৰশ্নৰ উত্তৰ দিয়াৰ দায়িত্ব আমাৰ।

সেয়েহে কাজিৰঙাৰ "এক কিলোমিটাৰ"ক লৈ হোৱা বিতৰ্কক কোনো পক্ষৰ জয়-পৰাজয়ৰ বিষয় হিচাপে চোৱা উচিত নহয়। ১ কিলোমিটাৰ হওক বা ১০ কিলোমিটাৰ—সংখ্যাটোৱেই মূল কথা নহয়; সংখ্যাটোৰ আঁৰত থকা বৈজ্ঞানিক যুক্তিটোৱেই মুল কথা। কাজিৰঙাৰ বাবে প্ৰয়োজন দূৰত্বৰ ৰাজনীতি নহয়, পৰিৱেশীয় যুক্তিৰ নীতি। মানুহৰ অধিকাৰ সুৰক্ষিত হওক, কিন্তু বন্যপ্ৰাণীৰ বাসস্থানৰ অধিকাৰো স্বীকৃত হওক। উন্নয়ন হওক, কিন্তু ecological carrying capacity-ৰ সীমাৰ ভিতৰত। পৰ্যটন বৃদ্ধি পাওক, কিন্তু sustainable tourismৰ ভিত্তিত। স্থানীয় মানুহৰ জীৱিকা শক্তিশালী হওক, কিন্তু প্ৰকৃতি ধ্বংস কৰি নহয়। আৰু পৰিৱেশ সংৰক্ষণ হওক, কিন্তু স্থানীয় সমাজক বাদ দি নহয়।

কাজিৰঙা কোনো এটা প্ৰজন্মৰ সম্পত্তি নহয়। ই এক প্ৰাকৃতিক ঐতিহ্য, যাৰ ওপৰত আমাৰ অধিকাৰৰ লগতে দায়িত্বও আছে। সেয়েহে সিদ্ধান্ত লোৱাৰ সময়ত আমাক তিনিটা কথাই পথ দেখুৱাব লাগে- বিজ্ঞানৰ তথ্য, মানুহৰ বাস্তৱতা আৰু ভৱিষ্যৎ প্ৰজন্মৰ অধিকাৰ। কাৰণ কাজিৰঙাক ৰক্ষা কৰা মানে কেৱল গঁড়ক ৰক্ষা কৰা নহয়। কাজিৰঙাক ৰক্ষা কৰা মানে অসমৰ প্ৰাকৃতিক বিবেক, ভাৰতৰ জীৱবৈচিত্ৰ্য আৰু ভৱিষ্যৎ প্ৰজন্মৰ অধিকাৰ ৰক্ষা কৰা।

ৰূপাঞ্জল ৰূপ

# শিক্ষকৰ পদমৰ্যাদা আৰু স্বতন্ত্ৰতা সুৰক্ষিত হ'লেহে 'শিক্ষক দিৱস'ৰ তাৎপৰ্য থাকিব

ভাৰতবৰ্ষৰ প্ৰসিদ্ধ শিক্ষাবিদ, বৰেণ্য দাৰ্শনিক, আদৰ্শনীয় শিক্ষক তথা দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱৰ আত্মিক ইচ্ছানুসৰি দেশৰ শিক্ষাগুৰুসকলৰ বাবে উৎসৰ্গিত তেওঁৰ জন্মদিন অৰ্থাৎ পাঁচ ছেপ্টেম্বৰ তাৰিখটো ৰাষ্ট্ৰৰ শিক্ষাগুৰুসকলৰ হৃদয়সিক্ত কৰি ৰখা এটা অতি পবিত্ৰ দিন। ১৯৬২ চনৰ পৰা ভাৰতত শিক্ষক দিৱস হিচাপে উদ্‌যাপন কৰি অহা উল্লিখিত দিনটোত দেশৰ শিক্ষাৰ্থীসকলে তেওঁলোকৰ শিক্ষাগুৰুসকলৰ ত্যাগ আৰু অৱদানৰ সন্মানাৰ্থে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। সমান্তৰালভাৱে প্ৰশাসনেও মহকুমা, জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত চৰকাৰীভাৱে শিক্ষক দিৱস অনুষ্ঠিত কৰি একাংশ বিশেষ শিক্ষাগুৰুক সম্বৰ্দ্ধনা জনাই আহিছে। এইয়া নিশ্চয়কৈ আদৰণীয় পদক্ষেপ। লক্ষণীয়ভাৱে শিক্ষক দিৱসৰ এই আড়ম্বৰপূৰ্ণ মঞ্চসমূহত সমাজ আৰু জাতিৰ আধাৰ নিৰ্মাতা শিক্ষাগুৰুসকলক বিভিন্ন আকৰ্ষণীয় বিশেষণেৰে প্ৰশংসা কৰা হয় যদিও বছৰটোৰ অধিকাংশ সময়তে কিন্তু শিক্ষাগুৰুসকলক বিভিন্ন তুচ্ছ তাচ্ছিল্য, অশ্ৰাব্য শব্দৰে সমালোচনা কৰাহে পৰিলক্ষিত হয়। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ওপৰত বিভিন্ন সময়ত বিভিন্ন চাপ সৃষ্টি কৰি চৰকাৰে শিক্ষাগুৰুসকলক শিক্ষাদানৰ পৰিৱৰ্তে অনেক অনা-শৈক্ষিক কৰ্মত নিয়োজিত কৰি আহিছে। ইফালে শিক্ষাৰ্থীসকলৰ ভৱিষ্যত গঢ়া খনিকৰস্বৰূপ শিক্ষাগুৰুসকলে নিজৰ কৰ্মজীৱনৰ নিৰাপত্তা, মৰ্যাদা আৰু এটি শান্তিৰ পৰিৱেশত পাঠদানৰ বাবেও আন্দোলন কৰিবলগীয়া হৈছে। শিক্ষক দিৱসৰ পবিত্ৰ দিনটোতে শিক্ষকে চৰকাৰৰ হাতত প্ৰহাৰ হোৱাৰ উদাহৰণো আছে ৰাজ্যত। অপ্ৰাদেশীকৃত বিদ্যালয়ৰ শিক্ষাগুৰুসকলৰো অৱস্থা বৰ দুখলগা। শিক্ষকে মুক্তভাৱে নিজৰ জীৱনৰ সমস্যা, বিদ্যালয়ৰ সমস্যা আদিৰ বিষয়ে প্ৰকাশ কৰিবলৈও যেন প্ৰয়োজনীয় স্বাধীনতা নাই। একাংশ শিক্ষা-বিষয়াই জ্যেষ্ঠ শিক্ষাগুৰুসকলকো অতি অশ্ৰাব্য শব্দৰে সমালোচনা কৰা দেখিলে যথাৰ্থতে শিক্ষিত, সচেতন লোকৰ চকু কপালত উঠিব। শিক্ষকসকল যেন তেওঁলোকৰ ঘৰৰ ব্যক্তিগত কৰ্মচাৰীহে। এই কথা নিশ্চয় পাহৰি যোৱা হয় যে, শিক্ষক-শিক্ষয়িত্ৰীসকলক কোৱা অনুপ্ৰেৰণামূলক কথাৰ দ্বাৰাহে তেওঁলোকৰ শিক্ষাদানৰ প্ৰতি আগ্ৰহ বাঢ়ে; বিপৰীতে কটু সমালোচনাই শিক্ষাদানৰ প্ৰতি আশংকা আৰু অনীহাৰহে সৃষ্টি কৰে। দুৰ্ভাগ্যজনকভাৱে শিক্ষা বিভাগৰে একাংশ কাৰ্যালয়তো শিক্ষকৰ প্ৰতি এক সন্মানজনক পৰিৱেশৰ অভাৱ। ৰাজ্যত ৱৰ্তি থকা এনে এখন নেতিবাচক ছবি যথাৰ্থতে শিক্ষকসকলে কেতিয়াও আশা নকৰে। কোৱা হয় ৰজাক কেৱল স্বদেশত পূজা কৰা হয় কিন্তু বিদ্বান লোক বিশ্বৰ সৰ্বত্ৰে পূজিত। পূৰ্বতে ৰজাই ৰাজকাৰ্যত গুৰুৰ পৰামৰ্শ সসন্মানে বিচাৰি ৰাজসভাত গুৰুৰ বাবে এক সন্মানীয় আসনৰ ব্যৱস্থা কৰিছিল। সেইদৰে গাঁও অথবা সমাজ এখনৰ যিকোনো সমস্যা সমাধানৰ বেলিকা সেই অঞ্চলৰ জ্যেষ্ঠ শিক্ষকগৰাকীৰ পৰামৰ্শ গ্ৰহণ কৰা হৈছিল। সাধাৰণতে গাঁও এখনৰ নামঘৰৰ মজিয়াত গাঁওখনৰ উন্নয়নৰ ৰূপৰেখা নিৰ্ণয় কৰে গাঁওখনৰ জ্যেষ্ঠ শিক্ষকগৰাকীয়েই। এককথাত আদৰ্শ শিক্ষাগুৰু এজন নিকটৱৰ্তী সমাজখনৰ এগৰাকী অতি অগ্ৰস্থানীয় মান্য ব্যক্তিত্ব। সেয়ে আমাৰ দৃষ্টিৰে ৰাজ্যৰ প্ৰকৃতাৰ্থত উন্নয়নৰ বাবে চৰকাৰে শিক্ষাগুৰুসকলৰ পৰা প্ৰয়োজনীয় পৰামৰ্শ আৰু গঠনাত্মক সমালোচনা আন্তৰিকতাৰে গ্ৰহণ কৰাটোহে আদৰণীয়। কিয়নো শিক্ষকৰ পদমৰ্যাদা আৰু স্বতন্ত্ৰতা সুৰক্ষিত হ'লেহে সমাজত এক সুস্থ পৰিৱেশ গঢ় লৈ উঠিব আৰু তেনেক্ষেত্ৰতহে শিক্ষক দিৱসৰো তাৎপৰ্য থাকিব।



ৰঞ্জিত শইকীয়া
লেখকৰ ঠিকনা ঃ কুৰালগুৰি, দেৰগাঁও
ভ্ৰাম্যভাষঃ ৮৬৩৮৩৮৮৫০১

# শিক্ষাৰ্থীৰ ভৱিষ্যৎ গঢ়াৰ বাবে কেৰিয়াৰ পৰামৰ্শৰ প্ৰয়োজনীয়তা

বৰ্তমান সময়ত এজন শিক্ষাৰ্থীৰ বাবে কেৰিয়াৰ বাছনি জীৱনৰ অন্যতম গুৰুত্বপূৰ্ণ সিদ্ধান্ত। কেৰিয়াৰ মানে কেৱল "মই কি পঢ়িম?" বা "মই কি চাকৰি কৰিম?"— এই দুটা প্ৰশ্নৰ উত্তৰ নহয়; ই এজন ব্যক্তিৰ আগ্ৰহ, দক্ষতা, সামৰ্থ্য, ব্যক্তিত্ব, মূল্যবোধ আৰু জীৱনৰ লক্ষ্যৰ সৈতে জড়িত এক দীঘলীয়া যাত্ৰা। দ্ৰুতগতিত সলনি হৈ থকা শিক্ষা, প্ৰযুক্তি আৰু কৰ্মসংস্থাপনৰ পৰিৱেশত সঠিক দিশ নিৰ্বাচন কৰাটো দিনক দিনে অধিক জটিল হৈ পৰিছে। এনে পৰিস্থিতিত শিক্ষাৰ্থীসকলৰ বাবে কেৰিয়াৰ পৰামৰ্শৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পাইছে।

কেৰিয়াৰ পৰামৰ্শ হৈছে এজন ব্যক্তিৰ আগ্ৰহ, অৰ্হতা, দক্ষতা, ব্যক্তিত্ব, সম্ভাৱনা আৰু লক্ষ্য বিশ্লেষণ কৰি উপযুক্ত শিক্ষা, প্ৰশিক্ষণ, পেচা, চাকৰি, ব্যৱসায় অথবা স্বনিয়োজনৰ পথ নিৰ্বাচনত সহায় কৰা এক সুসংগঠিত প্ৰক্ৰিয়া। ইয়াৰ উদ্দেশ্য কেৱল "কোনটো চাকৰি ভাল" বুলি কোৱা নহয়; বৰং এজন শিক্ষাৰ্থীৰ বাবে কোনটো পথ উপযুক্ত, সেই পথলৈ যাবলৈ কি শিক্ষা আৰু দক্ষতাৰ প্ৰয়োজন আৰু ভৱিষ্যতে সেইক্ষেত্ৰত কেনেধৰণৰ সুযোগ থাকিব পাৰে— সেই বিষয়ে বাস্তৱভিত্তিক দিক্‌নিৰ্দেশনা প্ৰদান কৰা।

আজিৰ কেৰিয়াৰৰ জগতখন আগৰ তুলনাত বহুগুণে বিস্তৃত। চিকিৎসা, অভিযান্ত্ৰিক, শিক্ষকতা, চৰকাৰী চাকৰি, বেংকিং আদি পৰম্পৰাগত ক্ষেত্ৰৰ উপৰিও তথ্য-প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, তথ্য বিশ্লেষণ, চাইবাৰ সুৰক্ষা, ৰবটি', ডিজিটেল বিপণন, এনিমেচন, গ্ৰাফিক ডিজাইন, ড্ৰোন প্ৰযুক্তি, স্বাস্থ্যসেৱা, সেউজ কৰ্মসংস্থান, ই-কমাৰ্চ, ফ্ৰীলান্সিং আদি বহু নতুন ক্ষেত্ৰত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে। কিন্তু বিকল্প বৃদ্ধি পোৱাৰ লগে লগে সঠিক বিকল্প নিৰ্বাচন কৰাটোও কঠিন হৈছে। বহু শিক্ষাৰ্থী আৰু অভিভাৱকে নতুন নতুন ক্ষেত্ৰৰ পাঠ্যক্ৰম, অৰ্হতা, প্ৰশিক্ষণ, চাকৰিৰ সুযোগ আৰু ভৱিষ্যৎ সম্ভাৱনাৰ বিষয়ে পৰ্যাপ্ত নিৰ্ভৰযোগ্য তথ্য লাভ নকৰে।

আনহাতে, কেৱল পৰীক্ষাৰ নম্বৰ বা ৰেংকৰ ওপৰত ভিত্তি কৰি কেৰিয়াৰ নিৰ্বাচন কৰাটোও সদায় যুক্তিসংগত নহয়। ভাল নম্বৰ গুৰুত্বপূৰ্ণ হ'লেও কেৰিয়াৰত সফলতাৰ বাবে আগ্ৰহ, দক্ষতা, সৃষ্টিশীলতা, সমস্যা সমাধানৰ ক্ষমতা, যোগাযোগ দক্ষতা, ব্যৱহাৰিক জ্ঞান আৰু কামৰ প্ৰতি আগ্ৰহো সমানেই প্ৰয়োজনীয়। প্ৰযুক্তিৰ পৰিৱৰ্তনৰ সৈতে বহু পেছাৰ কামৰ ধৰণ সলনি হৈছে। সেয়েহে "ডিগ্ৰী লাভ কৰিলেই কেৰিয়াৰ নিশ্চিত"—এই ধাৰণাৰ পৰা ওলাই আহি শিক্ষা আৰু দক্ষতাক একেলগে আগবঢ়াই নিয়া প্ৰয়োজন।

ইয়াত অভিভাৱকৰ ভূমিকাও অতি গুৰুত্বপূৰ্ণ। সন্তানৰ ওপৰত নিজৰ পছন্দ বা অসম্পূৰ্ণ সপোন জাপি দিয়াৰ পৰিৱৰ্তে তেওঁলোকৰ আগ্ৰহ, সামৰ্থ্য আৰু ব্যক্তিত্বক সন্মান কৰা উচিত। একেদৰে শিক্ষাৰ্থীসকলেও বন্ধুৰ পছন্দ অনুসৰণ, সামাজিক চাপ অথবা কেৱল অধিক উপাৰ্জনৰ আশাত কেৰিয়াৰ নিৰ্বাচন নকৰি বিভিন্ন বিকল্পৰ বিষয়ে তথ্য সংগ্ৰহ কৰি বিবেচনাপূৰ্বক সিদ্ধান্ত লোৱা উচিত। ভুল কেৰিয়াৰ বাছনিয়ে সময়, অৰ্থ আৰু শ্ৰমৰ অপচয়ৰ লগতে শিক্ষাৰ প্ৰতি অনীহা, কৰ্মজীৱনত অসন্তুষ্টি আৰু আত্মবিশ্বাস হ্ৰাসৰ সৃষ্টি কৰিব পাৰে।

সেয়েহে বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ৰ পৰাই কেৰিয়াৰ সজাগতা আৰু পৰামৰ্শৰ ব্যৱস্থা শক্তিশালী কৰা অত্যন্ত প্ৰয়োজনীয়। শিক্ষাৰ্থীৰ আগ্ৰহ আৰু দক্ষতা মূল্যায়ন, বিভিন্ন কেৰিয়াৰ ক্ষেত্ৰৰ সৈতে পৰিচয়, পাঠ্যক্ৰম আৰু প্ৰশিক্ষণৰ তথ্য, বৃত্তি আৰু শিক্ষাৰ সুযোগ, চাকৰি, উদ্যোগীকৰণ আৰু স্বনিয়োজনৰ সম্ভাৱনা সম্পৰ্কে নিয়মীয়া দিক্‌নিৰ্দেশনা প্ৰদান কৰা উচিত। কেৰিয়াৰ পৰামৰ্শক কেৱল চাকৰি লাভৰ মাধ্যম হিচাপে নহয়, সঠিক সিদ্ধান্ত গ্ৰহণ আৰু আত্মনিৰ্ভৰশীল ভৱিষ্যৎ গঢ়াৰ এক গুৰুত্বপূৰ্ণ পথ প্ৰদৰ্শক হিচাপে বিবেচনা কৰা উচিত।

আজিৰ শিক্ষাৰ্থী কাইলৈ সমাজ আৰু দেশৰ মানৱ সম্পদ। তেওঁলোকৰ প্ৰতিভা আৰু সামৰ্থ্য সঠিক দিশত ব্যৱহাৰ কৰিব পাৰিলে ব্যক্তিৰ লগতে সমাজ আৰু দেশ লাভান্বিত হ'ব। সেয়েহে প্ৰতিজন শিক্ষাৰ্থীয়ে নিজৰ সামৰ্থ্য চিনাক্ত কৰি উপযুক্ত কেৰিয়াৰ বাছনি কৰাৰ বাবে সময়মতে সঠিক তথ্য আৰু পেছাদাৰী পৰামৰ্শ লাভ কৰাৰ সুযোগ পোৱাটো বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ দাবী।

ড° বুলজিৎ বুঢ়াগোহাঁই
আজাৰা, গুৱাহাটী

# কহুৱাৰ শুভ্ৰতাত শৰতৰ চিৰন্তন গান

ঋতু পৰিবৰ্তনৰ চিৰন্তন আৱৰ্তনে প্ৰকৃতিৰ বুকুলৈ কঢ়িয়াই আনে ৰূপ, ৰং আৰু সুবাসৰ অভিনৱ সম্ভাৰ। প্ৰতিটো ঋতুৰেই থাকে এক সুকীয়া বৈশিষ্ট্য, নিজস্ব ছন্দ আৰু মনপৰশা মাদকতা। গ্ৰীষ্মৰ প্ৰখৰ উত্তাপ আৰু বাৰিষাৰ ধাৰাসাৰ বৰষুণৰ অন্ত পেলাই ভাদ মাহে বিদায় লোৱাৰ পিছত অসম মাতৃৰ বুকুলৈ আগমন ঘটে আহিনৰ। আহিন মানেই সৌন্দৰ্যময় শৰতৰ পূৰ্ণ প্ৰতিষ্ঠা। নীলা আকাশৰ বুকুত শুকুলা মেঘৰ বিচৰণ, শেৱালিৰ আমোলমোল সুবাস, পুৱাৰ কোমল ৰ'দত দুবৰিৰ আগত মুকুতা হৈ জিলিকা নিয়ৰৰ টোপাল আৰু নৈৰ পাৰে পাৰে বতাহত হালি-জালি থকা শুভ্ৰ কহুৱা- এই সকলোবোৰ একাকাৰ হৈ সৃষ্টি কৰে এক অপূৰ্ব স্নিগ্ধ পৰিৱেশৰ। এনে এক মায়াময় ক্ষণতেই প্ৰকৃতি আৰু মানুহৰ মনোজগতৰ মাজত গভীৰ যোগসূত্ৰ ৰচিত হয়। অসমীয়া মানুহৰ বাবে শৰৎ কেৱল পঞ্জিকাৰ এটা নিৰ্দিষ্ট ঋতু নহয়। ই এক অনুভৱ, এক জীৱনধাৰা আৰু আমাৰ সামূহিক সাংস্কৃতিক জগতৰ জীৱন্ত দলিল।

শৰতৰ এই চিৰন্তন স্নিগ্ধতাৰ সৈতে অবিচ্ছেদ্যভাৱে জড়িত হৈ আছে নদীৰ পাৰৰ শুভ্ৰ কহুৱা। ব্ৰহ্মপুত্ৰ আৰু তাৰ উপনৈসমূহৰ বালিচৰ শুৱনি কৰি যেতিয়া কহুৱাই মূৰ তুলি নাচি উঠে, তেতিয়াই যেন ঘোষণা হয় শৰতৰ মহিমামণ্ডিত আগমনৰ। উদ্ভিদবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা কহুৱা (Saccharum spontaneum) এবিধ বহুবৰ্ষজীৱী ঘাঁহজাতীয় উদ্ভিদ হ'লেও, অসমীয়া সমাজ-জীৱনত ইয়াৰ পৰিচয় কেৱল উদ্ভিদৰ শ্ৰেণীবিভাজনৰ মাজতেই আৱদ্ধ হৈ থকা নাই। কহুৱা হৈ পৰিছে নদীমাতৃক অসমৰ এক চিনাকি ঋতুচিহ্ন, এক দৃশ্যকাব্য আৰু মানুহৰ বুকুত লহপহকৈ বাঢ়ি অহা আৱেগ। নৈৰ বতাহত হালি-জালি থকা কহুৱাৰ কোমল শুভ্ৰ পুষ্পমঞ্জৰীয়ে আমাৰ অন্তৰত তাহানিৰ চিনাকি গাঁওখনৰ মুকলি আকাশ আৰু ধূলিয়ৰি বাটৰ স্মৃতি সজীৱ কৰি তোলে।

অসমীয়া সাহিত্য আৰু সংগীতক যুগে যুগে সমৃদ্ধ কৰিছে শৰতৰ এই প্ৰাকৃতিক ঐশ্বৰ্যই। অসমীয়া সাহিত্যত ঋতু-বৰ্ণনাৰ পৰম্পৰা অতি প্ৰাচীন আৰু প্ৰাণৱন্ত। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'কীৰ্তন ঘোষা'ৰ ৰাস-ক্ৰীড়া খণ্ডত শাৰদীয় পূৰ্ণিমা নিশাৰ এক মনোমোহা প্ৰকৃতি-চিত্ৰ অংকিত হোৱাৰ লগতে তেওঁৰ অনন্য সৃষ্টি 'কেলি গোপাল' নাট সম্পূৰ্ণৰূপে শৰৎকালীন পটভূমিত ৰচিত, য'ত শাৰদীয় পূৰ্ণিমাৰ যমুনাৰ পাৰৰ প্ৰকৃতিৰ এক অপূৰ্ব নান্দনিক ৰূপ



লাভ কৰিছে। আনহাতে, ভাগৱতৰ দশম স্কন্ধতো গুৰুজনাই শৰতৰ ঋতুভিত্তিক পৰিৱৰ্তন আৰু প্ৰকৃতিৰ মনোমোহা ৰূপক সজীৱতাৰে তুলি ধৰিছে। একেদৰে তেওঁৰ অন্যান্য কালজয়ী কাব্য আৰু নাটৰ পাততো শৰতৰ নিৰ্মলতা অপূৰ্ব আধ্যাত্মিক আৰু নান্দনিক সৌন্দৰ্যৰে প্ৰকাশ পাইছে। তেওঁৰ সৃষ্টিত নিৰ্মল স্বচ্ছ জল, মেঘমুক্ত আকাশ আৰু ধৰাৰ স্নিগ্ধতা কেৱল বাহ্যিক দৃশ্যপট হৈ থকা নাই। বৰঞ্চ হৈ পৰিছে পৱিত্ৰতা, চিত্তশুদ্ধি আৰু শান্ত ৰসৰ বাহক। শংকৰদেৱৰ পৰৱৰ্তী সময়ৰ ৰোমাণ্টিক আৰু আধুনিক অসমীয়া কবিতাতো শৰতৰ এই ৰূপ সঘনে প্ৰতিফলিত হৈছে। কবিসকলৰ বাবে শৰৎ কেতিয়াবা প্ৰেম আৰু মিলনৰ ঋতু, কেতিয়াবা আকৌ গভীৰ বিৰহ, পুৰণি স্মৃতি আৰু ন-আশাৰ প্ৰতীক। প্ৰকৃতিৰ এনে বহুমাত্ৰিক অনুভৱক কাব্যিক স্তৰলৈ উন্নীত কৰাটোৱেই হৈছে অসমীয়া সাহিত্যৰ ঐতিহ্য।

সাহিত্যৰ এই ধাৰাটো সংগীতৰ জৰিয়তে মানুহৰ হৃদয়ৰ আটাইতকৈ কাষলৈ লৈ গৈছিল সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই। তেওঁৰ সৃষ্টিত নদী, মাটি, কহুৱা আৰু ঋতু কেৱল কবিতাৰ উপমা হৈ থকা নাছিল। সেয়া হৈ পৰিল সমাজ আৰু মানৱ জীৱনৰ সৈতে কথোপকথন কৰা একপ্ৰকাৰৰ সজীৱ প্ৰতীক। 'কহুৱা বন মোৰ অশান্ত মন' শীৰ্ষক গীতটোত কহুৱাৰ শুভ্ৰ ফুলৰ মাজত তেওঁ মানৱ মনৰ অস্থিৰতা, আশা, প্ৰেম আৰু সময়ৰ চিৰন্তন ক্ষণভঙ্গুৰতাক একাত্ম কৰি তুলিছে। সাধাৰণৰ মাজত অসাধাৰণক আৱিষ্কাৰ কৰাটোৱেই আছিল ড° হাজৰিকাৰ শিল্পীসত্তাৰ মৌলিক শক্তি। নদীৰ পাৰৰ নিঃসংগ কহুৱাডৰাক তেওঁ মানুহৰ অন্তৰ্দ্বন্দ্ব, সময়ৰ সোঁত আৰু অস্তিত্বৰ সংকট উপলব্ধি কৰাৰ এক শক্তিশালী মাধ্যম কৰি তুলিছিল। সেয়েহে কহুৱা অসমীয়া মননত কেৱল সৌন্দৰ্যৰ প্ৰতীক হৈ নাথাকি সময়ৰ ক্ষণস্থায়িত্বৰ মাজতো চিৰন্তনক ধৰি ৰখাৰ মানৱীয় সংগ্ৰামৰ প্ৰতীক হৈ পৰিল।

কহুৱা আৰু শৰতৰ এই আৱেদন আমাৰ কৃষিজীৱী সমাজখনৰ সৈতেও এৰাব নোৱাৰাকৈ জড়িত। অসমীয়া মানুহৰ দৈনন্দিন জীৱন প্ৰকৃতিৰ পৰা কেতিয়াও বিচ্ছিন্ন নাছিল। বৰষুণ, বানপানী, নদীৰ পলস আৰু ঋতু-চক্ৰৰ ওপৰত ভিত্তি কৰিয়েই গঢ় লৈ উঠিছিল আমাৰ গ্ৰাম্য জীৱনৰ অৰ্থনীতি আৰু সমাজনীতি। বাৰিষাৰ প্ৰলয়ংকৰী বান আৰু দুৰ্ভোগৰ পাছত যেতিয়া আহিনৰ প্ৰথম সূৰ্যটোৱে পথাৰত সোণালী ৰূপ লয়, তেতিয়া কৃষকে নতুন প্ৰাণ পায়। পথাৰত শালিধানৰ পাতবোৰ যেতিয়া শৰতৰ সমীৰণত দোলে, তেতিয়া নদীৰ পাৰৰ কহুৱাই মানুহৰ মনলৈ আশ্বস্ততাৰ বতৰা কঢ়িয়াই আনে। লোকগীতৰ ঐতিহ্যলৈ লক্ষ্য কৰিলে দেখা যায় যে, আমাৰ পূৰ্বপুৰুষসকলে বাৰটা মাহক কেৱল দিন-বাৰৰ অংকৰে জুখি চোৱা নাছিল। প্ৰতিটো মাহৰ বতাহ, বৰষুণ, ফুল আৰু পখীৰ মাতৰ মাজেৰে তেওঁলোকে জীৱনৰ ছন্দ আৱিষ্কাৰ কৰিছিল। আকাশৰ ৰং আৰু নদীৰ গভীৰতা চাই ঋতুৰ আগজাননী লোৱাৰ যি লোকজ্ঞান, সেয়া অতীতৰ অসমীয়া সমাজৰ পৰ্যবেক্ষণশীলতাৰ উজ্জ্বল নিদৰ্শন হৈ পৰিছিল।

দৰাচলতে শৰৎ হ'ল আমাৰ মিলনৰ আৰু সামূহিক আনন্দৰ ঋতু। এই ঋতুতেই আধ্যাত্মিক আৰু সামাজিক চেতনাৰ মহামিলন ঘটে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ আৱিৰ্ভাৱ মহোৎসৱৰ পৰা আৰম্ভ কৰি শাৰদীয় দুৰ্গোৎসৱলৈকে- সকলোতে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী একত্ৰিত হয়। বৈষ্ণৱ সত্ৰ আৰু নামঘৰৰ ডবা-শংখ আৰু খোল-তালৰ ধ্বনিয়ে যেনেকৈ আহিনৰ আকাশ পৱিত্ৰ কৰি তোলে, তেনেকৈ শাৰদীয় উৎসৱৰ আলোকসজ্জাই সমাজৰ মাজত ঐক্য আৰু সম্প্ৰীতিৰ বাৰ্তা বিলাই দিয়ে। বাহ্যিক আড়ম্বৰৰ উৰ্ধ্বত এই উৎসৱসমূহৰ প্ৰধান তাৎপৰ্য হ'ল সামূহিক স্মৃতিৰ পুনৰুজ্জীৱন আৰু পাৰস্পৰিক সৌহাৰ্দ্য।



নলিনী ৰঞ্জন ভূঞা

কিন্তু আজিৰ শৰতৰ সৌন্দৰ্যক উপভোগ কৰাৰ সমান্তৰালভাৱে আমাৰ সন্মুখত এক গভীৰ পাৰিৱেশিক আৰু অস্তিত্বৰ প্ৰশ্ন আহি পৰিছে। আধুনিক নগৰীকৰণ, অবাধ ঔদ্যোগিকীকৰণ আৰু কংক্ৰিটৰ সম্প্ৰসাৰণে আমাৰ নদীৰ পাৰ, পিতনি আৰু মুকলি চৰ-চাপৰিসমূহ ক্ৰমাৎ নিঃশেষ কৰি আনিছে। এসময়ত যিবোৰ নদীৰ দাঁতিত দিগন্ত বিস্তৃত কহুৱাৰ শুভ্ৰ সমুদ্ৰই লহৰিয়াই আছিল, আজি সেইবোৰ স্থান বেদখল, বালি খনন আৰু আৱৰ্জনাৰ তলত জাহ গৈছে। নদীৰ প্ৰাকৃতিক গতিপথ সলনি হোৱা আৰু জলাশয়সমূহ সংকুচিত হোৱাৰ লগে লগে কহুৱাৰ প্ৰাকৃতিক আৱাসস্থলীও দ্ৰুতগতিত ধ্বংস হৈছে। আজিৰ নতুন প্ৰজন্মৰ বহু শিশুৰ বাবে কহুৱা, শেৱালিৰ সুবাস কিম্বা নদীৰ পাৰৰ স্নিগ্ধ শৰৎ হয়তো কেৱল পাঠ্যপুথি আৰু ডিজিটেল পৰ্দাৰ শব্দ হৈ পৰাৰ লেখিয়া হৈছেগৈ।

কহুৱাক সংৰক্ষণ কৰাৰ অৰ্থ কেৱল এটা বিশেষ ঘাঁহজাতীয় উদ্ভিদক সুৰক্ষা দিয়া নহয়। ইয়াৰ অৰ্থ হ'ল নদীৰ পাৰৰ জৈৱ-বৈচিত্ৰ্য, জলাশয়, মুকলি মাটি আৰু নদী উপত্যকাৰ স্বাভাৱিক পৰিৱেশতন্ত্ৰক ৰক্ষা কৰা। কহুৱা ফুলিবলৈ যি পলসুৱা মাটি আৰু মুকলি বতাহৰ প্ৰয়োজন, সেই প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হ'লে এদিন কহুৱাৰ লগে লগে অসমৰ নদীকেন্দ্ৰিক সংস্কৃতিও অৱলুপ্ত হ'ব। প্ৰকৃতি সুৰক্ষিত নাথাকিলে আমাৰ কবিতাৰ উপমা, লোকগীতৰ সুৰ আৰু সুধাকণ্ঠৰ সৃষ্টিৰ প্ৰাণস্পন্দন ভৱিষ্যতৰ বাবে অৰ্থহীন প্ৰহেলিকাত পৰিণত হ'ব।

শৰতৰ সৌন্দৰ্যই মানুহক নীৰৱে জীৱনৰ ক্ষণস্থায়িত্বৰ শিক্ষাও দিয়ে। কহুৱা ফুল ফুলে, বতাহত হালি-জালি কিছু দিনৰ পাছতেই সৰি পৰে। আহিন গৈ কাতি আহে, কাতিৰ পাছত আঘোণৰ পকা ধানে পথাৰ ভৰি পৰে। এই পৰিৱৰ্তনশীলতাই আমাক সোঁৱৰাই দিয়ে যে কোনো দৃশ্যই স্থায়ী নহয়। কিন্তু সৃষ্টিশীল চিন্তা আৰু প্ৰকৃতিৰ প্ৰতি থকা দায়িত্ববোধে আমাৰ আত্মাক চিৰন্তন ধৰি ৰাখে। সেয়েহে শৰৎ আহিলে নীলা আকাশলৈ চাই আনন্দ উপভোগ কৰাৰ সমান্তৰালভাৱে আমি নিজৰ অন্তৰখনকো প্ৰশ্ন কৰা উচিত- আমি প্ৰকৃতিৰ এই অনবদ্য উপহাৰক ভৱিষ্যতৰ বাবে কিমানদূৰ সংৰক্ষণ কৰি ৰাখিব পাৰিছোঁ?

পৰিশেষত ক'ব পাৰি যে, আহিন আকৌ আহিব। নিয়ৰসিক্ত শেৱালি ফুলিব আৰু কোনোবা নৈৰ বুকু শুৱনি কৰি কহুৱাবোৰেও বতাহৰ তালে তালে নৃত্য কৰিব। কিন্তু সেই সৌন্দৰ্য কেৱল এখন চিত্ৰ হৈ ৰোৱাৰ পৰিৱৰ্তে আমাৰ অস্তিত্বৰ অংশ হৈ ৰ'ব লাগিব। কহুৱাৰ শুভ্ৰতাৰ মাজত প্ৰতিফলিত হৈ থাকক আমাৰ নদী, আমাৰ শ্ৰমজীৱী মানুহৰ সপোন আৰু ঐতিহ্যৰ স্বাভিমান। কহুৱা ফুলক, নদীৰ পাৰবোৰ সেউজীয়া আৰু শুভ্ৰ হৈ থাকক, আৰু সেই নীলা আকাশৰ তলত মানুহ, প্ৰকৃতি আৰু স্মৃতিৰ মিলনৰ চিৰন্তন শৰতৰ গানটো যুগে যুগে অক্ষুণ্ণ হৈ বাজি থাকক। এই মুহূৰ্তত আমি প্ৰতিজন অসমীয়াই এই কামনাকে কৰা উচিত।

# শৰৎ আৰু অসমীয়া চেতনা

প্ৰকৃতিৰ বুকুত যেতিয়া মৌনতা আৰু উল্লাসৰ এক অপূৰ্ব মিলন ঘটে, তেতিয়াই ধৰাৰ বুকুলৈ নামি আহে শৰৎ। শৰৎ মানেই কেৱল এটা ঋতুগত পৰিৱৰ্তন নহয়; অসম আৰু অসমীয়াৰ বাবে ই হ'ল হৃদয়ৰ অতল স্পৰ্শ কৰা এক নান্দনিক আৰু আধ্যাত্মিক জাগৰণ। বাৰিষাৰ বাঢ়নী পানীৰ উত্তাল তৰংগ আৰু আকাশৰ ক'লীয়া মেঘৰ কান্দোন শেষ হোৱাৰ পিছতেই নীলিম আকাশৰ বুকুত ভাঁহি উঠে কপাহ কোমল শুকুলা মেঘ। নদীৰ পাৰে পাৰে কঁহুৱাৰ মৃদু বতাহ, পুৱাৰ নিয়ৰসিক্ত শেৱালিৰ সুগন্ধ আৰু বেলিৰ সোণোৱালী কিৰণত উজলি উঠা নিয়ৰকণাই জনাই দিয়ে যে ধৰালৈ শৰৎ আহিল। এই শৰতে অসমীয়াৰ লোকজীৱন, সাহিত্য, আধ্যাত্মিক পৰম্পৰা আৰু সামাজিক সত্তাত এনে এক গভীৰ ৰেখাপাত কৰে, যাৰ তুলনা বিশ্বৰ আন কোনো সাংস্কৃতিক ভূগোলতেই হয়তো বিচাৰি পোৱা নাযায়। শৰৎ যেন অসমীয়া মননৰ আটাইতকৈ কাব্যিক, ৰোমাণ্টিক অথচ চিন্তা-উদ্দীপক দাপোণ।



চন্দন কুমাৰ নাথ

অসমৰ ভৌগোলিক আৰু প্ৰাকৃতিক পটভূমিত শৰতৰ আৱিৰ্ভাৱ এক গভীৰ আশ্বাসেৰে চিহ্নিত। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বাৰিষাৰ প্ৰলয়ংকাৰী বানৰ যন্ত্ৰণাৰ পিছত শৰতে কঢ়িয়াই আনে এক শান্তিদূতৰ প্ৰলেপ। শেহতীয়া জলবায়ু পৰিৱৰ্তনৰ প্ৰেক্ষাপটত বিভিন্ন পৰিৱেশ গৱেষণা প্ৰতিবেদনে আঙুলিয়াই দিছে যে ঋতুচক্ৰৰ বিলম্বিত গতি আৰু গোলকীয় উষ্ণতাৰ বাবে এতিয়া শৰতৰ সময়সীমা আৰু স্বভাৱত কিছু পৰিৱৰ্তন ঘটিছে; তথাপি অসমীয়াৰ মনোজগতত শৰতৰ চিৰন্তন ৰূপটো আজিও অপৰিৱৰ্তিত। নদীৰ চৰ-চাপৰি আৰু বালিচন্দাত যেতিয়া কঁহুৱাৰ শুভ্ৰ আৱৰণ বিয়পি পৰে, তেতিয়া নদীমাতৃক অসমীয়া সমাজৰ মনত জাগি উঠে প্ৰাচীন স্মৃতিৰ আলোড়ন। লক্ষ্মীনাথ বেজবৰুৱা, ৰঘুনাথ চৌধাৰী, অতুলচন্দ্ৰ হাজৰিকাৰ পৰা আৰম্ভ কৰি ভূপেন হাজৰিকালৈকে প্ৰতিজন স্ৰষ্টাৰ সৃষ্টিত এই কঁহুৱা আৰু শৰতৰ আকাশ হৈ পৰিছে মানৱীয় আৱেগ আৰু বিৰহ-মিলনৰ চিৰন্তন প্ৰতীক। ভূপেন হাজৰিকাৰ কালজয়ী কণ্ঠত বাজি উঠা "কঁহুৱা বন মোৰ অশান্ত মন, আলফুল হাতেৰে লোৱা সাবটি" গানটো কেৱল এটি গীত নহয়, ই প্ৰকৃতিৰ সৈতে অসমীয়াৰ আত্মীয়তাৰ এক অপূৰ্ব স্বীকাৰোক্তি। শৰতৰ ৰোমাণ্টিকতাই অসমীয়া সমাজক যিদৰে প্ৰেম আৰু সৌন্দৰ্যবোধেৰে উদ্ভাসিত কৰে, ঠিক সমানেই ই সমাজখনক বান্ধি ৰাখে গভীৰ আধ্যাত্মিকতা আৰু সম্প্ৰীতিৰ সূতাৰে। অসমৰ জাতীয় আৰু আধ্যাত্মিক ইতিহাসলৈ চালে দেখা যায় যে শৰতেই হ'ল মহাপুৰুষীয়া ভক্তি আন্দোলনৰ অন্যতম কেন্দ্ৰবিন্দু। ভাদ মাহৰ নাম-প্ৰসংগ আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ তথা শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথিৰে আৰম্ভ হোৱা শৰতৰ আধ্যাত্মিক যাত্ৰাই অসমীয়াৰ মন-মগজুক পৱিত্ৰতাৰে সিক্ত কৰে। গাঁৱে গাঁৱে নামঘৰৰ পৰা ভাঁহি অহা বৰগীত আৰু ডবা-কাঁহৰ ধ্বনিয়ে শৰতৰ নিস্তব্ধ পুৱা আৰু গধূলিবোৰক এক দিব্য অনুভৱলৈ ৰূপান্তৰিত কৰে। গৱেষণামূলক দৃষ্টিৰে বিশ্লেষণ কৰিলে দেখা যায়, অসমীয়া সমাজৰ নামঘৰকেন্দ্ৰিক ঐক্য আৰু শৰতৰ শান্ত জলবায়ুৰ মাজত এক গভীৰ মানসিক সামঞ্জস্য আছে। বাৰিষাৰ কৰ্মব্যস্ততা আৰু প্ৰকৃতিৰ সংগ্ৰামৰ অন্তত শৰতে মানুহৰ মনলৈ আনে আত্মবিশ্লেষণ আৰু ভগৱত-চিন্তাৰ অপূৰ্ব অৱকাশ।

ইয়াৰ লগে লগেই শৰতৰ বোকোচাত উঠি আহে দেৱী বন্দনাৰ উৎসৱ শাৰদীয় দুৰ্গোৎসৱ। কামৰূপ-কামাখ্যাৰ প্ৰাচীন শক্তিপীঠৰ ঐতিহ্যৰে সমৃদ্ধ অসমত দুৰ্গাপূজা কেৱল এটা ধৰ্মীয় আচাৰ হৈ থকা নাই; ই পৰিণত হৈছে এক বৃহত্তৰ সামাজিক উৎসৱলৈ। শেহতীয়া বছৰসমূহত পৰিৱেশ সচেতনতাৰ দিশত অসমৰ সমাজ জীৱনত লক্ষণীয় পৰিৱৰ্তন আহিছে। গুৱাহাটীৰ পৰা শিলচৰলৈকে বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি মাটিৰ প্ৰতিমা নিৰ্মাণত জৈৱিক ৰং আৰু প্ৰাকৃতিক



সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি পোৱাটোৱে প্ৰমাণ কৰে যে প্ৰকৃতিৰ লগত সমাজৰ সৌহাৰ্দ্য অক্ষুণ্ণ ৰখাৰ বাবে নৱপ্ৰজন্ম সজাগ হৈছে। বৰ্ণিল আলোকসজ্জা, ঢোলৰ ছন্দ আৰু কঁহুৱাৰ নৃত্যৰ মাজত অনুষ্ঠিত হোৱা এই উৎসৱে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে একাত্ম কৰে। শাৰদীয় পূজাই অসমৰ পাহাৰ-ভৈয়াম আৰু চহৰ-গাঁৱৰ মাজত থকা সামাজিক দূৰত্ব আঁতৰাই সমন্বয়ৰ এক গভীৰ বাৰ্তা বিলোৱাত সদায় মুখ্য ভূমিকা পালন কৰি আহিছে।

কৃষিভিত্তিক অসমীয়া অৰ্থনীতি আৰু গ্ৰাম্য জীৱনত শৰতৰ তাৎপৰ্য অনন্য। আহিন আৰু কাতি মাহৰ সন্ধিক্ষণত অসমীয়া সমাজে উদযাপন কৰে কঙালী বা কাতি বিহু। বাৰিষাৰ কঠোৰ শ্ৰমৰ অন্তত পথাৰৰ সেউজীয়া ধাননিডৰাত যেতিয়া ফুল ওলাই পকাৰ দিশে অগ্ৰসৰ হয়, তেতিয়া ভঁৰাল উদং হৈ অহাৰ আশংকাতো খেতিয়কৰ মনত জাগি উঠে আশাৰ ৰেঙণি। তুলসীৰ তলত আৰু পথাৰৰ মাজত জ্বলাই দিয়া মাটিৰ চাকিটো কেৱল কীট-পতংগ নিবাৰণৰ বিজ্ঞানসন্মত উপায়েই নহয়, ই হ'ল অন্ধকাৰ আৰু অভাৱৰ বিৰুদ্ধে মানুহৰ চিৰন্তন সংগ্ৰাম আৰু প্ৰাৰ্থনাৰ প্ৰতীক। শেহতীয়াকৈ ক্ৰমবৰ্ধমান নগৰীকৰণৰ মাজতো কাতি বিহুৰ এই পৰম্পৰাই আধুনিক সমাজক মাটিৰ সৈতে সংযোগ কৰি ৰাখিছে। পথাৰৰ আলিয়ে আলিয়ে বতাহত দোল খাই থকা গাভিনী ধানৰ পাতৰ সুবাস আৰু নিয়ৰসিক্ত পথাৰৰ মাজত চাকিৰ পোহৰৰ তিৰবিৰণি, এই সকলোৰে মিলি সৃষ্টি কৰে এক গভীৰ কাব্যিক বিষাদ আৰু প্ৰত্যাশাৰ সংমিশ্ৰণ, যি কেৱল অসমীয়া জীৱনশৈলীতহে অনুভৱ কৰিব পাৰি।

শৰতৰ নিশাৰ আকাশখনো কম আকৰ্ষণীয় নহয়। পূৰ্ণিমাৰ জোনাক নিশা যেতিয়া কুঁৱলীৰ পাতল চাদৰখন ভেদ কৰি জোনৰ কিৰণ নামি আহে, তেতিয়া নদীদ্বীপ মাজুলীৰ পৰা নামনি অসমৰ সত্ৰসমূহলৈ নামি আহে শ্ৰীকৃষ্ণৰ মহাৰাসৰ অপাৰ আনন্দ। শৰতৰ ৰাস মহোৎসৱ কেৱল ভগৱান আৰু ভক্তৰ মিলনৰ উৎসৱ নহয়, ই অসমৰ নাট্য আৰু সংগীত পৰম্পৰাৰ সৰ্বোচ্চ বিকাশ। হাজাৰ হাজাৰ দৰ্শক আৰু সাধাৰণ মানুহে যেতিয়া শীতৰ প্ৰথম পৰশ লৈ নিশাৰ পিছত নিশা সাৰে থাকি ৰাসলীলা উপভোগ কৰে, তেতিয়া শৰতৰ নিশা হৈ পৰে প্ৰেম আৰু আধ্যাত্মিকতাৰ এক অনন্য কলাতীৰ্থ। অসমৰ এই ৰাস সংস্কৃতিয়ে আধুনিক পৰ্যটন আৰু সাংস্কৃতিক অৰ্থনীতিতো এক সুকীয়া স্থান দখল কৰিছে, যাৰ বাবে প্ৰতিবছৰে দেশ-বিদেশৰ হাজাৰ হাজাৰ গৱেষক আৰু পৰ্যটক এই সময়ছোৱাত অসমলৈ ঢাপলি মেলে। শৰতৰ এই বহুমাত্ৰিক সৌন্দৰ্যই আমাৰ চিন্তা আৰু আৱেগক আজিও গভীৰভাৱে আন্দোলিত কৰে। পুৱাৰ কহুৱাৰ শুভ্ৰতাৰ পৰা গধূলিৰ তুলসী তলৰ স্নিগ্ধ শিখালৈকে, শৰতৰ প্ৰতিটো উপাদানতেই নিহিত হৈ আছে অসমীয়া জীৱনৰ সহজ-সৰল অথচ উচ্চ মাৰ্গৰ জীৱন-বোধ। আধুনিকতাৰ দ্ৰুত ধাৱমান যান্ত্ৰিক জীৱনত মানুহ যেতিয়া প্ৰকৃতিৰ পৰা বিচ্ছিন্ন হৈ নিঃসংগতাত ভোগে, তেতিয়া এই শৰতেই মানুহক পুনৰাই মাতি আনে হৃদয়ৰ চোতাললৈ। নিয়ৰত তিতা শেৱালি ফুল বুটলি থকা কণমানিটোৰ আনন্দ অথবা পথাৰৰ ধাননি চাই তৃপ্তিৰ হাঁহি মৰা কৃষকজনৰ চকুত জিলিকি থকা সপোন, এই সকলোবোৰ শৰতৰেই দান। শৰৎ কেৱল ধৰাৰ এটা ঋতু নহয়, ই অসমীয়াৰ জাতীয় অস্তিত্বৰ এটা উজ্জ্বল শ্লোক। ই বাৰিষাৰ দুৰ্যোগৰ পিছত মানুহক পুনৰ থিয় হোৱাৰ সাহস দিয়ে, অভাৱৰ মাজতো সংস্কৃতি আৰু ভক্তিৰে জীয়াই থকাৰ মন্ত্ৰ শিকায়, আৰু মানুহৰ মাজত নিঃস্বাৰ্থ প্ৰেম আৰু ভাতৃত্ববোধৰ সৃষ্টি কৰে। বতাহত উৰি ফুৰা কঁহুৱাৰ শুভ্ৰ আঁহবোৰৰ দৰেই শৰতে সমাজৰ সকলো বিভেদ, মলিনতা আৰু সংকীৰ্ণতা আঁতৰাই অসমীয়াৰ হৃদয়খন নিৰ্মল কৰি থৈ যায়। যেতিয়ালৈকে অসমৰ বুকুত লুইত বৈ থাকিব আৰু নদীৰ কাষত কঁহুৱা ফুলিব, তেতিয়ালৈকে শৰতৰ এই কবিতা আৰু প্ৰেম অসমীয়া মানসৰ চিৰযুগমীয়া শক্তি হৈ জ্যোতিষ্মান হৈ ৰ'ব।

# মোহনীয় কঁহুৱা

আল্পনা দলে

আহিন মানেই শৰৎ। শৰৎ মানেই কঁহুৱা। প্ৰতি বছৰেই প্ৰকৃতিৰ নিয়ম মানি ঋতু ৰাণী শৰৎ আহে। শৰতৰ আকাশত ডাৱৰবোৰে লাহে লাহে মেলানি মাগে। ফৰকাল আকাশত তৰাবোৰে তিৰবিৰাই আকাশ খনত হাঁহি থাকে। কঁহুৱাৰ লগত নৈপৰীয়া মানুহৰ বহু যুগ যুগৰ সমন্ধ আছে। নৈ পাৰতেই বহুত জাতি- উপজাতিৰ উথান-পতন হৈছে। ধনশিৰিমুখৰ ব্ৰহ্মপুত্ৰৰ কাষে কাষে আপোন মনে শুকুলা ফুল মেলি জাতিস্কাৰ হৈ থকা কঁহুৱাৰ নান্দনিক দৃশ্যই শৰৎ কালত সকলোৰে মন মুহি পেলায়। ৰিব্‌ৰিব্ মলয়াৰ বা লাগি নদী পাৰৰ কঁহুৱা ফুলৰ মিঠা মিঠা খিলখিল হাঁহি। নাচোনত চিত ব্যাকুল হৈ পৰে ওচৰৰ অনুভৱী মনৰ ডেকা-গাভৰুৰ মন। নৈৰ পাৰে পাৰে স্মৃতিৰ কঁহুৱা বন। যৌৱনৰ ক'ত উজাগৰী নিশা পাৰ কৰিছোঁ, বিষাদৰ শেষ নোহোৱা ৰাতি। লহৰত ৰাতি সপোন ভাগে। ৰাগীত মন উন্মনা। আহিনৰ কোমল জোনাক ৰাতি নদী পাৰৰ লাস্যময়ী কঁহুৱাই মন ব্যাকুল কৰে। কঁহুৱা ফুলে আমাক প্ৰকৃতিৰ অনন্য সৌন্দৰ্য্যৰে বিস্মিত কৰে। নদীৰ পাৰত কঁহুৱাই মায়াময় প্ৰতিচ্ছবি আঁকে। নৈৰপাৰ অথবা জান-জুৰিৰ দাতিকাষৰীয়া নতুবা ছন পৰি থকা পথাৰত আপোনভোলা হৈ কঁহুৱাই মলয়া বতাহৰ সৈতে ছন্দোবদ্ধ হৈ হালিজালি নাচি থাকে। নৈ, জান, বিলৰ পাৰত স্বাভাৱিকভাবেই গজি উঠা কঁহুৱাবোৰে প্ৰকৃতিক অনন্য ৰূপত সজাই তোলে। পূজা-পাৰ্বণত অব্যৱহৃত কঁহুৱা ফুলে মন জুৰায়। কঁহুৱাৰ নাচোন দেখি নীলা আকাশৰ বুকুত ভাহি ফুৰা শুকুলা মেঘৰ টুকুৰাবোৰে মনলৈ বিৰহ কঢ়িয়াই আনে। ৰূপ-সুধাৰে জাতিস্কাৰ হৈ থকা এই ফুলৰ বেদনা কোনে বুজিব? শৰতৰ স্নিগ্ধ পুৱা কোমল কঁহুৱা ফুলে মন নিচুকাই। কঁহুৱাই আমাক স্মৃতিকাতৰ কৰি শৈশৱৰ সেই কঁহুৱা বনৰ মাজত গৰু চৰোৱাদিনৰ মাদকতালৈ ঘূৰাই নিয়ে। শৈশৱৰ স্মৃতি আৰু শাৰদীয় উৎসৱৰ আনন্দবোৰলৈ আমি ঘূৰিযাওঁ। এইয়াই মোহনীয় শৰতৰ কঁহুৱাৰ সৌৰভ, সৌন্দৰ্য, কৃতিত্ব আৰু মাধুৰ্য।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতত বিচাৰি পোৱা যায় শৰতৰ শাৰদী ৰাণীৰ সৈতে কঁহুৱাৰ প্ৰেমগাথা। তেওঁ কণ্ঠদান কৰা ঋতুকেন্দ্ৰিক গীতবোৰ কেৱল হৃদয়স্পৰ্শীয়েই নহয়, তাত অনন্য ৰূপত প্ৰতিফলিত হৈছে ঋতুৰ মায়াভৰা আবেগ। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতত আছে— কঁহুৱা বন মোৰ অশান্ত মন/ আলফুল হাতেৰে লোৱা সাবটি....। এই কালজয়ী গীত শুনি চাংঘৰত বহি শৰতৰ নিৰ্মল আকাশৰ কঁহুৱা ফুললৈ চাই চাই হেঁপাহ নপলায়। স্নিগ্ধ জোনাকত সদ্যস্নাতা শাৰদী ৰাণী আলফুলকৈ আহে। প্ৰকৃতিৰ নিয়ম মানিয়েই কহুঁৱাই নিজস্ব শৈলিৰে শুকুলা মেঘৰ আঁচল মেৰিয়াই, মূৰত কুঁৱলীৰ ওৰণি টানি, লাজুকী কন্যা খোজেৰে নিয়ৰৰ মুকুতা পিন্ধি, স্নিগ্ধ জোনাকৰ হাঁহিৰে, শ্যামলী সাজেৰে নাচি নাচি নৈপৰীয়া ৰাইজক শৰতৰ বাতৰি দিয়ে। নিয়ৰসিক্ত দুবৰিৰ দলিচাৰে বাট বুলি, কঁহুৱাৰ সৈতে নাচি নাচি শাৰদী ৰাণী ধাৰালৈ আহে। কঁহুৱালৈ চাই চাই আহিনৰ পথাৰখনো হালি-জালি সেউজীয়া হৈ পৰে। ছন্দোময় হৈ নাচিবাগি কঁহুৱা ফুলবোৰ যৌৱনপ্ৰাপ্ত হয়। কঁহুৱাৰো শৰতৰ সৈতে আছে প্ৰেমৰ আকুলতা। প্ৰেমস্পদৰ আগমনত অশান্ত মনে কেতিয়াবা আলাপত মিলিত হয় শুভ্ৰ মেঘৰ স'তে, কেতিয়াবা মলয়া বতাহৰ সৈতে আলাপ কৰে। লাস্যময়ী লাজুকী কঁহুৱাই শাৰদীয় বতাহৰ তালে তালে জোনাক নিশা হাউলি হাউলি ঝুমুৰ নাচে। প্ৰকৃতিপ্ৰেমী, চিত্ৰশিল্পী, কবি, গীতিকাৰ, ঔপন্যাসিক সকলোৰে মায়াময় কঁহুৱাৰ মায়াত যেনবন্দী। সন্মোহনী কঁহুৱা ফুলৰ পৰা কল্পনাপ্ৰৱন আৰু সৃষ্টিশীল লোকো সাৰি নাযায়। শৰতৰ কুঁৱলীৰ আৱেশ আৰু কঁহুৱাৰ লয়লাস নৃত্যই প্ৰিয়জনক সোঁৱৰাই। কঁহুৱাৰ কোমল হাঁহিয়ে মন জুৰায়।

দোকমোকালিতে কঁহুৱাত পৰি থকা নিয়ৰৰ মুকুতাৰ জিলিকনিয়ে মন পুলকিত কৰে। হাউলি হাউলি আবেশ সনা চাৱনি। লাজতে মুৰ দাঙি চাবই নোখোজে চোন। লাস্যময়ী কঁহুৱাৰ প্ৰেমত পৰিয়ে পাৰ্বতিপ্ৰসাদ বৰুৱাই লিখা এই গীতটি ড° ভূপেন হাজৰিকাৰ কণ্ঠত প্ৰাণ পাই উঠিছিল। "তোমাৰ উশাহ কঁহুৱা কোমলশেৱালি কোমল হাঁহিহাঁহিয়ে হৃদয় হৰিলে শুনাই/"

নতুন প্ৰজন্মৰ হাৰ্টথ্ৰব সাম্প্ৰতিক সময়ৰ শ্ৰেষ্ঠ অসমীয়া সংগীত শিল্পী সদ্য প্ৰয়াত জুবিন গাৰ্গৰ কণ্ঠই কেইবাটাও গীতেৰে শৰতক মহিমাময় কৰি তুলিছিল। শৰতৰে এটি সমেকা ৰাতি/ শুনিছো নিয়ৰৰ ৰুণ-জুন। আন এটি গীতেৰে শৰতক মাহিমা মন্দিত কৰিছে। আহিনৰ আকাশ কেনভাছ/ কঁহুৱাৰ নাচোন/ তোমাৰ আগমনে শুকুলা বনত। সোঁৱৰি থাকিম পুৱা-গধূলি অমানিশা দূৰ কৰি। মধুময় আৱেগিক আবেলি কঁহুৱাৰ সান্নিধ্যই আজিও বুকুখন কঁপাই তোলে। এৰিথৈ অহা স্মৃতিৰ মোহক কেতিয়াবা নিজান সময়ত সাবটি বহুপৰ জলকা মাৰি থাকোঁ।

*লেখিকাৰ ঠিকনা ঃ গুৱাহাটী (নাৰেংগী), বীৰকুছি*

# শাৰদীয় চিন্তা

নিবেদিতা হাজৰিকা

শৰৎ হ'ল ঋতু ৰাণী। গ্ৰীষ্ম, বৰষা ঋতুৰ অন্তত ধৰাৰ বুকুলৈ শৰৎ কাল নামি আহে। নিৰ্মল আকাশৰ স্নিগ্ধ জলবায়ু, শেৱালি ফুলৰ মৃদু মিঠা সুবাসে শৰতক কৰি তোলে মোহময়ী। গ্ৰীষ্মৰ তিক্ততা পাহৰাই মনবোৰ কৰি তোলে শীতল। বতৰ হৈ পৰে ক্ৰমাৎ ফৰকাল আৰু আৰম্ভ হয় শীতৰ।

শৰৎ কাল মানেই যেন বিভিন্ন উৎসৱৰ আৰম্ভণি। বৰ্ষাৰ ক্লেদাক্ত দিনবোৰৰ অন্ত পেলাই মানুহৰ বিৰক্ত হৈ পৰা, অৱস হৈ পৰা মনবোৰত ৰং সানে এই শৰৎ ঋতুৱে। সেয়ে উৎসৱ প্ৰেমী লোক সকলে শৰৎ ঋতুৰ আগমনলৈ অধীৰ আগ্ৰহেৰে বাট চাই থাকে।

শৰৎ কালতেই হয়তো বছৰটোৰ সৰ্বাধিক উৎসৱ উদ্‌যাপিত হয়। ইয়াৰ ভিতৰত দুৰ্গা পূজা অন্যতম। উত্তৰ পূৰ্বাঞ্চলত পুৰাণ যুগৰ পৰাই দুৰ্গা পূজা উদ্‌যাপিত হৈ আহিছে। এই পূজাৰ প্ৰচলন বিপুল ভাৱে সমাদৃত। সাম্প্ৰতিক কালত অসম তথা পশ্চিম বঙ্গত অতি বিস্তৃত ভাৱে দুৰ্গা পূজা পালন কৰা হয়। দিনক -দিনে দুৰ্গা পূজাৰ পয়োভৰ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। উৎসৱ প্ৰেমী, ধাৰ্মিক লোক সকলৰ বাবে এই পূজাৰ মান্যতা আৰু গুৰুত্ব খুবেই বেছি। কিন্তু দুৰ্গোৎসৱ আদি পালনৰ নামত যি সামাজিক সমস্যাৰ সৃষ্টি হয় বা হ'ব ধৰিছে সেই বিষয়ত কিমানজন ব্যক্তি সচেতন? পূজাৰ আধ্যাত্মিক দিশতকৈ ইয়াৰ বাহ্যিক আড়ম্বৰৰ প্ৰভাৱে সমাজত যে অপ সংস্কৃতি সৃষ্টিৰে মানুহক ব্যতিব্যস্ত কৰি তুলিছে বা অসুবিধাৰ সৃষ্টি কৰিছে সেই কথাৰ খবৰ কিমান জনে ৰাখিছে? এই ধৰণৰ বিষয়ত সমাজৰ কিমানজন ব্যক্তি সজাগ আৰু সচেতন? শাৰদীয় দুৰ্গা পূজাৰ আগমনত যাতে সমাজৰ তথা জগতৰ কল্যাণ সাধন হয় সেই বিষয়ত হে আমাৰ মনবোৰ প্ৰবৃষ্ট হোৱা উচিত আছিল। কিন্তু প্ৰতিটো উৎসৱৰ আঁৰত থকা আধ্যাত্মিকতাৰ দিশটোৰ বিষয়ে বহুতে গুৰুত্ব আৰোপ কৰাৰ বিপৰীতে, ইয়াৰ গূঢ়াৰ্থ অনুধাৱন কৰাৰ বিপৰীতে বাহ্যিকতাৰ প্ৰতিহে বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হয়। আধ্যাত্মিক দিশটো আওকাণ কৰি পালন কৰা উৎসৱৰ মহত্ত্ব বুজিবলৈ এই সকল ব্যক্তিৰ অৱকাশ আছেনে?

শ্ৰীমন্ত শঙ্কৰদেৱৰ নৱ বৈষ্ণৱ আন্দোলনে সৃষ্টি কৰা জনজাগৰণৰ ফলত অসমত পুৰণি কালত দুৰ্গাপূজাৰ বিশেষ পয়োভৰ নাছিল। কিন্তু সম্প্ৰতি দিনক -দিনে ই আমাৰ ৰাজ্যতো সৰ্বজনীন উৎসৱৰ নিচিনা হৈ পৰিল। দুৰ্গাপূজাৰ মাংগলিক কৰ্মৰ জৰিয়তে দেৱীক আৰাধনা কৰি ভক্ত সমাজে নাৰীৰ মহত্বকে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰি আহিছে। কিন্তু দুখৰ বিষয় মাটিৰ প্ৰতিমাক যিদৰে এই কেইদিন পূজা-অৰ্চনা কৰা হয় জীৱন্ত নাৰী মূৰ্তিয়ে কিন্তু আজি কোপতি সেই আদৰ, শ্ৰদ্ধা, সন্মান আদি পোৱা নাই। নাৰী আমাৰ দেশত পূজিতা নহয়। দৈনিক কিমান নাৰী পুৰুষৰ হাতত নিৰ্যাতিত হৈ আহিছে ইয়াৰ খবৰ পুৰুষতান্ত্ৰিক সমাজত কিমান জনে ৰাখিছে? ধৰ্মীয় চিন্তা-চেতনাৰ পৰা ফালৰি কাটি, আধ্যাত্মিক চিন্তা-চৰ্চা ৰহিত এতিয়াৰ পূজা বজাৰ অৰ্থনীতিৰ সৈতে সংপৃক্ত হৈ দুৰ্গা পূজা হৈ পৰিছে পণ্য সামগ্ৰীৰ বজাৰ তথা বাহ্যিকতাৰে পূৰ্ণ। এক ধৰ্মীয় পৰম্পৰা তথা আধ্যাত্মিক ভাৱৰ এই পূজাৰ বিপৰ্যয়ৰ বাবে আমিয়েই বহুলাংশে দায়ী। যেতিয়ালৈকে এই ধৰণৰ বাহ্যিকতাৰ পৰা আঁতৰি আহি মনবোৰ আধ্যাত্মিক ভাৱাপন্ন হৈ নুঠে, য'ত বাহ্যিক জাকজমকতাই মুখ্য স্থান লাভ কৰে তেনে ক্ষেত্ৰত এই ধৰণৰ ধৰ্মীয় পৰম্পৰাৰ প্ৰতি কেনেকৈ লোক আকৰ্ষিত হ'ব আৰু এই সমূহ উৎসৱ পালনৰ গূঢ়াৰ্থ অনুধাৱন কৰিবলৈ সক্ষম হ'ব? পূজাৰ বতৰত এই ধৰণৰ বিষয়ৰ চিন্তা-চৰ্চাৰ নিশ্চয়কৈ প্ৰয়োজন।

সমাজত শান্তি -সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ কৰা উৎসৱ বিশেষ: ৰ অন্যতম হৈছে দুৰ্গাপূজা। যি পূজা অতি নিষ্ঠাৰে পালন কৰা দেখা যায়। কিন্তু সেই পূজাৰ সময়ত দেখিবলৈ পোৱা কিছুমান সমস্যাৰ বিষয়ে সজাগ হোৱাৰ সময় আহি পৰিছে। দুৰ্গা পূজাৰ সময়ত দেখা পোৱা তথা এক প্ৰকাৰ সমস্যাৰ সৃষ্টি কৰা দেৱী পূজাৰ অন্তত (দশমীৰ দিনা)মূৰ্তি সমূহৰ বিসৰ্জনৰ সমস্যায়ো এক বিশেষ সমস্যাৰ সৃষ্টি কৰে। ব্যাপক যান-যট, মূৰ্তি বিসৰ্জনৰ বাবে একত্ৰ হোৱা সকলৰ মাজত হোৱা তৰ্কা-তৰ্কি, উচ্চ স্বৰৰ সংগীতৰ কোলাহল পূৰ্ণ পৰিৱেশ তথা দেৱী বিসৰ্জনৰ বাবে নদীৰ পানীত সেই ৰঙ-বিৰঙৰ মূৰ্তি সমূহ বিসৰ্জন দিয়াৰ ফলত নদীৰ পানী বিষাক্ত হোৱা, পানীত বাস কৰা জীৱ কুললৈ বিপদ নমাব পৰা কাৰ্যৰ পৰা দূৰত থাকি ইয়াৰ বিকল্প চিন্তা আৰু আঁচনি প্ৰস্তুত কৰিলে সকলোৱে উপকৃত হ'ব। সাম্প্ৰতিক সময়ত এই উৎসৱৰ বতৰত এই বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন হৈ পৰিছে।

*লেখিকাৰ ঠিকনা ঃ লখিমপুৰ*

## দিল্লীক সেনানিবাসলৈ ৰূপান্তৰিতৰ

কৰে, "শান্তিৰে প্ৰতিবাদ কৰিববলৈ দিল্লীলৈ লোক আহিছে। তেওঁলোকে অনুমোদিত স্থানত প্ৰতিবাদ কৰিববলৈ আহিছে। শান্তিৰে প্ৰতিবাদ কৰিববলৈ আহিছে বুলি চৰকাৰে ভাল পাব লাগিছিল। আমাৰ দাবী শুনিববলৈ চৰকাৰে এটা প্ৰতিনিধি দল আমাৰ সৈতে কথা পাতিবলৈ প্ৰেৰণ কৰিব লাগিছিল। কিন্তু দিল্লীক যুদ্ধ সদৃশ পৰিৱেশলৈ ৰূপান্তৰিত কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে জনতাৰ লগত যুদ্ধ কৰিছে, যিটো অত্যন্ত দুৰ্ভাগ্যজনক।" দিল্লীৰ পৰিস্থিতিৰ সন্দৰ্ভত সৌৰভ দাসে কয়, "যোৱা তিনি-চাৰি দিনত গোটেই দিল্লী চহৰখন সেনানিবাসলৈ পৰিণত হৈছে। ৩০,০০০ৰ পৰা ৪০, ০০০ নিৰাপত্তাৰক্ষী মোতায়ন কৰা হৈছে। নক্সাল প্ৰভাৱিত অঞ্চল, বংগ আৰু কাশ্মীৰৰ সৈন্য তথা সীমান্ত অঞ্চলৰ BSF কৰ্মীক বিমানযোগে দিল্লীলৈ অনা হৈছে। ৪০,০০০ৰো অধিক কৰ্মী মোতায়ন কৰা হৈছে বুলি জানিব পৰা গৈছে আৰু চহৰখন কঠোৰ নিষেধাজ্ঞাৰ অধীনত ৰখা হৈছে। ইয়াৰ ফলত ডাঙৰ সমস্যা সৃষ্টি হৈছে। যদি আন্দোলনকাৰী আৰু আন্দোলনৰ বিৰুদ্ধে বেয়া পৰিৱেশ সৃষ্টি কৰিব বিচাৰে, তেন্তে কেৱল আন্দোলনকাৰীৰ বাবে অসুবিধা নহয়, সাধাৰণ নাগৰিকৰ বাবেও সমস্যা হয়। ৫৭টা মেট্ৰ' ষ্টেচন বন্ধ কৰা, ৰাজধানী এক্সপ্ৰেছ বাতিল কৰা, দোকান বন্ধ কৰা-এই সকলোবোৰে সাধাৰণ লোকক প্ৰভাৱিত কৰিছে। আজি দেওবাৰ, বহুতে নিজৰ কামত ওলাব। দোকান বন্ধ কৰাৰ উদ্দেশ্য কি? চৰকাৰে যুৱক-যুৱতী আৰু আন্দোলনৰ বিৰুদ্ধে বেয়া পৰিৱেশ সৃষ্টি কৰিব বিচাৰে।" আটকৰ সময়ত আৰক্ষীয়ে দুৰ্ব্যৱহাৰ কৰা বুলিও তেওঁ অভিযোগ কৰে। সৌৰভ দাসে কয়, "কোনোধৰণৰ নথি-পত্ৰ নেদেখুৱাকৈ আমাক ধৰি লৈ গৈছিল। আমাৰ ফোন জব্দ কৰা হৈছিল। আমি কৈছিলোঁ যে আমাক আমাৰ অধিবক্তাৰ সৈতে কথা পতাৰ সুবিধা দিব লাগে। কিন্তু আৰক্ষীয়ে সেই কথা শুনা নাছিল আৰু আটক কৰাৰ সময়ত অধিবক্তাৰ কিহৰ প্ৰয়োজন বুলি আমাক প্ৰশ্ন কৰিছিল। ইয়াৰ দ্বাৰা আমাৰ মৌলিক অধিকাৰ খৰ্ব কৰা হৈছে।" ফোন জব্দৰ সন্দৰ্ভত তেওঁ কয়, "আমাৰ প্ৰশ্ন হৈছে, ২৪ ঘণ্টাত আমাৰ ফোনসমূহ জব্দ কৰি ৰখা হৈছিল, কিন্তু কোনোধৰণৰ প্ৰমাণপত্ৰ দিয়া নাছিল। সেই সময়ত আমাৰ ফোনসমূহ কি কৰা হৈছিল? আমাৰ আশংকা হৈছে যে আমাৰ ফোনসমূহ হেক কৰা হৈছে, যিটো ভিন্ন লোকৰ লগত হৈছে।" আনহাতে, চিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ আশুতোষ ৰাংকাই সংবাদমেলত কয়, "যিদৰে চাৰিজন প্ৰাক্তন মুখ্যমন্ত্ৰী-অৰবিন্দ কেজৰিৱাল, মমতা বেনাৰ্জী, মণিক সৰকাৰ আৰু পিনাৰায়ি বিজয়নে কালি পথত নামিছে, আমি তাক আন্তৰিকভাৱে স্বাগতম জনাইছো। দেশৰ ছাত্ৰ-যুৱকৰ সৈতে গণতন্ত্ৰ ৰক্ষাৰ যুঁজত তেওঁলোকে যি ভূমিকা লৈছে, তাৰ বাবে আমি কৃতজ্ঞ। আমি আশা কৰোঁ যে এনে সংগঠন আৰু ৰাজনৈতিক দলসমূহে ভৱিষ্যতেও এই যুঁজ একেলগে অব্যাহত ৰাখিব। প্ৰতিবাদ এতিয়াও চলি আছে। আজিও চিজেপিৰ কেইবাজনো সহকৰ্মী আটক আৰু শাৰীৰিক আক্ৰমণৰ সন্মুখীন হৈছে। আজি SFIৰ সমগ্ৰ দলটোৰে আটক হৈছে। AISFৰ বহু সদস্যও যোৱা কেইদিনত আটক আৰু আক্ৰমণৰ সন্মুখীন হৈছে।" উল্লেখ্য, ইয়াৰ পূৰ্বে ইউটিউবাৰ ধ্ৰুৱ ৰাথীয়ে নিজৰ মুকলিৰ পাছত কৈছিল যে তেওঁক আটক বা গ্ৰেপ্তাৰ কৰা নহয়, বৰং অপহৰণ কৰা হৈছিল। আনহাতে, শান্তিপূৰ্ণ আৰু নিৰস্ত্ৰভাৱে সমবেত হোৱা লোকক আটক কৰি দমন কৰিব নোৱাৰিব বুলি উচ্চতম ন্যায়ালয়েও স্পষ্ট নিৰ্দেশ দিছে।

## 'ভোট চুৰি'ৰ প্ৰসংগত দেশৰ মুখ্য

সম্ভাৱনা আছে। বেংগালুৰুৰ এক অনুষ্ঠানত ভাষণ দি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি খাৰ্গেয়ে নিজেই এই কথা জনায়। তেওঁ কয় যে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে সমগ্ৰ দেশতে এক অৰাজক পৰিস্থিতি সৃষ্টি কৰিছে। দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত সাব্যস্ত কৰা প্ৰতিবাদৰ সময়ত প্ৰতিবাদস্থলীত বৃহৎ সংখ্যক আৰক্ষী মোতায়েন কৰা আৰু প্ৰতিবাদকাৰীক আটক কৰাটোৱে যুৱ প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে চৰকাৰৰ ভয় প্ৰকাশ কৰিছে সোমবাৰে হ'বলগা বৈঠকৰ সন্দৰ্ভত মুখ্য ন্যায়াধীশ সূৰ্যকান্তে কয়, "আমি বিয়লি ৪ বজাৰ পৰা ৫ বজাৰ ভিতৰত সময় বিচাৰিছো। এই বৈঠকত আমি তেওঁলোকক তথ্য প্ৰদান কৰিম। কিয়নো আমি কোনো কথা দাবী কৰিব নোৱাৰো; তাৰ সলনি হাতযোৰ কৰি মাথোঁ অনুৰোধহে কৰিব পাৰো।" ইতিমধ্যে ৰাহুল গান্ধীৰ লগতে মল্লিকাৰ্জুন খাৰ্গেয়ে দেশৰ মুখ্য ন্যায়াধীশলৈ এই সন্দৰ্ভত পত্ৰ লিখিছে। খাৰ্গেয়ে বেংগালুৰুত দিয়া ভাষণৰ ভিডিঅ' নিজৰ এক্স হেণ্ডেলত শ্বেয়াৰ কৰি কয়, "কাইলৈ আমি ভাৰতৰ মুখ্য ন্যায়াধীশক সাক্ষাৎ কৰিম। মই এখন চিঠি লিখিছো আৰু ৰাহুল গান্ধীয়েও চিঠি লিখিছে। আমি বিয়লি ৪-৫ বজাত এখন বৈঠকৰ সময় বিচাৰিছো। সেই বৈঠকত আমি তেওঁক ভোট চুৰি সন্দৰ্ভত দেশৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে অৱগত কৰিম।" শনিবাৰে নতুন দিল্লীত সৃষ্টি কৰা নিৰাপত্তাজনিত পৰিস্থিতিৰ কথা উল্লেখ কৰি জ্যেষ্ঠ কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে ৰাস্তা-ঘাট বন্ধ হৈ পৰিছিল, যাতায়াত ব্যাহত হৈছিল, বিমানবন্দৰৰ প্ৰৱেশ বন্ধ কৰি দিয়াৰ লগতে ম'বাইল নেটৱৰ্কসমূহো বন্ধ কৰা হৈছিল। তেওঁ লগতে কয়, "কালি প্ৰতিবাদস্থলীত প্ৰায় ৩২ হাজাৰ আৰক্ষী জোৱানৰ লগতে ৭, ৫০০ চিআৰপিএফৰ জোৱান নিয়োগ কৰা হৈছিল। ইয়াৰ পৰা দেখা যায় যে যুৱচামৰ আন্দোলনক লৈ চৰকাৰে কিমান ভয় খাইছে।" খাৰ্গেয়ে আৰু কয়, "এই সকলোবোৰে দেখুৱাইছে যে চৰকাৰে ভাৰতত গণতন্ত্ৰ শান্তিপূৰ্ণভাৱে চলাটো নিবিচাৰে। গণতন্ত্ৰ আৰু জনসাধাৰণৰ সাংবিধানিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে আমি আমাৰ যুঁজ অব্যাহত ৰাখিম।" উল্লেখ্য, মঙলবাৰৰ পৰা বিৰোধী দলসমূহে প্ৰতিবাদ সাব্যস্ত কৰি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী জনাই আহিছে। মঙলবাৰে ইণ্ডিয়া ব্লকে ৰাজপথলৈ ওলাই প্ৰতিবাদ সাব্যস্ত কৰে। সংসদৰ পৰা নিৰ্বাচন আয়োগৰ দিশে পদযাত্ৰা কৰা প্ৰতিবাদকাৰীক আদবাটতে বাধা প্ৰদান কৰা হয়। ইয়াৰ পাছতে ৰাহুল গান্ধীয়ে প্ৰায় আঠ ঘণ্টা ধৰি আকাশবাণী ভৱন চৌহদৰ ভিতৰত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বুধবাৰ আৰু বৃহস্পতিবাৰে মধ্য দিল্লীত বিৰোধী সাংসদসকলে দুপৰীয়াৰ আহাৰ গ্ৰহণৰ বাবে বৈঠকত মিলিত হয় আৰু তাৰ পিছতে প্ৰথম দিনা যন্তৰ-মন্তৰ আৰু দ্বিতীয় দিনা ৰাজঘাটলৈ পদযাত্ৰা কৰে। শুকুৰবাৰে সন্ধিয়া ভাৰতৰ মিত্ৰজোঁটৰ দলসমূহে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰি স্মাৰকপত্ৰ দাখিল কৰে আৰু গণৰাজ্যৰ মুৰব্বী হিচাপে বিষয়টোত শীঘ্ৰে হস্তক্ষেপ কৰিববলৈ আহ্বান জনায়। ইণ্ডিয়া ব্লকে ভোট চুৰিৰ বিষয়টোক লৈ সোমবাৰে দিল্লীত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে প্ৰতিবাদী সমদল উলিয়াব।

## মোক আটক বা গ্ৰেপ্তাৰ নহয়

পাছপৰ্ট। মই এজন ভাৰতীয় নাগৰিক আছিলো, আছো আৰু সদায় থাকিম। মোৰ নাগৰিকত্বক লৈ যি উৰা বাতৰি বিয়পোৱা হৈছে, সেইবোৰ সম্পূৰ্ণ মিছা আৰু ভিত্তিহীন।" শনিবাৰৰ পুৱাৰ ঘটনাৰ বিষয়ে বৰ্ণনা দি ৰাথীয়ে কয়, "পুৱা প্ৰায় ৭ বজাত আমাৰ ঘৰৰ দুৱাৰ খুলি প্ৰায় ২০জন লোক মোৰ শোৱা কোঠালৈ সোমাই আহে। মই কিবা প্ৰতিক্ৰিয়া কৰাৰ আগতেই তেওঁলোকে মোক চোঁচৰাই আনি আৰক্ষীৰ বাহনত তুলি লৈ যায়। সেয়ে মই ইয়াক আটক বা গ্ৰেপ্তাৰ নুবুলি অপহৰণ বুলি কওঁ।" তেওঁ লগতে অভিযোগ কৰে, "মই টোপনিত থকা অৱস্থাতে মোক অপহৰণ কৰিববলৈ মোৰ ঘৰলৈ গুণ্ডা পঠিওৱা হৈছিল। মই তেওঁলোক কোন বুলি সুধিছিলো, কিন্তু তেওঁলোকে কোনো উত্তৰ দিয়া নাছিল। এজন অপৰাধীৰ দৰে মোক তললৈ চোঁচৰাই নিয়াৰ বাবে মই আঘাতপ্ৰাপ্ত হৈছো। মোক ভিডিঅ' কৰাৰ কোনো সুবিধা নিদিলে। মোৰ ফোনৰ লগতে মোৰ মা-দেউতাকৰ ফোনো কাঢ়ি লোৱা হৈছিল।" ৰাথীয়ে আৰু কয়, "থানাত উপস্থিত হোৱাৰ পিছত যেতিয়া মই নিজৰ অধিবক্তাৰ সৈতে কথা পাতিব বিচাৰিছিলো, তেতিয়া মোক অধিবক্তা বা ফোনৰ কোনো সুবিধা ল'বলৈ দিয়া নহ'ল। প্ৰায় ২২-২৩ ঘণ্টা ধৰি তেওঁলোকে মোক থানাৰ ভিতৰত আবদ্ধ কৰি ৰাখিছিল।" মোদী চৰকাৰক সমালোচনা কৰি তেওঁ কয়, "কোনো গণতান্ত্ৰিক দেশত এনেকুৱা হোৱা কেতিয়াবা শুনিছে নে? নৰেন্দ্ৰ মোদীয়ে ভাৰতক একনায়কতাবাদলৈ ৰূপান্তৰিত কৰিছে। এয়া ঘোষণা নকৰা জৰুৰীকালীন অৱস্থা। জৰুৰীকালীন পৰিস্থিতিতো শুই থকা লোকক এনেদৰে আটক কৰা নাছিল।" তেওঁ লগতে কয়, "একনায়কতাবাদী হিটলাৰ, মুছোলিনি কেনেদৰে পতন হৈছিল, সেয়া প্ৰধানমন্ত্ৰী মোদীয়ে জনা উচিত। বৰ্তমান উত্তৰ কোৰিয়াত কিম জং উনে যিদৰে একনায়কত্ববাদী শাসন চলাইছে, তেনে ব্যৱস্থা ভাৰতত হ'লে যেতিয়াই তেতিয়া আটক বা গ্ৰেপ্তাৰ কৰিব।" ইয়াৰ উপৰি ৰাথীয়ে স্পষ্ট কৰে যে তেওঁ মুকলি হোৱাৰ সময়ত কোনো বণ্ড, কোনো অংগীকাৰ পত্ৰ বা কোনো চৰ্তত স্বাক্ষৰ কৰা নাই। উল্লেখ্য, শান্তিপূৰ্ণ আৰু নিৰস্ত্ৰভাবে সমবেত হোৱা লোকক আটক কৰি দমন কৰিব নোৱাৰিব বুলি উচ্চতম ন্যায়ালয়ে মন্তব্য দিয়াৰ বাতৰিও সংবাদমাধ্যমত প্ৰকাশ পাইছে।

## চাৰি ঘণ্টা জিম্মাৰ পাছত মুকলি চিত্ৰশিল্পী

আন এঠাইলৈ যাবলৈ লওঁতেই আৰক্ষীয়ে আহি অলপ কথা পাতিব বিচৰা বুলি কয়। তাৰ পিছতে তেওঁক আৰক্ষীৰ বাহনত বহুৱাই লৈ যোৱা হয়। এইদৰে হঠাতে আৰক্ষীয়ে তেওঁক লৈ যোৱা কাৰ্যক সম্পূৰ্ণ বেআইনী আখ্যা দিয়ে মাৰ্শ্বেল বৰুৱাই। তেওঁ কয়, "মই ঘৰৰ পৰা মাত্ৰ ওলাই আহিছিলোঁ। তেনেতে মোক হঠাতে উঠাই লৈ গ'ল। এয়া সম্পূৰ্ণ বেআইনী। চৰকাৰখনক হিটলাৰৰ শাসনৰ দৰে অনুভৱ হয়। বহুদিনৰ পৰাই আমি এনেধৰণৰ ঘটনা দেখি আহিছোঁ।" গণতন্ত্ৰৰ ভৱিষ্যতক লৈও উদ্বেগ প্ৰকাশ কৰে শিল্পীগৰাকীয়ে। তেওঁৰ মতে, গণতন্ত্ৰৰ অৱসান ঘটিবলৈ ধৰিছে আৰু এনে পৰিস্থিতিত প্ৰতিগৰাকী নাগৰিক সজাগ হোৱাটো জৰুৰী। তেওঁ কয়, "আজি মোক উঠাই লৈ গৈছে, কাইলৈ আন কাৰোবাক লৈ যাব। গণতন্ত্ৰ ৰক্ষা কৰিববলৈ আমি সকলোৱে সজাগ হ'ব লাগিব।" ৰাজ্যত ন্যায় প্ৰদানৰ ক্ষেত্ৰত দেখা দিয়া ঘটনাসমূহৰ প্ৰসংগ টানি মাৰ্শ্বেল বৰুৱাই জুবিন গাৰ্গৰ ন্যায়ৰ প্ৰসংগতো প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয় যে জুবিন দাৰ ন্যায়ৰ ক্ষেত্ৰত গাফিলতি হোৱা বুলি বহুতে অনুভৱ কৰিছে। শেহতীয়াকৈ অমৃতপ্ৰভা মহন্তৰ জামিন লাভৰ প্ৰসংগ উল্লেখ কৰি তেওঁ প্ৰশ্ন কৰে, "এফালে এনেধৰণৰ ঘটনা দেখিছোঁ, আনফালে সাধাৰণতে ছবি আঁকি জীৱন নিৰ্বাহ কৰা এজন যুৱকক এনেদৰে আটক কৰা হৈছে। এইবোৰ কি চলিছে?" মাৰ্শ্বেল বৰুৱাৰ ভাষ্য অনুসৰি, আৰক্ষীয়ে তেওঁক জিম্মাত ৰখাৰ সময়ছোৱাত প্ৰতিবাদ কৰিব নেকি, নে কিবা ছবি আঁকিব, সেই বিষয়ে বাৰে বাৰে সোধা হৈছিল। ইয়াৰ উত্তৰত তেওঁ কোনো প্ৰতিবাদ বা ছবি অঁকাৰ পৰিকল্পনা নাই বুলি জনাইছিল। ব্যক্তিগত কামত ব্যস্ত থকাৰ কথাও আৰক্ষীক জনোৱা বুলি তেওঁ কয়।" আৰক্ষীয়ে মোক সুধিছিল-তুমি কি কৰিবা, প্ৰতিবাদ কৰিবা নে ছবি আঁকিবা? মই কৈছিলোঁ যে মোৰ তেনে কোনো পৰিকল্পনা নাই। মই নিজৰ কামত ব্যস্ত, "সাংবাদিকৰ আগত এইদৰে কয় শিল্পীগৰাকীয়ে। আৰক্ষীৰ এনে আচৰণত হতাশা প্ৰকাশ কৰি মাৰ্শ্বেল বৰুৱাই কয় যে প্ৰতিবাদক লৈ চৰকাৰৰ ভয় আছে যেন লাগে। কেৱল এখন ছবি অঁকাৰ বাবেই যদি কোনো ব্যক্তিক হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হয়, তেন্তে সেয়া কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলিও তেওঁ মন্তব্য কৰে। শনিবাৰে এখন বিয়াত অংশ ল'বলৈ ৰঙিয়ালৈ যোৱাৰ পৰিকল্পনা আছিল মাৰ্শ্বেল বৰুৱাৰ। কিন্তু আৰক্ষীয়ে লৈ যোৱাৰ ফলত পলম হোৱাত সেইদিনা তেওঁ যাব নোৱাৰিলে। দেওবাৰে ৰঙিয়ালৈ যোৱাৰ কথা সাংবাদিকক জনায় তেওঁ। কেৱল ছবি আঁকি থকা এজন শিল্পীক লৈ আৰক্ষীয়ে বাৰে বাৰে প্ৰশ্ন কৰাক লৈ সাংবাদিকে চৰকাৰ এখন ছবিক লৈ কিয় ইমান শংকিত বুলি সোধাত মাৰ্শ্বেল বৰুৱাই কয়, "এতিয়া যেন ছবি আঁকিলেও চৰকাৰে ভয় খাবলৈ লৈছে।" গণতান্ত্ৰিক ব্যৱস্থাত মত প্ৰকাশৰ স্বাধীনতা আৰু প্ৰতিবাদৰ অধিকাৰক লৈ পুনৰ প্ৰশ্নৰ সৃষ্টি কৰিছে শিল্পীগৰাকীৰ এই অভিযোগে। অৱশ্যে, তেওঁক আটক কৰাৰ প্ৰকৃত কাৰণ সন্দৰ্ভত আৰক্ষীৰ স্থিতি এতিয়াও স্পষ্ট হোৱা নাই।

## ৪৩৯ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান ৰাজ্য

১৫০ গৰাকী আৰু সহকাৰী শাখা প্ৰবন্ধক পদত ১২৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। শ্ৰম কল্যাণ বিভাগত ই এছ আই আঁচনিৰ অধীনত ৰচ গৰাকী বীমা চিকিৎসা বিষয়াক নিযুক্তি পত্ৰ দিয়া হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত ১৮৪ গৰাকী কনিষ্ঠ অভিযন্তা, জলসম্পদ বিভাগৰ অধীনত ৫২ গৰাকী সহকাৰী অভিযন্তা আৰু ১৬ গৰাকী কনিষ্ঠ অভিযন্তাক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্য চৰকাৰৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ ওপৰত আলোকপাত কৰে। তেওঁ নিযুক্তিপ্ৰাপ্তসকলক সময়ৰ সৈতে খাপ খুৱাই নিজৰ জ্ঞান আৰু দক্ষতাক প্ৰাসংগিক কৰি ৰাখিবলৈ আহ্বান জনায়। তেওঁ কয় যে ২০০১ চনৰ পূৰ্বে ৰাজ্যত অভিযান্ত্ৰিক আৰু অন্যান্য বৃত্তিমুখী তথা কাৰিকৰী পদসমূহত নিযুক্তি স্থবিৰ হৈ পৰিছিল। শেহতীয়াকৈ অভিযান্ত্ৰিক আৰু পলিটেকনিক মহাবিদ্যালয়সমূহত ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা নিযুক্তি দিয়াৰ লগতে অন্যান্য বিভাগতো নিযুক্তি দিয়া হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে বিগত পাঁচ বছৰত চৰকাৰী বিভাগসমূহত এক লাখ ৬৫ হাজাৰ নিযুক্তি দিয়া হৈছে। চৰকাৰে দুই লাখ নিযুক্তি অতিক্ৰম কৰাৰ দিশে অগ্ৰসৰ হৈছে বুলিও তেওঁ উল্লেখ কৰে।

## প্ৰস্তাৱিত লাভলীনা বক্সিং একাডেমীয়ে

প্ৰদান কৰিব। এই একাডেমীৰ বাবে ৰাজ্য চৰকাৰে মাত্ৰ ৰ টকা নামমাত্ৰ ভূমি প্ৰিমিয়ামত চাৰি বিঘা মাটি আৱণ্টন কৰি অনুমোদন জনাইছে। গুৱাহাটীস্থিত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ (SAI)-ৰ সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি লাভলীনাই কয় যে এই একাডেমীয়ে ৰাজ্যৰ উদীয়মান বক্সাৰসকলৰ বাবে প্ৰশিক্ষণৰ সুবিধা সম্প্ৰসাৰণ কৰাত সহায় কৰিব। যুৱ খেলুৱৈসকলক সহায় কৰিববলৈ উন্নত আন্তঃগাঁথনিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয়, "মই ইতিমধ্যে এখন সৰু একাডেমী চলাইছো, কিন্তু ইয়াত এতিয়াও হোষ্টেলৰ সুবিধা নাই।" তেওঁ লগতে কয়, "অসম চৰকাৰে আৱণ্টন দিয়া মাটিখিনিৰ সহায়ত আমি ভৱিষ্যতৰ বাবে এটা সুন্দৰ প্লেটফৰ্ম নিৰ্মাণ কৰাৰ প্ৰয়াস কৰিম।" পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত চাৰি বিঘা মাটিৰ ভূমি প্ৰিমিয়াম হ্ৰাস কৰি ১ টকা কৰাৰ সিদ্ধান্ত ৯ অক্টোবৰত অসম কেবিনেটে অনুমোদন জনায়। কেবিনেট বৈঠকৰ পিছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সিদ্ধান্ত ঘোষণা কৰি কয় যে প্ৰস্তাৱিত সুবিধাসমূহে ৰাজ্যৰ বক্সিং প্ৰতিভাক বিকশিত কৰাত সহায় কৰিব আৰু যুৱ খেলুৱৈসকলক উন্নত প্ৰশিক্ষণৰ সুযোগ প্ৰদান কৰিব। ৯ অক্টোবৰত এক প'ষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "আজিৰ অসম কেবিনেটৰ বৈঠকত আমি গুৱাহাটীৰ সমীপত 'লাভলীনা বক্সিং একাডেমী' স্থাপনৰ পথ প্ৰশস্ত কৰিছো, যাতে অসমৰ পৰৱৰ্তী প্ৰজন্মৰ লাভলীনাসকলে শ্ৰেষ্ঠ প্ৰশিক্ষণ লাভ কৰিব পাৰে আৰু দেশলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰে।" জাপানত অনুষ্ঠিত এছিয়ান গেমছৰ মহিলাৰ ৭৫ কেজি বক্সিং শাখাত লাভলীনাই স্বৰ্ণপদক লাভ কৰি অসমলৈ উভতি অহাৰ কেইটামান দিনৰ পিছতে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। নিজৰ প্ৰদৰ্শনৰ কথা স্মৰণ কৰি বৰগোঁহায়ে কয় যে তেওঁ পদক জয়ৰ হেঁচাক নিজৰ মনোযোগত প্ৰভাৱ পেলাবলৈ নিদি প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছিল। তেওঁ কয়, "মই মানসিকভাৱে সম্পূৰ্ণ মুক্ত আছিলো। মোৰ মূল লক্ষ্য কেৱল পদকৰ ওপৰত নহয়, বৰং মোৰ শতকৰা এশ শতাংশ প্ৰদৰ্শন দিয়াৰ ওপৰত আছিল। মই ইয়াক উপভোগ কৰিছিলোঁ।" তেওঁ লগতে কয় যে জাপানে তেওঁৰ বাবে সৌভাগ্য কঢ়িয়াই আনিছে। এই বিজয়ৰ জৰিয়তে লাভলীনা ২০১৪ চনত মেৰী কমে এই কৃতিত্ব অৰ্জন কৰাৰ পিছত এছিয়ান গেমছত স্বৰ্ণপদক লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় মহিলা বক্সাৰ হৈ পৰে। টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক জয় কৰা লাভলীনাই ইয়াৰ পূৰ্বে হাংঝৌত অনুষ্ঠিত ২০২২ চনৰ এছিয়ান গেমছৰ অনুৰূপ শাখাত ৰূপৰ পদক লাভ কৰিছিল। প্ৰস্তাৱিত একাডেমীয়ে উদীয়মান খেলুৱৈসকলক গঠনমূলক প্ৰশিক্ষণ আৰু উন্নত সুবিধা প্ৰদান কৰি অসমত তৃণমূল পৰ্যায়ৰ বক্সিং শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

## JNUৰ ১১ গৰাকী ছাত্ৰীক যৌন নিৰ্যাতনৰ

গৰাকী ছাত্ৰীৰ সৈতে জড়িত যৌন নিৰ্যাতনৰ গুৰুতৰ অভিযোগৰ সন্দৰ্ভত অভ্যন্তৰীণ তদন্ত সমিতিয়ে কংগ্ৰেছ সাংসদ বিমল আকোইজামক দোষী সাব্যস্ত কৰাৰ পাছত তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। এই ঘটনাই কংগ্ৰেছৰ প্ৰকৃত চৰিত্ৰ উদঙাই দিছে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ অভিযোগ কৰে যে ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ নেতৃত্বই এই গুৰুতৰ অভিযোগৰ সন্দৰ্ভত নীৰৱতা অৱলম্বন কৰিছে। মহিলাৰ সন্মানৰ কথা কোৱা কংগ্ৰেছৰ বাবে এয়া কেৱল ৰাজনৈতিক শ্লোগানলৈ পৰিণত হৈছে বুলি তেওঁ কয়। লগতে তেওঁ উল্লেখ কৰে যে ২০২৬ চনৰ মে' মাহত অভিযোগসমূহ পোহৰলৈ অহাৰ পিছতো অভিযুক্ত সাংসদগৰাকীৰ বিৰুদ্ধে কংগ্ৰেছে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। ইয়াৰ জৰিয়তে মহিলাৰ ওপৰত নিৰ্যাতনৰ অভিযোগত অভিযুক্ত লোকক ৰাজনৈতিক সুৰক্ষা প্ৰদান কৰা হৈছে বুলি তেওঁ দাবী কৰে। আনহাতে, ৰাহুল গান্ধীক প্ৰশ্ন কৰি বিজেপিৰ সাংসদগৰাকীয়ে কয়, "এই ৰৰ গৰাকী ছাত্ৰীৰ কণ্ঠ ৰাহুল গান্ধীৰ কাণত পৰা নাই নেকি? নে তেওঁ ছাত্ৰীসকলৰ অভিযোগক তুচ্ছ-তাচ্ছিল্যৰ বিষয় হিচাপে লৈছে?" তেওঁ লগতে অভিযোগ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নাৰী শক্তি বন্দন অধিনিয়মৰ জৰিয়তে ৰাজনীতিত মহিলাৰ অংশগ্ৰহণ বৃদ্ধিৰ পদক্ষেপ গ্ৰহণ কৰাৰ বিপৰীতে ৰাহুল গান্ধীয়ে অভিযুক্ত সাংসদগৰাকীক নীৰৱে সুৰক্ষা প্ৰদান কৰিছে। মহিলাৰ সন্মানৰ প্ৰতি কংগ্ৰেছ সঁচাকৈয়ে দায়বদ্ধ হ'লে ৰৰ গৰাকী ছাত্ৰীৰ পক্ষত থিয় দি অভিযুক্ত সাংসদ বিমল আকোইজামক তৎক্ষণাত দলৰ পৰা নিলম্বন কৰিববলৈ ৰাহুল গান্ধী আৰু কংগ্ৰেছ নেতৃত্বৰ প্ৰতি দাবী জনায় বিজেপিৰ সাংসদগৰাকীয়ে।

## ইভেণ্ট মেনেজাৰ গোবিন্দৰ বিৰুদ্ধে

কৰিববলৈ যোৱা তেওঁৰ চাৰিগৰাকী সতীৰ্থই সংবাদমাধ্যমৰ সন্মুখত মুখ খুলিছে। সতীৰ্থসকলে ইভেণ্ট মেনেজাৰ গোবিন্দৰ বিৰুদ্ধে শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। উল্লেখ্য, হিমাশ্ৰীৰ বাসগৃহত উপস্থিত হৈ সতীৰ্থ সুমিত্ৰা দেউৰী, আজিনুৰ হুছেইন, আয়েশা খান আৰু আবু বক্কৰ ছিদ্দিকে সংবাদমাধ্যমৰ আগত অৱগত কৰে যে ইভেণ্ট মেনেজাৰ গোবিন্দই কেৱল হিমাশ্ৰীক নহয়, দলটোৰ আন আন যুৱক-যুৱতীসকলকো বিভিন্ন ধৰণে মানসিক আৰু শাৰীৰিক হাৰাশাস্তি কৰিছিল। আনকি দুগৰাকী সদস্যক প্ৰহাৰ কৰাৰ গুৰুতৰ অভিযোগো সতীৰ্থসকলে কৰিছে। কেৱল সেয়াই নহয়, হিমাশ্ৰীৰ সতীৰ্থসকলে অভিযোগ উত্থাপন কৰে যে অন্ধ্ৰপ্ৰদেশত অনুষ্ঠান পৰিচালনা কৰা গোবিন্দই ক্ষীণ যুৱতী হিমাশ্ৰীক দৈনিক দুটাকৈ টেবলেট খাবলৈ দিছিল। শকত হোৱাৰ বাবে এই টেবলেট খাবলৈ দিয়া হৈছিল বুলি সতীৰ্থসকলে জানিবলৈ দিয়ে। হিমাশ্ৰীয়েও সেই টেবলেট খাইছিল। টেবলেট নাখালে অনুষ্ঠান কৰিব নিদিব বুলি গোবিন্দই কৈছিল বুলিও তেওঁলোকে অভিযোগ কৰে। সতীৰ্থসকলৰ মতে, হিমাশ্ৰীক গুৱাহাটীৰ ঘৰলৈ উভতি আহিবলৈ গোবিন্দই বাৰে বাৰে বাধা প্ৰদান কৰিছিল। হিমাশ্ৰী ঘৰলৈ আহিব বিচাৰিলে ২৫ হাজাৰ টকা দিব লাগিব বুলি গোবিন্দই সতীৰ্থসকলকো ভাবুকি দিছিল। হিমাশ্ৰীয়ে অংশগ্ৰহণ কৰা এটা নৃত্য অনুষ্ঠানত লোকচান হোৱা বুলি অজুহাত দেখুৱাই তেওঁক জোৰকৈ ৰাখি থবলৈ চেষ্টা চলোৱা হৈছিল। ইয়াৰ পূৰ্বে হিমাশ্ৰীৰ মৃত্যুৰ ঘটনাক লৈ সদৌ অসম কৰিঅ'গ্ৰাফাৰ এছ'চিয়েচনে দিছপুৰ আৰক্ষী থানাত গোবিন্দৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল। অসমৰ পৰা অনুষ্ঠান পৰিৱেশনৰ বাবে যোৱা যুৱক-যুৱতীসকলক কম পাৰিশ্ৰমিক দিয়া, কামৰ পিছত ধন আদায় নিদিয়া আৰু শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগও উত্থাপন হৈছিল। এই সমগ্ৰ ঘটনাক্ৰমৰ আধাৰত সতীৰ্থসকলে সন্দেহ প্ৰকাশ কৰিছে যে হিমাশ্ৰীৰ মৃত্যু সাধাৰণ দুৰ্ঘটনা নহয়; ইয়াৰ আঁৰত গভীৰ ষড়যন্ত্ৰ থাকিব পাৰে। গোবিন্দই আন লোকৰ সহায় লৈ হিমাশ্ৰীক হত্যা কৰোৱাব পাৰে বুলিও সতীৰ্থসকলে সন্দেহ প্ৰকাশ কৰি এক নিৰপেক্ষ আৰু সঠিক তদন্তৰ দাবী জনাইছে।

## শান্তিপূৰ্ণ আৰু নিৰস্ত্ৰ প্ৰতিবাদকাৰী আটক

বিচাৰপীঠে শুনানিৰ অন্তত স্পষ্ট কৰি দিয়ে যে, যিকোনো ব্যক্তিক আটক কৰিববলৈ হ'লে আইনৰ সম্পূৰ্ণ অনুসৰণ কৰাটো বাধ্যতামূলক। শান্তিপূৰ্ণ আৰু নিৰস্ত্ৰভাবে সমবেত হোৱা লোকসকলক কোনো ধৰণৰ জবৰদস্তিৰে আটক কৰি দমন কৰিব নোৱাৰিব। বিচাৰপীঠে লগতে কয়, যিবোৰ অঞ্চলত নিষেধাজ্ঞামূলক আদেশ জাৰি কৰা হোৱা নাই, সেই অঞ্চলৰ বাহিৰত শান্তিপূৰ্ণ আৰু নিৰস্ত্ৰভাবে সমবেত লোকসকলক যথেচ্ছভাৱে আটক কৰি দমন কৰাৰ কোনো অধিকাৰ আৰক্ষীক নাই। সংবিধানৰ অনুচ্ছেদ ১৯ (২)ৰ অধীনত ৰাজহুৱা শৃংখলা ৰক্ষাৰ বাবে প্ৰয়োজনীয় নিষেধাজ্ঞা আৰোপ কৰা নহ'লে মেট্ৰ' আৰু ৰে'ল সেৱা স্বাভাৱিকভাৱে চলিব লাগে। জনসাধাৰণৰ চলাচলৰ বিষয়ত বিচাৰপীঠে নিৰ্দেশ দিয়ে যে, ট্ৰেফিক নিয়ম মানি চহৰখনত সকলোৱে মুক্তভাৱে চলাচল কৰিব পাৰিব। সকলো ঠাইতে বেৰিকেড লগোৱাৰ প্ৰয়োজন নাই। আইন-শৃংখলা আৰু ট্ৰেফিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বেৰিকেডৰ ব্যৱস্থা সম্পৰ্কে তৎক্ষণাত পুনৰীক্ষণ কৰিববলৈও ন্যায়ালয়ে নিৰ্দেশ দিয়ে। ইণ্টাৰনেট সেৱাৰ সন্দৰ্ভত বিচাৰপীঠে কয় যে, ইণ্টাৰনেট সংযোগ যাতে ব্যাহত নহয়, তাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে। অৱশ্যে চৰকাৰৰ পক্ষত উপস্থিত ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই আদালতক অৱগত কৰে যে, শনিবাৰে নিশা ১০ বজাৰ পৰা দিল্লীৰ সকলো মেট্ৰ' ষ্টেচন খোলা আছে; ৰে'ল সেৱাও সক্ৰিয় হৈ আছে আৰু ইণ্টাৰনেট সংযোগ বাহাল আছে। উচ্চতম ন্যায়ালয়ৰ আশে-পাশে নিৰাপত্তাৰ স্বাৰ্থত স্থাপন কৰা বেৰিকেডৰ বিষয়তো বিচাৰপীঠে গুৰুত্ব আৰোপ কৰে। ন্যায়ালয়ৰ চৌপাশৰ অঞ্চলত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (BNSS)ৰ ১৬৩ ধাৰা আৰোপ কৰা সূচক ব'ৰ্ডখন যদি এতিয়াও আঁতৰোৱা নাই, তেন্তে অতি সোনকালে আঁতৰাব লাগিব বুলি নিৰ্দেশ দিয়ে। এই সিদ্ধান্তই শান্তিপূৰ্ণ প্ৰতিবাদ আৰু নাগৰিকৰ মত প্ৰকাশৰ অধিকাৰৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ অৱস্থান স্পষ্ট কৰি দিলে। আইন-শৃংখলাৰ নামত শান্তিপূৰ্ণ লোকক আটক কৰি দমন কৰাটো গণতান্ত্ৰিক ব্যৱস্থাৰ সৈতে সংগত নহয় বুলি আদালতে পৰোক্ষভাৱে সকীয়াই দিয়ে।

## নেপালৰ বুঢ়ী গণ্ডক নদীত পুনৰ ভয়াৱহ

দলংখনো বানপানীয়ে উটুৱাই লৈ গৈছে। সন্নেৰীত নিৰ্মাণাধীন জলবিদ্যুৎ প্ৰকল্পৰ বেছ কেম্পতো এই বানপানীয়ে ব্যাপক ক্ষতি কৰিছে। বানপানীয়ে বেছ কেম্পটো সম্পূৰ্ণৰূপে উটুৱাই লৈ যোৱা বুলি জনা গৈছে। অৱশ্যে এতিয়ালৈকে ক্ষয়-ক্ষতিৰ প্ৰকৃত মূল্যাংকন কৰিব পৰা হোৱা নাই। গৃহমন্ত্ৰী সুদন গুৰুংৰ নিৰ্দেশত উদ্ধাৰ অভিযানৰ বাবে হেলিকাপ্টাৰ নিয়োজিত কৰা হৈছে। উদ্ধাৰকাৰী দলে বানপানীত আৱদ্ধ হৈ থকা লোকসকলক নিৰাপদ স্থানলৈ উলিয়াই আনিছে। ইফালে নেপালৰ নেচনেল ডিজাষ্টাৰ ৰিস্ক ৰিডাকশ্বন এণ্ড মেনেজমেণ্ট অথৰিটিয়ে (NDRRMA) দেওবাৰে, ১১ অক্টোবৰত বানপানীৰ সতৰ্কতা জাৰি কৰিছে। সতৰ্কতাত লোকসকলক বুঢ়ী গণ্ডক নদীৰ পৰা আঁতৰত থাকিবলৈ কোৱা হৈছে। কাৰণ চুমানুবৰী ৰুৰেল মিউনিচিপালিটি-৬১ পৰা নদীত ভয়ংকৰ বানপানী অহাৰ সম্ভাৱনা আছে বুলি অথৰিটিয়ে জানিছিল। অথৰিটিৰ বান পূৰ্বাভাস বিভাগে পুৱা ৬ E ৪০ বজাত এলৰ্ট জাৰি কৰে। এই সতৰ্কতাত লোকসকলক ত্ৰিশূলী দোভানলৈকে নদীৰ কাষলৈ নাযাবলৈ আৰু বানপানীৰ পানী নকমালৈকে ওখ স্থানত থাকিবলৈ কোৱা হৈছে। লগতে নদীৰ কাষৰ যিবোৰ অঞ্চলত পানীৰ স্তৰ বৃদ্ধি পাই বিপদৰ সম্ভাৱনা আছে, তাৰ পৰা আঁতৰত থাকিবলৈ পৰামৰ্শ দিয়া হৈছে। অথৰিটিয়ে ছ'চিয়েল মিডিয়াৰ জৰিয়তে এই এলৰ্ট জাৰি কৰি অঞ্চলটোৰ বাসিন্দা তথা অন্যান্য লোকসকলক বানপানীৰ সম্ভাব্য বিপদৰ বিষয়ে সজাগ কৰে। পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে লোকসকলক নদীৰ ওচৰলৈ নাযাবলৈ পৰামৰ্শ দিয়া হৈছে। এই নতুন সতৰ্কতা এনে এক সময়ত আহিছে যেতিয়া নেপালে চছ আগষ্টত অহা ভয়ংকৰ বানপানীৰ প্ৰভাৱৰ সৈতে যুঁজি আছে। সেই দুৰ্যোগে ভোতে কোশী আৰু ত্ৰিশূলী নদীৰ পাৰৰ অঞ্চলসমূহ প্ৰভাৱিত কৰিছিল, যাৰ ফলত ব্যাপক ধ্বংসলীলা আৰু ধন-জনৰ ক্ষতি হৈছিল। ৰচুৱা, নুৱাকোট, ধাডিং আৰু চিতৱনসহ বহুকেইখন জিলা সেই বানপানীৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

## তামিলনাডুত প্ৰধানমন্ত্ৰী মোদী; চেন্নাই মেট্ৰ'

উদ্বোধন কৰে। ষ্টেচনকেইটা হৈছে-পালানি, নামহ্লাল, পৰমাকুড়ি, অম্বাছামুদ্ৰম আৰু ভেল্লোৰ কেণ্টনমেণ্ট। উদ্বোধনী অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী বিজয়ে মেট্ৰ' ৰে'ল প্ৰকল্পৰ দ্বিতীয় পৰ্যায় উদ্বোধন কৰাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়, "তামিলনাডুৱে উদ্যোগ, বিজ্ঞান, শিক্ষা, শিল্প, সাহিত্য আৰু সামাজিক ন্যায়ৰ দৰে ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতিত ধাৰাবাহিকভাৱে অৰিহণা যোগাই আহিছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে একেলগে কাম কৰিলে ইয়াৰ সুবিধা জনসাধাৰণে প্ৰত্যক্ষভাৱে লাভ কৰিব লাগে বুলি আমি চেষ্টা কৰিছোঁ।" তেওঁ লগতে কয়, "ৰাজ্যখনে ২০৩৬ চনৰ ভিতৰত ১.৫ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতিত উপনীত হোৱাৰ লক্ষ্যৰে কৃষি, উদ্যোগ, তথ্য প্ৰযুক্তিকে ধৰি বিভিন্ন খণ্ডত নতুন সুযোগ সৃষ্টি কৰিছে আৰু আঁচনি প্ৰস্তুত কৰিছে। এই উন্নয়নক পৰৱৰ্তী পৰ্যায়লৈ লৈ যাবলৈ আমি উদ্ভাৱন, ঔদ্যোগিক বিনিয়োগ আৰু আন্তঃগাঁথনিৰ ওপৰত যথেষ্ট গুৰুত্ব দিছো।" ২০২৬ চনৰ কেন্দ্ৰীয় বাজেটত চৰকাৰে ঘোষণা কৰা তীব্ৰবেগী ৰে'ল কৰিড'ৰক আদৰণি জনাই মুখ্যমন্ত্ৰীয়ে চেন্নাইৰ পৰা কন্যাকুমাৰী আৰু চেন্নাইৰ পৰা কোয়েম্বাটুৰলৈ নতুন কৰিড'ৰ নিৰ্মাণৰ দাবী জনায়। তেওঁ ৰাষ্ট্ৰীয় ঘাইপথৰ কেইবাটাও অংশ ছয় লেনযুক্ত কৰাৰ প্ৰস্তাৱো আগবঢ়ায়। জলসম্পদৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী বিজয়ে গোদাৱৰী-কাবেৰী নদী আন্তঃসংযোগ প্ৰকল্পক ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ হিচাপে গুৰুত্ব আৰোপ কৰে আৰু ৰাজ্যসমূহৰ মাজত জল সমবিতৰণ অত্যন্ত প্ৰয়োজনীয় বুলি মন্তব্য কৰে। ইয়াৰ উপৰি তেওঁ তামিল ভাষাক মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ কাৰ্যবিধিৰ বাবে প্ৰধান ভাষা হিচাপে ব্যৱহাৰ কৰিববলৈ পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। লগতে কোনো চৰ্ত নিৰ্ধাৰণ নকৰাকৈ সমগ্ৰ শিক্ষা অভিযান (এছএছএ) আঁচনিৰ অধীনত বাকী থকা ৫, ১১০ কোটি টকা কেন্দ্ৰীয় ধন মুকলি কৰিববলৈও মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰক অনুৰোধ জনায়। ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে মুখ্যমন্ত্ৰী বিজয়ৰ সৈতে কাম কৰি তামিলনাডুৰ জনসাধাৰণৰ সেৱা আৰু ৰাজ্যখনৰ অগ্ৰগতি নিশ্চিত কৰিববলৈ তেওঁ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয়, "দেশৰ উন্নয়নক মই সদায় মোৰ মন্ত্ৰ হিচাপে লৈ আহিছো। মুখ্যমন্ত্ৰী হিচাপে মই এখন ৰাজ্যৰ আশা-আকাংক্ষা বুজি পাওঁ। প্ৰধানমন্ত্ৰী হোৱাৰ পিছত মই কেৱল আশা-আকাংক্ষা পূৰণৰ চেষ্টা কৰাই নহয়, ৰাজ্যসমূহে যাতে নিজৰ লক্ষ্য পূৰণ কৰিব পাৰে তাৰ বাবেও প্ৰচেষ্টা চলাইছিলো।" গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে থকা দিনবোৰ স্মৰণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁ প্ৰয়াত নেতা এম কৰুণানিধি আৰু জে জয়াললিতাকে ধৰি তামিলনাডুৰ কেইবাজনো মুখ্যমন্ত্ৰীৰ সৈতে মত বিনিময় কৰাৰ সুযোগ পাইছিল।

## কংগ্ৰেছে ৰাইজক সদায় প্ৰতাৰণা কৰি

আহিছে। মন্ত্ৰী হাজৰিকাই আৰু উল্লেখ কৰে যে কংগ্ৰেছ চৰকাৰ থকা সময়ত সংখ্যালঘু লোকসকলৰ সমস্যাসমূহৰ সমাধান কৰা নাছিল। এই কাৰণেই সংখ্যাগৰিষ্ঠ লোকে তেওঁলোকক কেতিয়াবাই এৰি দিছে আৰু সংখ্যালঘুসকলেও কংগ্ৰেছক ভোট দিয়া নাই। তেওঁ লগতে মন্তব্য কৰে যে বদৰুদ্দিন আজমলে কমিনিয়েল কথাৰে নিৰ্বাচন খেলিছিল। সেই কমিনিয়েল ৰাজনীতিৰো প্ৰত্যুত্তৰ ৰাইজে দিছে বুলি মন্ত্ৰী পীযুষ হাজৰিকাই কয়।

## দিল্লী-চেন্নাই ইণ্ডিগ' বিমানত অগ্নিকাণ্ড

সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। অৱশ্যে অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ সন্দৰ্ভত আনুষ্ঠানিকভাৱে নিশ্চিত তথ্য এতিয়ালৈকে প্ৰকাশ পোৱা নাই। ঘটনাৰ সময়ত বিমানখনত থকা যাত্ৰীসকলৰ মাজত হুৰা-দুৰা পৰিস্থিতিৰ সৃষ্টি হয়। পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি কেবিন ক্ৰুৱে তৎক্ষণাত জুই নুমুৱাবলৈ ব্যৱস্থা গ্ৰহণ কৰে। ইফালে নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি পাইলটসকলে বিমানখনৰ যাত্ৰাপথ সলনি কৰি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত জৰুৰীকালীন অৱতৰণ কৰায়। ইণ্ডিগ'য়ে প্ৰকাশ কৰা বিবৃতি অনুসৰি, দিল্লীৰ পৰা চেন্নাইলৈ যাত্ৰা কৰা ৬ ৬১১৫ নম্বৰৰ বিমানখনৰ এজন যাত্ৰীয়ে তেওঁৰ ব্যক্তিগত ইলেকট্ৰনিক ডিভাইচৰ পৰা ধোঁৱা ওলোৱা লক্ষ্য কৰিছিল। ইয়াৰ পিছতে কেবিন ক্ৰুৱে তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰে। নিৰ্ধাৰিত সুৰক্ষা পদ্ধতি অনুসৰণ কৰি পাইলটসকলে বিমানখন হায়দৰাবাদলৈ ডাইভাৰ্ট কৰে আৰু নিৰাপদে অৱতৰণ কৰায়। সৌভাগ্যক্ৰমে এই ঘটনাত বিমানখনৰ কোনো যাত্ৰী বা কৰ্মচাৰী আহত হোৱা নাই। বিমানখনত থকা সকলো যাত্ৰী আৰু ক্ৰু সদস্য সুৰক্ষিত বুলি জানিব পৰা গৈছে। ঘটনাটোৰ পিছতে ইণ্ডিগ'য়ে যাত্ৰীসকলৰ অসুবিধাৰ বাবে দুখ প্ৰকাশ কৰে। বিমান সংস্থাটোৱে জনোৱা মতে, যাত্ৰীসকলক সতেজ খাদ্যৰ ব্যৱস্থা কৰাৰ লগতে পৰিস্থিতি সন্দৰ্ভত সময়ে সময়ে তথ্য প্ৰদান কৰা হৈছে। অভাৱনীয় পৰিস্থিতিৰ ফলত সৃষ্টি হোৱা অসুবিধা হ্ৰাস কৰিববলৈ সকলো প্ৰচেষ্টা চলোৱা হৈছে বুলিও সংস্থাটোৱে উল্লেখ কৰে। যাত্ৰী আৰু কৰ্মচাৰীৰ সুৰক্ষা ইণ্ডিগ'ৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ বুলি বিবৃতিত স্পষ্ট কৰা হৈছে। ইফালে বিমানখনত থকা এজন যাত্ৰীয়ে নিজৰ ম'বাইল ফোনত ঘটনাটোৰ ভিডিঅ' ৰেকৰ্ডিং কৰে। ভিডিঅ'টোত বিমানখনৰ ওপৰৰ লাগেজ ৰখা স্থানত জুই জ্বলি থকা দেখা গৈছে। পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ কেইবাজনো যাত্ৰীয়ে বেগ লৈ জুই নুমুৱাবলৈ চেষ্টা কৰা দৃশ্যও ভিডিঅ'টোত দেখা পোৱা গৈছে। এই ঘটনাই বিমান যাত্ৰাৰ সময়ত পাৱাৰ বেংক আৰু অন্যান্য ইলেকট্ৰনিক ডিভাইচৰ সুৰক্ষিত ব্যৱহাৰক লৈ পুনৰ প্ৰশ্নৰ অৱতাৰণা কৰিছে। অৱশ্যে অগ্নিকাণ্ডৰ কাৰণ আনুষ্ঠানিকভাৱে নিশ্চিত নোহোৱালৈকে পাৱাৰ বেংকটোৱেই জুইৰ উৎস আছিল বুলি নিশ্চিতভাৱে কোৱা নাই।

## হিমাশ্ৰী বড়োৰ ন্যায় আৰু নাৰী সুৰক্ষাৰ

কুমাৰ ভট্টাচাৰ্যই কয়, "উত্তৰ-পূৰ্বৰ যুৱক-যুৱতী, নাৰী-পুৰুষ বহিঃৰাজ্যলৈ গ'লে নিৰাপত্তাহীনতাৰ সন্মুখীন হয়। শেহতীয়াকৈ হিমাশ্ৰীয়ে প্ৰাণ হেৰুৱাবলগীয়া হ'ল। হিমাশ্ৰীৰ এই ঘটনাৰ বাবে সম্পূৰ্ণ জগৰীয়া বিভাগীয় কৰ্তৃপক্ষ। সেয়ে হিমাশ্ৰীয়ে ন্যায় পাবই লাগিব।" সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত ভট্টাচাৰ্যই কয়, "উত্তৰ-পূৰ্বাঞ্চলৰ লোক বহিঃৰাজ্যলৈ গ'লে তেওঁ ঘৰলৈ সুকলমে ঘূৰি আহিব পাৰিব নে নাই, সেয়া পৰিয়ালৰ চিন্তাৰ বিষয় হৈ পৰে। উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ এটা অংগ; সেয়ে ভাৰতৰ নাগৰিক হিচাপে দেশৰ বিভিন্ন প্ৰান্তলৈ যোৱাৰ অধিকাৰ তেওঁলোকৰ আছে। কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ লোক কিয় বাৰে বাৰে নিৰাপত্তাহীনতাৰ সন্মুখীন হ'ব লাগে?" হিমাশ্ৰীৰ প্ৰসংগত তেওঁ কয়, "উত্তৰ-পূৰ্বাঞ্চলৰ লোকৰ নিৰাপত্তাৰ ক্ষেত্ৰত কোনো সুৰুঙা থাকিব নোৱাৰে। দোষীয়ে উচিত শাস্তি পোৱাৰ লগতে চৰকাৰে নাৰীৰ নিৰাপত্তা সুনিশ্চিত কৰিব লাগিব। উত্তৰ-পূৰ্বাঞ্চলৰ নাৰী-পুৰুষ, যুৱক-যুৱতীয়ে ভাৰতৰ যিকোনো প্ৰান্তলৈ গ'লেও যাতে নিৰাপত্তাহীনতা অনুভৱ নকৰে, তাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগিব।" কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহে এই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব বুলি দাবী জনাই আছু নেতাগৰাকীয়ে কয়, "এইখন দেশ আমাৰ নহয় নেকি? উত্তৰ-পূৰ্বাঞ্চল দেশৰ অংগ নহয় নেকি? যদি হয়, তেন্তে উত্তৰ-পূৰ্বৰ লোকৰ দায়িত্ব ল'ব লাগিব।" উল্লেখ্য, গুৱাহাটীৰ বাসিন্দা হিমাশ্ৰী বড়োৱে বিশাখাপট্টনমত এক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণৰ উদ্দেশ্যে অন্ধ্ৰপ্ৰদেশলৈ গৈছিল। যোৱা ছ অক্টোবৰত তেওঁ বিবেক এক্সপ্ৰেছেৰে অকলে ঘৰলৈ উভতি আহিছিল। কিন্তু পৰৱৰ্তী সময়ত তেওঁ নিৰুদ্দেশ হয় আৰু ৭ অক্টোবৰত পেনুবৰ্তী গাঁৱৰ সমীপত শ্ৰীকাকুলামত ৰে'লপথৰ কাষত তেওঁৰ মৃতদেহ উদ্ধাৰ হয়।

## CJPৰ আন্দোলনত ৰাজনীতিৰ ৰং

কংগ্ৰেছক সকীয়নি দি তেওঁ কয় যে CJPৰ আন্দোলনৰ আঁৰত নিজৰ ৰাজনৈতিক মুনাফা আদায় কৰিববলৈ চেষ্টা নকৰিব। CJPৰ আন্দোলনৰ অজুহাত লৈ ৰাজনৈতিক স্বাৰ্থ সিদ্ধি নকৰিববলৈও তেওঁ কংগ্ৰেছক সকীয়নি দিয়ে। তেওঁ লগতে কয় যে অখিল গগৈৰ আন্দোলনে ন দিন অতিক্ৰম কৰিছে আৰু এই আন্দোলন অধিক তীব্ৰতৰ হ'ব। CJPই যি কাম কৰিছে, সেয়া গণতন্ত্ৰ ৰক্ষা কৰিববলৈ কৰা এই সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম। CJPই BJP-RSSৰ কলিজাত আঘাত কৰিছে বুলি মন্তব্য কৰি তেওঁ কয় যে পাকিস্তানত ঘনে-ঘনে গণতন্ত্ৰ সংকটত পৰি থাকে; ভাৰতত প্ৰথম ইন্দিৰা গান্ধীৰ দিনত এবাৰ এনে অৱস্থা হৈছিল আৰু এতিয়া নৰেন্দ্ৰ মোদীৰ দিনত হৈছে। ১২ বছৰে বিৰোধী ৰাজনৈতিক দলে কৰিব নোৱাৰা কাম ৩-৪ মাহত CJPই কৰি দেখুৱালে বুলিও তেওঁ মন্তব্য কৰে। ইয়াৰ উপৰি বিধায়ক গগৈয়ে উজনিৰ প্ৰলয়পীড়িত লোকসকলৰ উচিত ক্ষতিপূৰণৰ দাবী জনায়। তেওঁৰ বিধানসভা চৌহদত সত্যাগ্ৰহ কাৰ্যসূচী অব্যাহত আছে। এই সত্যাগ্ৰহৰ মাজতে তেওঁ সংবাদমেল সম্বোধন কৰি CJPই সাব্যস্ত কৰা প্ৰতিবাদ সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। CJPৰ প্ৰতিবাদক সমৰ্থন কৰি তেওঁ এই মন্তব্য আগবঢ়ায়।

# ৰ'টাৰী ক্লাব অব্ ডিব্ৰুগড়ৰ উদ্যোগত দীপশিখা কেন্সাৰ কেয়াৰত নৱৰাত্ৰি উপলক্ষ্য মানৱীয় পদক্ষেপ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ অক্টোবৰ ঃ** নৱৰাত্ৰিৰ প্ৰথম দিনটোৰ শুভ মুহূৰ্তৰ সৈতে সংগতি ৰাখি ৰ'টাৰী ক্লাব অব ডিব্ৰুগড়ে ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰস্থিত দীপশিখা কেন্সাৰ কেয়াৰত এক মানৱীয় সেৱামূলক কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীৰ অধীনত কেন্সাৰ ৰোগী আৰু তেওঁলোকৰ সংগীসকলৰ সহায়ৰ বাবে প্ৰয়োজনীয় খাদ্য সামগ্ৰী আৰু অন্যান্য লাগতিয়াল বস্তুবোৰ দান কৰা হয়। নৱৰাত্ৰি উৎসৱৰ সৈতে জড়িত দয়া, উদাৰতা আৰু সেৱাৰ ভাৱনাক প্ৰতিফলিত কৰি কেন্সাৰৰ চিকিৎসা গ্ৰহণ কৰি থকা লোকসকললৈ সহায়ৰ হাত বঢ়োৱা আৰু তেওঁলোকক কিছু সকাহ দিয়াই আছিল এই পদক্ষেপৰ মূল উদ্দেশ্য। এই সহায়ৰ দ্বাৰা কেন্দ্ৰটোৰ ১২ গৰাকী ৰোগী, ১২ গৰাকী সংগী আৰু চাৰিগৰাকী কৰ্মচাৰী উপকৃত হ'ব। ৰোগী আৰু হিতাধিকাৰীসকলৰ প্ৰয়োজন পূৰণৰ বাবে ক্লাবৰ সদস্যসকলেও অত্যাৱশ্যকীয় সামগ্ৰী সংগ্ৰহ কৰাত অৰিহণা যোগায়। এই কাৰ্যসূচীৰ জৰিয়তে ৰ'টাৰী ক্লাব অব ডিব্ৰুগড়ে সমাজ কল্যাণৰ প্ৰতি থকা নিজৰ দায়বদ্ধতা আৰু ইয়াৰ মূল নীতি "আত্মীয়তাতকৈ সেৱা শ্ৰেষ্ঠ"ক পুনৰাই দোহাৰে। লগতে এই কাৰ্যসূচীয়ে ২০২৬-২৭ ৰোটাৰী বৰ্ষৰ বাবে ৰোটাৰী ইণ্টাৰনেচনেলৰ মূল বিষয়বস্তু "স্থায়ী প্ৰভাৱ সৃষ্টি কৰক"কো প্ৰতিফলিত কৰে, যিয়ে মানুহৰ জীৱনত ইতিবাচক পৰিৱৰ্তন অনা অৰ্থপূৰ্ণ সেৱাৰ গুৰুত্বক আলোকপাত কৰে। ক্লাবটোৱে এনেধৰণৰ মানৱীয় পদক্ষেপ অব্যাহত ৰখাৰ লগতে যত্ন, মৰ্যাদা আৰু সহানুভূতিৰে সমাজৰ দুৰ্বল শ্ৰেণীৰ ওচৰলৈ যোৱাৰ নিজৰ অংগীকাৰ ব্যক্ত কৰে।

**লজ্জানত কৰিলে মাজুলীকো; ভুৱা ঠিকনাৰে গ্ৰাকক ৰাঠগন**

# চৰকাৰে লটাৰী বন্ধ ৰখাৰ সময়তে অনলাইনযোগে লটাৰীৰ বেহা

**অসম বাৰ্তা, মাজুলী, ১১ অক্টোবৰ ঃ** মাজুলীত অনলাইন লটাৰীৰ নামত ভয়ংকৰ প্ৰতাৰণা: গাড়ী পোৱাৰ আশাত সৰ্বস্বান্ত বিশ্বনাথৰ যুৱক। চৰকাৰে লটাৰী বন্ধ ৰখাৰ সময়তে এটা অজ্ঞাত সংগঠনৰ ১০০ টকীয়া টিকেটত ব্ৰিজা গাড়ীৰ প্ৰলোভন! প্ৰচেছিং ফীৰ নামত লুটিলে হাজাৰ হাজাৰ টকা। মাজুলীত অনলাইন লটাৰীৰ নামত ব্যাপক প্ৰতাৰণাৰ অভিযোগ! বিশ্বনাথ চাৰিআলিৰ এজন ব্যক্তিক গাড়ী উপহাৰ পোৱাৰ প্ৰলোভন দি লুটি নিলে হাজাৰ হাজাৰ টকা। ব্ৰিজা গাড়ী লাভৰ আশাত মাজুলীত উপস্থিত হোৱা ভুক্তভোগীয়ে এতিয়া বিচাৰি পোৱা নাই আয়োজকৰ শুংসূত্ৰ। ভুৱা ঠিকনাৰে ৰামঠগন দিয়া গ্ৰাহকে উপহাৰ নিবলৈ অহাত ওলাই পৰিল জোলোঙাৰ মেকুৰী! উপহাৰৰ গাড়ীখন নিবলৈ পৰিয়ালসহ কমলাবাৰীত উপস্থিত হোৱা অতুল চন্দ্ৰ বড়ো নামৰ লোকজনৰ এতিয়া মূৰত সৰগ ভাগি পৰিছে। টিকটত উল্লেখ থকা কমলাবাৰী শিৱ মন্দিৰৰ কাষৰ ঠিকনাত বিচাৰ-খোঁচাৰ কৰিও কোনো আয়োজকৰ সম্ভেদ পোৱা নাই তেওঁলোকে। এতিয়া প্ৰশ্ন হয়— সঁচাকৈয়ে এইয়া এক পৰিকল্পিত অনলাইন প্ৰৱঞ্চনা আছিল নেকি? ভুক্তভোগীয়ে পৰৱৰ্তী সময়ত আৰক্ষীৰ কাষ চাপিছে বুলিও জানিবলৈ দিয়ে। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীক লজ্জানত কৰা প্ৰৱঞ্চকক উলিয়াবলৈ সক্ষম হবনে সেইটো লক্ষ্মীয় হ'ব।

## ১০১ বছৰতো নিতৌ পঢ়ে কাকত-আলোচনী, চলাই বাইচাইকেল

# পীতাম্বৰ সন্দিকৈ ঃ বয়সেও টলাব নোৱাৰা দুৰন্ত তৰুণ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১১ অক্টোবৰ ঃ** ১০১ বছৰীয়া এগৰাকী ককা। শতায়ু গৰকা তিনিচুকীয়াৰ এইগৰাকী ককা এতিয়াও এগৰাকী দুৰন্ত তৰুণৰ দৰে। বয়সে তেওঁক আঁচুৰি গৈছে যদিও তেওঁৰ আছে অদম্য সাহস, এটা দুৰন্ত মন। এই বয়সতো ককাই বৰ্তাই ৰাখিছে নিজৰ সু-স্বাস্থ্যৰ লগতে সুস্থ মন। বাণিজ্যিক চহৰ তিনিচুকীয়াৰ ভীমপাৰা লোহাৰী কছাৰী গাঁৱৰ বাসিন্দা পীতাম্বৰ সন্দিকৈ অঞ্চলটোৰ এক আকৰ্ষণৰ কেন্দ্ৰও। সুঠাম-সুস্বাস্থ্যৰ অধিকাৰী ককাই এই বয়সতো চলাব পাৰে বাইচাইকেল। ককাই এগৰাকী দুৰন্ত তৰুণৰ দৰে বাইচাইকেলখনেৰে ইঠাই-সিঠাইলৈ যাব পাৰে। এই বয়সতো ককাই আনৰ সহায় নোলোৱাকৈ একপ্ৰকাৰ সকলো কাম নিজেই কৰিব পাৰে। ককাৰ আন এটা বিশেষ গুণো আছে। এই বয়সতো চশমা নিপিন্ধাকৈ ককাই লিখিব-পঢ়িব পাৰে। ককাই প্ৰতিদিনে খৰচি মাৰি কাকত-আলোচনী পঢ়ে। যোৱা ২ অক্টোবৰত ১০২ বছৰত ভৰি দিয়া ককাৰ জন্ম ১৯২৫ চনৰ ২ অক্টোবৰত নাজিৰাৰ সন্দিকৈ আচলাপথাৰ গাঁৱত। ১৯৪৭ চনত হাঁহচৰা কুঁজিবালি হাইস্কুলৰ পৰা ককাই মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও উত্তীৰ্ণ নহ'ল। পিছত ১৯৫২ চনত দ্বিতীয় অসম আৰক্ষী বাহিনী গঠন হোৱাত ককাই তাত যোগদান কৰে। নগা পাহাৰত চাকৰি কৰা ককাই পদোন্নতিৰ সংক্ৰান্তত মনোমালিন্য ঘটাত ১৯৫৭ চনত বেটেলিয়নৰ চাকৰি ইস্তফা দিয়ে। ১৯৫৮ চনত বিয়া কৰোৱা ককাই ১৯৬০ চনত দিখৌ নৈৰ ভয়াৱহ খহনীয়াৰ কৱলত পৰি পৰিয়ালসহ ধলা(ছৈখোৱা)ৰ হাঁহখাটি মাজগাঁৱলৈ উঠি আহে। ১৯৬২ চনত হাঁহখাটি গন্ধেগুৰি প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰা ককাই ৩ বছৰ শিক্ষকতা কৰি চাকৰি বাদ দি মিস্ত্ৰীৰ কামৰ পৰা আৰম্ভ কৰি সৰু-সুৰা ঠিকা-ঠুকুলি কৰিবলৈ ল'য়। ককাই ১৯৭৫ চনত নিৰ্দলীয় প্ৰাৰ্থীৰূপে পঞ্চায়তৰ বাৰ্ড সদস্য হিচাপে নিৰ্বাচিত হৈছিল। ১৯৯২ চনত ডিৰাক চুমনি বান্ধ ছিঙাৰ ফলত ঘৰ-ভেঁটি উছন হোৱাত ককাৰ পৰিয়ালটি ডুমডুমাৰ ৰূপাই চাই ডিঙলৈ উঠি আহে। প্ৰাকৃতিক দুৰ্যোগত বিধ্বস্ত হৈ জীৱন আৰু জীৱিকাৰ তাড়নাত দিকবিদিক হেৰুওৱাৰ পিছতো ধৈৰ্যচ্যুত নোহোৱা ককা আজিৰ তাৰিখত এগৰাকী অত্যন্ত সুখী ব্যক্তি। সম্প্ৰতি তিনিচুকীয়া চহৰৰ সমীপৰ ভীমপাৰা লোহাৰী কছাৰী গাঁৱৰ জোনাকী পথৰ বাসিন্দা ককাৰ তিনিওজন পুত্ৰই অসম আৰক্ষীত কৰ্মৰত। কেতবোৰ বিশেষ গুণৰ অধিকাৰী ককাই এসময়ত দুলীয়াজান-নাহৰকটীয়া পৰ্যন্ত চাইকেল চলাই গৈছিল। বিশেষকৈ কাকত পঢ়াত ভীষণ চখ থকা ককাই অসম সাহিত্য সভাক মনে-প্ৰাণে ভাল পায়। অসম সাহিত্য সভাৰ দুধনৈ অধিৱেশনত ডিৰাক-মাইঠং শাখা সাহিত্য সভাৰ হৈ প্ৰতিনিধিত্ব কৰা ককাই অসম সাহিত্য সভাৰ বহুকেইখন অধিৱেশনলৈ যোৱাৰ অভিজ্ঞতা আছে। অনবৰতে নিৰ্মল ধূতি-পাঞ্জাৱী, ডিঙিত গামোচা পৰিধান কৰা ককা এগৰাকী ধৰ্মপৰায়ণ ব্যক্তি। মানখোৱা সেউজপুৰ নামঘৰ প্ৰতিষ্ঠাত আগভাগ লোৱাৰ উপৰি প্ৰায় ৭ বছৰ নামঘৰীয়াৰ দায়িত্বও পালন কৰিছিল ককাই। চলিত বৰ্ষত মফচলীয় সাংবাদিক সংগঠন 'আপকু'ৰ সপ্তদশ কেন্দ্ৰীয় মধ্যকালীন তিনিচুকীয়া অধিৱেশনত বিশেষভাৱে সম্বৰ্দ্ধিত হৈছিল শতায়ু গৰকা এইগৰাকী অশীতিপৰ ককা পীতাম্বৰ সন্দিকৈ। ককাৰ সু-স্বাস্থ্য কামনা কৰিলোঁ।

**দুটা পৃথক অনুষ্ঠানত দুলীয়াজান আৰু ডিব্ৰুগড় বিধানসভা সমষ্টিৰ আশা কৰ্মী আৰু আশা ছুপাৰভাইজাৰসকল**

# ডিব্ৰুগড়ত 'সেৱা সংকল্প অভিযান'ৰ অন্তিমটো স্বাস্থ্য আৰু কল্যাণ শিবিৰ দুলীয়াজান বিহুতলীত সফলতাৰে সম্পন্ন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ অক্টোবৰ ঃ** 'সেৱা' সংকল্প অভিযান'ৰ অধীনত ডিব্ৰুগড় জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত জিলাখনৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হৈ থকা স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ সফল সামৰণি পৰে। এই অভিযানৰ অন্তিমটো শিবিৰ টেঙাখাট উন্নয়ন খণ্ডৰ অন্তৰ্গত দুলীয়াজান বিহুতলীত অতি উৎসাহ-উদ্দীপনাৰে অনুষ্ঠিত হয়। শিবিৰটো অসম চৰকাৰৰ চাহ জনজাতি আৰু আদিবাসী কল্যাণ, শ্ৰম কল্যাণ আদি বিভাগৰ মন্ত্ৰী তথা দুলীয়াজান সমষ্টিৰ বিধায়ক ৰামেশ্বৰ তেলীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী ভাষণত মন্ত্ৰীগৰাকীয়ে এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰে আৰু এনে শিবিৰে ৰাইজক বহু পৰিমাণে উপকৃত কৰিব বুলি মন্তব্য কৰে। এই বিশেষ শিবিৰত অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ অভিজ্ঞ আৰু বিশেষজ্ঞ চিকিৎসকৰ এটা বৃহৎ দলে সেৱা আগবঢ়ায়। তেওঁলোকে মেডিচিন, নাক-কাণ-ডিঙি, চকুৰোগ, স্ত্ৰী আৰু প্ৰসূতি ৰোগ, শিশু ৰোগ, দন্ত ৰোগ, হাড়ৰ ৰোগ আৰু মানসিক ৰোগ বিভাগত বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা আৰু প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰে। ইয়াৰ সমান্তৰালকৈ ৰাইজৰ সুবিধাৰ্থে একেখন মঞ্চতে অন্যান্য বহু গুৰুত্বপূৰ্ণ সেৱা যেনে- আয়ুষ চিকিৎসা সেৱা, ডায়েবেটিছ আৰু উচ্চ ৰক্তচাপৰ স্ক্ৰীণিং, এনচিডি স্ক্ৰীণিং, প্ৰয়োজনীয় ঔষধৰ বিনামূলীয়া বিতৰণ, লেবৰেটৰী পৰীক্ষা সেৱা, আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰীজন আৰোগ্য যোজনাৰ কাৰ্ডৰ বাবে পঞ্জীয়ন, আভা আইডি সৃষ্টি, জন্ম-মৃত্যুৰ পঞ্জীয়ন আৰু দিব্যাংগ প্ৰমাণপত্ৰৰ বাবে পঞ্জীয়ন সেৱা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, 'সেৱা সংকল্প অভিযান'ৰ অধীনত ডিব্ৰুগড় জিলাৰ বিভিন্ন উন্নয়ন খণ্ড আৰু পৌৰ এলেকাত মুঠ ১২টা স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত কৰা হয়। 'সেৱা সংকল্প অভিযান' ৰ সৈতে সংগতি ৰাখি আন এটি গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ তৰফৰ পৰা আশা আৰু আশা ছুপাৰভাইজাৰসকলৰ নিৰালস্য সেৱা আৰু স্বাস্থ্য খণ্ডৰ প্ৰতি থকা অৱদানক সন্মান জনোৱাৰ উদ্দেশ্যে এক বিশেষ সম্বৰ্ধনা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীৰ অধীনত ডিব্ৰুগড় জিলাৰ সকলো বিধানসভা সমষ্টিৰ আশা কৰ্মী আৰু আশা ছুপাৰভাইজাৰ সকলক পৰ্যায়ক্ৰমে সম্বৰ্ধনা জনোৱা হ'ব। ইয়াৰ প্ৰথম পৰ্যায়ত দুলীয়াজান বিহুতলীৰ শিবিৰস্থলীতে দুলীয়াজান বিধানসভা সমষ্টিৰ আশা আৰু ছুপাৰভাইজাৰক জিলা স্বাস্থ্য সমিতিৰ তৰফৰ পৰা ১০০০ টকাৰ একঁকালীন প্ৰেৰণাদায়ক মাননিৰ চেক আৰু এখনকৈ প্ৰশংসা-পত্ৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক ৰামেশ্বৰ তেলীৰ উপস্থিতিত বিতৰণ কৰা হয়। একেদৰে ডিব্ৰুগড় জিলা পুথিভঁৰালত স্বাস্থ্য বিভাগে আয়োজন কৰা এক ভব্য অনুষ্ঠানত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ আশা কৰ্মী আৰু আশা ছুপাৰভাইজাৰকো বিভাগীয়ভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে ১০০০ টকাৰ একঁকালীন প্ৰেৰণাদায়ক মাননিৰ চেক বিতৰণ কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই চেক আৰু প্ৰশংসা-পত্ৰসমূহ বিতৰণ কৰে। অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত প্ৰাঞ্জল বৰুৱা, ডিব্ৰুগড় জিলাৰ ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ সৌমেন্দ্ৰ ভাগৱতী আৰু স্বাস্থ্য বিভাগৰ অন্যান্য বিষয়া- কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ উদ্যোগত অহা ১৩ অক্টোবৰৰ ভিতৰত ডিব্ৰুগড় জিলাৰ বাকী থকা সকলো বিধানসভা সমষ্টিত আশা আৰু আশা ছুপাৰভাইজাৰক সম্বৰ্ধনা জনোৱাৰ কাৰ্যসূচী সম্পন্ন কৰা হ'ব। সামগ্ৰিকভাৱে, এই সমগ্ৰ পদক্ষেপে স্বাস্থ্য সেৱা জনসাধাৰণৰ কাষলৈ নিয়াৰ চৰকাৰৰ লক্ষ্যক সফল কৰাৰ লগতে সাধাৰণ ৰাইজক প্ৰত্যক্ষভাৱে উপকৃত কৰিছে। লগতে আশা কৰ্মী আৰু আশা ছুপাৰভাইজাৰসকলক জনোৱা এই স্বীকৃতিয়ে তেওঁলোকৰ নিৰালস্য সেৱাক আৰু অধিক গতিশীল কৰিব বুলি ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগে আশা প্ৰকাশ কৰিছে।

**প্ৰায় ১০টা বিভাগৰ উদ্যোগত হিতাধিকাৰীসকলক প্ৰদান কৰা হ'ল বিভিন্ন চৰকাৰী সেৱা**

# ধুবুৰীৰ গৌৰীপুৰত সেৱা সংকল্প অভিযানৰ কাৰ্যসূচী পালন

**অসম বাৰ্তা, গৌৰীপুৰ, ১১ অক্টোবৰ ঃ** জনসাধাৰণৰ ওচৰলৈ চৰকাৰী সেৱা অধিক ক্ষিপ্ৰতাৰে লৈ যোৱা আৰু চৰকাৰী জনকল্যাণমূলক আঁচনিসমূহৰ সুফল প্ৰকৃত হিতাধিকাৰীসকলৰ মাজত সুনিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ বিভিন্ন সমষ্টিত ৰূপায়ণ কৰা হৈছে সেৱা সংকল্প অভিযান। এই অভিযানৰ অংশ হিচাপে ধুবুৰী জিলাৰ গৌৰীপুৰ পৌৰসভাৰ কাৰ্যালয় চৌহদত যোৱা কালি পুৱাৰে পৰা সেৱা সংকল্প অভিযানৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত প্ৰায় ১০টা বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰি গৌৰীপুৰ অঞ্চলৰ বিভিন্ন হিতাধিকাৰীক চৰকাৰী সেৱা আগবঢ়ায়। চৰকাৰী সেৱাসমূহ সহজে উপলব্ধ কৰা, জনকল্যাণমূলক আঁচনিসমূহৰ সফল আৰু সঠিক ৰূপায়ণ সুনিশ্চিত কৰা তথা স্থানীয় উন্নয়নমূলক কাম-কাজসমূহ অধিক গতিশীল কৰি তোলাই আছিল এই অভিযানৰ মূল উদ্দেশ্য। উল্লেখ্য যে, অভিযান উপলক্ষে পুৱাৰে পৰা গৌৰীপুৰ চহৰৰ লগতে ইয়াৰ দাঁতিকাষৰীয়া গাঁওসমূহৰ পৰাও বহু লোক আহি পৌৰসভাৰ কাৰ্যালয় চৌহদত উপস্থিত হয়। বিভিন্ন চৰকাৰী সেৱা লাভ কৰাৰ উদ্দেশ্যে অহা লোকসকলৰ মাজত যথেষ্ট উৎসাহ পৰিলক্ষিত হয়। আনহাতে, অভিযানৰ অধীনত স্বাস্থ্য বিভাগৰ কৰ্মীসকলে স্বাস্থ্য শিবিৰৰ জৰিয়তে ৰোগীসকলক চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে প্ৰয়োজনীয় বিনামূলীয়া ঔষধো বিতৰণ কৰে। ইয়াৰ উপৰি বিভিন্ন বিভাগৰ জৰিয়তে হিতাধিকাৰীসকলক চৰকাৰী সেৱা আৰু আঁচনি সম্পৰ্কীয় সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হয়। এই উপলক্ষে গৌৰীপুৰ পৌৰসভাৰ সভানেত্ৰী জয়া বিশ্বাস, কাৰ্যবাহী বিষয়া ৰাখী টুমুং আৰু বিভিন্ন বিভাগৰ পৰা অহা বিষয়াসকলে সাংবাদিকৰ আগত নিজৰ মত প্ৰকাশ কৰি কয় যে, সেৱা সংকল্প অভিযানৰ মূল লক্ষ্য হৈছে প্ৰকৃত আৰু যোগ্য হিতাধিকাৰীসকলক চৰকাৰী সেৱাৰ সুবিধা প্ৰদান কৰা। সেয়েহে, চৰকাৰী আঁচনিৰ সুবিধা লাভৰ বাবে যোগ্য হিতাধিকাৰীসকলক আগবাঢ়ি আহি নিজৰ প্ৰাপ্য সুবিধাসমূহ গ্ৰহণ কৰিবলৈ তেওঁলোকে আহ্বান জনায়। উল্লেখ্য যে, গৌৰীপুৰ পৌৰসভাৰ কাৰ্যালয় চৌহদত অনুষ্ঠিত এই সেৱা সংকল্প অভিযানৰ কাৰ্যসূচী শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। স্থানীয় পৰ্যায়ত বিভিন্ন বিভাগৰ সেৱা একেখন মঞ্চতে লাভ কৰাৰ সুবিধাই গৌৰীপুৰৰ জনসাধাৰণৰ মাজত চৰকাৰী সেৱা সম্পৰ্কে সজাগতা বৃদ্ধিত সহায় কৰিব বুলি আশা কৰা হৈছে।

**পূজাৰ পিছতে নিৰ্মাণ হ'ব ১৭৮টা পকী ঘৰ**

# নাজিৰাত বানাক্ৰান্তলৈ নতুন ঘৰ বিধায়ক ময়ূৰ বৰগোহাঁইৰ

**অসম বাৰ্তা, চেলেংহাট, ১১ অক্টোবৰ ঃ** নাজিৰা সমষ্টিৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী আমগুৰি চাহ বাগিছাৰ তলৰ লাইনত জুলাই মাহত হোৱা প্ৰলয়ংকাৰী বানত আক্ৰান্ত ৩৬টা পৰিয়ালৰ বাবে নিৰ্মাণ কৰা নতুন ঘৰৰ শুভ উদ্বোধন হৈছে। সমষ্টিটোৰ বিধায়ক ময়ূৰ বৰগোহাঁয়ে দেওবাৰে ঘৰসমূহ উদ্বোধন কৰি উপকৃত পৰিয়ালবোৰক হস্তান্তৰ কৰে। যোৱা জুলাই মাহৰ প্ৰলয়ঙ্কৰী বানত বাগিছাখনৰ তল লাইনৰ ঘৰসমূহ সম্পূৰ্ণৰূপে বিধ্বস্ত হৈছিল। ফলত ৩৬টা পৰিয়াল গৃহহীন হৈ পৰে আৰু দীৰ্ঘদিন ধৰি বাগিছাৰ খালী পৰি থকা ভূমিত অস্থায়ীভাৱে বসবাস কৰি আছিল। ঘৰ হস্তান্তৰৰ লগতে বিধায়ক বৰগোহাঁয়ে বানাক্ৰান্তসকলৰ হাতত ঘৰৰ প্ৰয়োজনীয় আচবাব, বাচন-বৰ্তন, শিক্ষণ সামগ্ৰী আদিকে ধৰি বিভিন্ন সাহায্য-সামগ্ৰী অৰ্পণ কৰে। বিধায়কজনে জানিবলৈ দিয়ে যে বৰ্তমান অস্থায়ী ভিত্তিত নিৰ্মাণ কৰা এই ঘৰসমূহৰ উপৰি পূজাৰ পিছতে বাগিছাখনত মুঠ ১৭৮টা পকী ঘৰ নিৰ্মাণ কৰা হ'ব। লগতে পৰৱৰ্তী পৰ্যায়ত বিহুৰ সময়ৰ ভিতৰতে সমষ্টিটোৰ বিভিন্ন ঠাইত বানাক্ৰান্তৰ বাবে স্থায়ী গৃহ নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। অনুষ্ঠানত আমগুৰি মণ্ডলৰ সভাপতি পঙ্কজ পৰাণ গায়ন, উপ-সভাপতি পুতুল বৰুৱাকে ধৰি বিভিন্ন নেতা-কৰ্মী উপস্থিত আছিল।

# বাহনা মহাবিদ্যালয়ৰ যুগজয়ী যাত্ৰা কেৱল শৈক্ষিক দিশতে সীমাবদ্ধ নাই ঃ ড° জ্যোতিপ্ৰসাদ শইকীয়া

**অসম বাৰ্তা, নিমাতীঘাট, ১১ অক্টোবৰ ঃ** বাহনা মহাবিদ্যালয়ৰ যুগজয়ী যাত্ৰা কেৱল শৈক্ষিক দিশতে সীমাবদ্ধ নাই- সমাজ, সংস্কৃতি, সাহিত্য, ৰাজনীতি সকলোতে প্ৰসাৰিত হৈছে। ষাঠি বছৰৰ সফলতাৰ পৰিসংখ্যাই আজি সেয়া স্পষ্টকৈ প্ৰতিফলিত কৰিছে- গ্ৰামাঞ্চলত অৱস্থিত যোৰহাটৰ উচ্চ শিক্ষাৰ অনুষ্ঠান বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ আজি দ্বিতীয় দিনাৰ মুকলি সভাত এইদৰে বক্তব্য প্ৰদান কৰে জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই। উদযাপন সমিতিৰ সভাপতি অনন্ত কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাই আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ পৰা নিৰৱচ্ছিন্ন উত্তৰণৰ পৰিসংখ্যা আগ বঢ়োৱাৰ লগতে ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে সদৰি কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই বিশিষ্ট অতিথি ৰূপে সভাত অংশ গ্ৰহণ কৰি এখন মহাবিদ্যালয়ৰ জয়ন্তী উদ্‌যাপন কেৱল এক অনুষ্ঠান নহয়, স্মৃতি ৰোমন্থনৰ এক সুযোগ বুলি ব্যক্ত কৰে। বাহনা মহাবিদ্যালয়ে ষাঠি বছৰত যি তিতা-মিঠা অভিজ্ঞতা লাভ কৰিলে তাৰ আধাৰত আগন্তুক পঞ্চাশ বছৰৰ ৰূপৰেখা প্ৰস্তুত কৰিব লাগিব বুলি তেওঁ মন্তব্য কৰে। বাহনা মহাবিদ্যালয়ৰ স্বতন্ত্ৰ মহাবিদ্যালয় ৰূপে গঢ়ি তোলাৰ দাবীৰ প্ৰতি ছাত্ৰ সন্থাৰ পূৰ্ণ সহমত থকা বুলি তেওঁ অৱগত কৰে। বাহনা মহাবিদ্যালয়ত বাণিজ্য শাখা মুকলি কৰাৰ বাবে যোৰহাট জিলা ছাত্ৰ সন্থাক চৰকাৰৰ ওচৰত দাবী জনোৱাৰ কাৰণে তেওঁ আহ্বান জনায়। মহাবিদ্যালয়ৰ অধ্যাপক অজিত বৰাই আঁত ধৰা সভাত টীয়কৰ বিধায়ক বিকাশ শইকীয়া, অসম ঔদ্যোগীক উন্নয়ন নিগমৰ অধ্যক্ষ তথা প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° মুনীন্দ্ৰ কোঁৱৰ, অখিল ভাৰতীয় শিক্ষাৰ্থী পৰিষদৰ কেন্দ্ৰীয় সভাপতি কমলেশ সিংহ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° প্ৰসন্ন কুমাৰ দত্ত, শকুন্তলা বৰদলৈ, প্ৰীতি বৰদলৈ, ড° সান্ত্বনা শইকীয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ড° নমিতা শইকীয়াই ৰচনা কৰা সমৱেত সংগীতেৰে আৰম্ভ হয় হোৱা সভাত হীৰক জয়ন্তী উপলক্ষে অনুষ্ঠিত প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হয়। নিশা অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজেন্দ্ৰ নাথ দত্ত সৌঁৰণী সাংস্কৃতিক সন্মিলন উদ্বোধন কৰে বিশিষ্ট অভিনেত্ৰী বৰষাৰাণী বিষয়াই। অনুষ্ঠানত জনপ্ৰিয়

**বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তীত স্মৃতিগ্ৰন্থ 'উঁৰিয়লি' সহ নখন গ্ৰন্থ উন্মোচন**

কণ্ঠশিল্পী প্ৰবীণ বৰা, বিকশিতা গগৈৰ লগতে বহুকেইগৰাকী প্ৰতিষ্ঠিত শিল্পীয়ে নৃত্য-গীত পৰিৱেশন কৰে। ইয়াৰ আগতে পুৱা চাইকেল শোভাযাত্ৰা উদ্বোধন কৰে টীয়ক সম জিলাৰ আয়ুক্ত মগেন নৰহে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই শোভাযাত্ৰাই প্ৰায় পোন্ধৰ কিলোমিটাৰ সামৰি লয়। ইয়াৰ পাছতে হীৰক জয়ন্তী উপলক্ষে হেমেন কুমাৰ শইকীয়া আৰু ড° মধুস্মিতা বৰুৱা চাংকাকতিৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'উঁৰিয়লি' উন্মোচন কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য প্ৰাধ্যাপক ডম্বৰুধৰ নাথে। উন্মোচনী ভাষণত তেওঁ উঁৰিয়লি কেৱল এখন স্মৃতিগ্ৰন্থ নহয়, বাহনা মহাবিদ্যালয়ৰ ষাঠি বছৰীয়া ইতিহাসৰ এক স্বৰ্ণীল দলিল বুলি ব্যক্ত কৰে। স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠানত সম্পাদকদ্বয়ে চমু বক্তব্য প্ৰদান কৰে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° মুনীন্দ্ৰ কোঁৱৰৰ সঞ্চালনাত অনুষ্ঠিত সভাত আঠখন গ্ৰন্থ উন্মোচন কৰে। সহকাৰী অধ্যাপক অজিত কুমাৰ বৰাৰ সম্পাদনাত প্ৰকাশিত ইতিহাসে গৰকা বাহনা মহাবিদ্যালয় গ্ৰন্থখন উন্মোচন ড° মুনীন্দ্ৰ কোঁৱৰে। উল্লেখ্য, গ্ৰন্থখন প্ৰকাশৰ সমুদায় খৰচ বহন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰফিক আহমেদে। অনুষ্ঠানত ড° মৃদুস্মিতা বৰাৰ সম্পাদনাত ড° ভূপেন হাজৰিকা ঃ সৃষ্টি আৰু চেতনা উন্মোচন কৰে নেইষ্টৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী তথা ৰামায়ণী সাহিত্যৰ গৱেষিকা ড° মালিনীয়ে, ড° ৰীমা ৰাভা, ড° সৰলা দাস, ড° মৃদুস্মিতা বৰা, পলীপ্ৰিয়া বুঢ়াগোহাঁইৰ সম্পাদনাত প্ৰকাশিত Women in society উন্মোচন কৰে যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° অদিতি বেজবৰুৱাই, ড° দীপশিখা দিহিঙীয়া, ড° মুনমী বৰা, ড° পূজামণি বৰুৱা, ড° ডিম্পল পাঠকৰ সম্পাদনাত প্ৰকাশিত Anuraran উন্মোচন কৰে অনন্ত কুমাৰ বৰুৱাই, অজিত কুমাৰ বৰাৰ অনুবাদ গ্ৰন্থ নাকান্দিবা সোণ উন্মোচন কৰে ড° সান্ত্বনা শইকীয়াই, মমী বৰাৰ অৰণ্যৰ উচুপনি উন্মোচন কৰে ড° নমিতা শইকীয়াই, সংকলক ড° সৰলা দাসৰ গল্পগুচ্ছ উন্মোচন কৰে ড° ৰফিক আহমেদে, ড° ডামিনী কাশ্যপ, পলীপ্ৰিয়া বুঢ়াগোহাঁইৰ সম্পাদনাত প্ৰকাশিত বাহনা কলেজ নিউজ লেটাৰ উন্মোচন কৰে ডং প্ৰসন্ন কুমাৰ দত্তই আৰু ডং চমি কলিতা, সুপ্ৰিয়া দত্তৰ বুলেটিন অব উইমেন চেল উন্মোচন কৰে ডং ইন্দিৰা বৰুৱাই। অজিত বৰা আৰু ড° মৃদুস্মিতা বৰাই আঁতধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই যোৰহাটৰ শৈক্ষিক উত্তৰণত বাহনা মহাবিদ্যালয়ৰ অৱদান অনবদ্য আৰু এই মহাবিদ্যালয়ে অসমৰ সমাজ জীৱনলৈ বহু বৰেণ্য ব্যক্তিক আগবঢ়াই দিছে, যিসকলে আজি প্ৰশাসনিক, সাহিত্য-সংস্কৃতি, ৰাজনৈতিক, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰ সমৃদ্ধ কৰিছে বুলি প্ৰকাশ কৰে। দুয়ো দিনৰ অনুষ্ঠানত সহস্ৰাধিক শিক্ষাৰ্থী, প্ৰাক্তন শিক্ষাৰ্থী, শিক্ষক আৰু লোকৰ সমাৱেশ হয়।

# মাকুমত ভয়ংকৰ পথ দুৰ্ঘটনা

**গছত প্ৰচণ্ড খুন্দা ইটা ভৰ্তি বলেৰ পিকআপৰ; গুৰুতৰভাৱে আহত চালক**

**অসম বাৰ্তা, মাকুম, ১১ অক্টোবৰ ঃ** মাকুমৰ ডিগবৈ ৰোডত সংঘটিত আজি নিশা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ৰজনীকান্ত বৰদলৈ খেলপথাৰৰ সন্মুখত এখন ইটা ভৰ্তি বলেৰ পিকআপ বাহনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা এজোপা গছত প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ ফলত বাহনখনৰ চালকজন গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত তথ্য অনুসৰি, মাৰ্ঘেৰিটাৰ পৰা মাকুম অভিমুখে আহি থকা এ এছ ২৩ চি চি ৪০২১ নম্বৰৰ ইটা ভৰ্তি বলেৰ পিকআপ বাহনখন ডিগবৈ ৰোডেৰে আহি থকাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়। মাকুমৰ ৰজনীকান্ত বৰদলৈ খেলপথাৰৰ সন্মুখ পোৱাৰ সময়তে বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা এজোপা গছত প্ৰচণ্ড জোৰেৰে খুন্দা মাৰে। ফলত বাহনখনৰ সন্মুখৰ অংশ ক্ষতিগ্ৰস্ত হয় আৰু চালকজন গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাৰ পিছতে ঘটনাস্থলীত স্থানীয় লোকসকলৰ মাজত হুৱাদুৱা লাগে। পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি স্থানীয় ৰাইজে তৎপৰতাৰে উদ্ধাৰ অভিযানত সহযোগিতা আগবঢ়ায় আৰু আহত চালকজনক বাহনখনৰ পৰা উদ্ধাৰ কৰি আহত চালকজনক চিকিৎসাৰ বাবে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। ইফালে, দুৰ্ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে মাকুম আৰক্ষী দল ঘটনাস্থলীত উপস্থিত হয় আৰু পৰিস্থিতিৰ বুজ লয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন